www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

কল্পনাৰ সাগৰত ডুবি নহয় বাস্তৱতাৰ নৈত সাঁতুৰিব শিকা, তেহে জীৱনৰ লক্ষ্যত উপনীত হব পাৰিবা। – আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ▫ সংখ্যা - ১৯৭ ▫ শনিবাৰ ▫ ২০ ছেপ্তেম্বৰ, ২০২৫ চন ▫ ৩ আহিন, ১৯৪৭ শক ▫ VOL - 6 ▫ NO.- 197 ▫ Thursday ▫ 20th September, 2025 ▫ মূল্য ঃ ১০.০০ টকা ▫ মুঠ পৃষ্ঠা ঃ ৮



বিদেশ মন্ত্ৰালয়ৰ পদক্ষেপ, পবিত্ৰ মাৰ্ঘেৰিটাৰ তৎপৰতা

## আজি বিশেষ বিমানযোগে জুবিন গাৰ্গৰ নশ্বৰ দেহ অনা হ'ব অসমলৈ

নশ্বৰ দেহ অসমলৈ ঘূৰাই আনিবলৈ বিদেশ মন্ত্ৰালয়ৰ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ২০ ছেপ্তেম্বৰ ঃ** জনপ্ৰিয় অসমীয়া শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ ভাৰতৰ বিদেশ মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে নিশ্চিত কৰিছে। বিদেশ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই জানিবলৈ দিছে যে, তেওঁ ছিংগাপুৰৰ বিদেশ মন্ত্ৰালয়ৰ সৈতে নিৰন্তৰ যোগাযোগ ৰাখিছে। ছিংগাপুৰৰ চৰকাৰী সূত্ৰই ▸▸ ৬ পৃষ্ঠাত

শোক প্ৰকাশ ৰাহুল গান্ধী-মমতা বেনাৰ্জীৰ

## জুবিনৰ গীতে জীৱনৰ প্ৰতিটো স্তৰক স্পৰ্শ কৰে ঃ প্ৰধানমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ছেপ্তেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ বিৰোধী দলৰ দলপতি ৰাহুল গান্ধী, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী আদিকে ধৰি ভিন্নজনে। প্ৰধানমন্ত্ৰী মোদীয়ে শোক প্ৰকাশ কৰি কয়, "জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ ▸▸ ৬ পৃষ্ঠাত

## ৰাজ্যৰ সকলো বিদ্যালয়ৰ পৰীক্ষা স্থগিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ছেপ্তেম্বৰ ঃ** অসমৰ বিখ্যাত সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত ৰাজ্য শোকৰ ছাঁত ডুব গৈছে। এই শোকৰ মুহূৰ্তত ৰাজ্যৰ সকলো শিক্ষানুষ্ঠানৰ পৰীক্ষা স্থগিত ৰখাৰ নিৰ্দেশ জাৰি কৰা হৈছে। শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলক এই নিৰ্দেশনা জাৰি কৰিছে, য'ত কোৱা হৈছে যে শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন নোহোৱা পৰ্যন্ত পৰীক্ষাসমূহ ▸▸ ৬ পৃষ্ঠাত

■ 'সাগৰৰ তলিত শুবৰে মন.....' গীতত গোৱাৰ দৰেই যেন হ'ল বাস্তৱ ■

# চিৰনিদ্ৰাত জুবিন

### স্কুবা ডাইভিঙৰ সময়তে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ ছেপ্তেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ আৰু নাই। ৫২ বছৰ বয়সীয়া এই শিল্পীগৰাকীয়ে ছিংগাপুৰত স্কুবা ডাইভিং অভিযানত অকস্মাৎ অসুস্থ হৈ অচেতন অৱস্থাত পৰাৰ পিছত হস্পিতালত মৃত্যুবৰণ কৰিছে। এই দুৰ্ঘটনাই অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ লাখ লাখ অনুৰাগীৰ মাজত গভীৰ শোকৰ ছাঁৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গক অসমীয়াৰ প্ৰাণ বুলি কোৱা ▸▸ ৬ পৃষ্ঠাত

### ছিংগাপুৰত ভাৰতীয় সময়মতে বিয়লি ২.৪০ বজাত শেষ নিশ্বাস ত্যাগ



## অসম সাহিত্য সভাৰ তিনিদিনীয়া শোক; সকলো কাৰ্যসূচী বাতিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** অসমীয়া জাতিৰ হৃদস্পন্দন, নতুন প্ৰজন্মৰ আদৰ্শৰ আকৰ জুবিন গাৰ্গৰ আজি আকস্মিক বিয়োগত ▸▸ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ বন্ধ, বিটিআৰত স্থগিত সকলো কাৰ্যসূচী


আমি আজি আমাৰ এজন অমূল্য সম্পদ হেৰুৱালোঁ ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰিয় সংগীতশিল্পী জুবিন ▸▸ ৬ পৃষ্ঠাত

জুবিনৰ সাগৰ ভ্ৰমণ অজ্ঞাত ! উদ্যোক্তাৰ স্পষ্টিকৰণ

## বাতিল কৰা হ'ল নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেল




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৯ ছেপ্তেম্বৰ ঃ** ছিংগাপুৰত অনুষ্ঠিত হ'বলগীয়া নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশ ল'বলৈ যোৱা শিল্পীগৰাকীয়ে স্কুবা ▸▸ ৬ পৃষ্ঠাত

■ শতাধি

## পাখি মেলি স্নিগ্ধ জোনাক নমাই অনা এটা বৰ্ণিল যুগৰ অৱসান ঃ সৰ্বানন্দ সোণোৱাল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। সৰ্বানন্দ সোণোৱালে কয়, "অসমীয়া ▸▸ ৬ পৃষ্ঠাত

যোৰহাটত হ'ব পাৰে সৎকাৰ

## সৰুসজাইত দুদিনৰ বাবে ৰখা হ'ব জুবিনৰ নশ্বৰদেহ


■ পত্নী গৰিমা শইকীয়া গাৰ্গৰ কাষত পত্নীসহ মুখ্যমন্ত্ৰী ■



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** এটা সোণালী যুগৰ পৰিসমাপ্তি। ছিংগাপুৰৰ পৰা শুকুৰবাৰে আহিল কেতিয়াও কল্পনা নকৰা ▸▸ ৬ পৃষ্ঠাত

আজিৰ কলম

## এক অনন্য প্ৰতিভাৰ অকাল অৱসান



শৰৎ চন্দ্ৰ চিৰিংফুকন

সমগ্ৰ অসমবাসী আজি হঠাৎ আকৌ এবাৰ শোকস্তব্ধ। অসমৰ শিল্প-সাংস্কৃতিক জগতৰ হিয়াৰ আমঠু অৰ্থাৎ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ আকস্মিক ▸▸ ৬ পৃষ্ঠাত

হাগ্ৰামা 'বড়োভূমিৰ কৌতুক অভিনেতা'; কটাক্ষ প্ৰমোদ বড়োৰ



## হাগ্ৰামা মহিলাৰীয়ে গণতন্ত্ৰৰ প্ৰতি অসন্মান প্ৰকাশ কৰিছে ঃ প্ৰমোদ বড়ো

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** বড়ো টেৰিট'ৰিয়েল ৰিজ'ন (বিটিআৰ) নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজনৈতিক নেতাসকলৰ মাজত কথাৰ যুঁজ আৰু তীব্ৰ প্ৰতিদ্বন্দ্বিতা বাঢ়িছে। শুকুৰবাৰৰ দিনটোত ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ প্ৰধান প্ৰমোদ ▸▸ ৬ পৃষ্ঠাত

## সংগীতৰ সূৰ্যৰ আজি অস্ত গ'ল অসম সত্ৰ মহাসভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** এগৰাকী প্ৰসিদ্ধ কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰিছে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ প্ৰতিগৰাকী ▸▸ ৬ পৃষ্ঠাত

## দুৰ্নীতিৰ ৰাণী নূপুৰ বৰাক নিলম্বন, চাকৰিৰ পৰা বৰ্খাস্তৰো সিদ্ধান্ত

### দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ নীতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে ৰাজহ চক্ৰৰ বিষয়া নূপুৰ বৰাক নিলম্বনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে, নূপুৰ বৰাক কেৱল নিলম্বন কৰাই ▸▸ ৬ পৃষ্ঠাত



ভাৰতৰ মহাকাশ অভিযানত নতুন সংযোগ

## ৭ দিনলৈকে অৰ্ধনমিত হৈ থাকিব আছুৰ পতাকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ছেপ্তেম্বৰ ঃ** অসমীয়া প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই অৰ্ধনমিত কৰা হ'ল আছুৰ মুখ্য কাৰ্যালয়ৰ পতাকা। এই সিদ্ধান্ত গ্ৰহণ কৰিছে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিয়ে। খবৰ ▸▸ ৬ পৃষ্ঠাত

## ডিচেম্বৰত মহাকাশলৈ প্ৰেৰণ কৰিব 'ভ্যোম্মিত্ৰা'

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ অধ্যক্ষ ড° ভি নাৰায়ণনৰ সাম্প্ৰতিক ঘোষণাই দেশৰ মহাকাশ অভিযানৰ ক্ষেত্ৰত ▸▸ ৬ পৃষ্ঠাত

## শ্যামকানু মহন্তৰ বিৰুদ্ধে প্ৰথমটো গোচৰ ৰুজু

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰ ভ্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত শ্যামকানু ▸▸ ৬ পৃষ্ঠাত



# জুৰীয়াৰ ৩৫০ বছৰতকৈ বেছি পুৰণি ঐতিহাসিক বৰ আম গছজোপা



**অসম বাৰ্তা, জুৰীয়া, ১৮ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জুৰীয়া থানাৰ অন্তৰ্গত জুৰীয়া চাৰিআলী-মেলেকাধিং গড়াকাপ্তনী পথৰ কাষত থকা এডাল বৰ আম গছে ঐতিহ্য বহন কৰি আহিছে। শতবৰ্ষ গৰকা ২৭৭ নং এৰাবাৰী বালক মোক্তাব বিদ্যালয়ৰ গাতে লাগি থকা ঐতিহাসিক আম গছ জোপা তিনিশ পঞ্চাশ বছৰ অতিক্ৰম কৰিছে। উল্লেখ্য যে এই ঐতিহাসিক বৰ আম গছজোপাৰ ছাল, ডাল, পাত আদি ১৯৮৬ চনত স্থানীয় যুৱক তথা প্ৰকৃতি প্ৰেমী ইকৰামুল মজিদৰ বিশেষ প্ৰচেষ্টাত ডেহৰাডুনৰ এটি উদ্ভিদ বিজ্ঞানৰ পৰীক্ষাগাৰত পৰীক্ষণ কৰা হৈছিল আৰু পৰীক্ষণৰ অন্তত গছজোপাৰ বয়স তেতিয়াই আনুমানিক তিনিশ পঞ্চাশ বছৰ বুলি ঠাঁৱৰ কৰিছে। উদ্ভিদ বিজ্ঞানৰ মতে এজোপা আমগছ সাধাৰণতে তিনিশ বছৰ জীয়াই থাকে। বসন্ত কালত সমগ্ৰ গছ জোপা ফলেৰে জাতিষ্কাৰ হৈ পৰাত পুৱা গধূলি তলত সৰি পৰা আম বুটলিবলৈ অঞ্চলটোৰ সকলো ল'ৰা ছোৱালী ভিৰ কৰে। এই ঐতিহাসিক বৰ আমগছজোপাই অতিক্ৰম কৰিলে তিনিশ পঞ্চাশ বছৰ, যাক লৈ গৌৰান্বিত গাঁওবাসীৰ লগতে বৃহত্তৰ মেলেকাধিঙৰ পৰা আৰম্ভ কৰি সমগ্ৰ জুৰীয়াবাসী। অঞ্চল বসবাস কৰা ৬০/৭০ বছৰ বয়সৰ বয়োজ্যেষ্ঠ্য লোক সকলে এই গছজোপা দেখিলেই অতীতৰ বহু স্মৃতি ৰোমান্থন কৰি ৰোমাঞ্চিত হৈ পৰে। এই কথা ব্যক্ত কৰি স্থানীয় প্ৰয়াত ইছৰাফিল বেপাৰী, প্ৰয়াত অৱসৰপ্ৰাপ্ত শিক্ষক আবু নছৰ, প্ৰয়াত বিশিষ্ট সমাজকৰ্মী জাকিৰ হুছেইন আদি বয়োজ্যেষ্ঠ্য লোক সকলে কয় যে- "এই বৰআম গছজোপা তাহানিতে দেখা আকৃতিৰ। ইয়াৰ ৰেহ-ৰূপ তেওঁলোকে সৰু কালতে দেখা একেধৰণৰ"। এইলোক কেইজনে প্ৰকাশ কৰা মতে তেওঁলোকৰ ককা, আজু ককায়ো গছজোপাৰ ঐতিহ্য সন্দৰ্ভত একেই কথা ব্যাক্ত কৰি গৈছে। ৩০/৪০ বছৰ পূৰ্বে এই গছজোপাত ধৰা আম খাবলৈ মিঠা আছিল যদিও সম্প্ৰতি ইয়াৰ অলপ ব্যতিক্ৰম হৈছে। ঐতিহাসিক বৰ আম গছ সংৰক্ষণ কৰি ৰাখে সমগ্ৰ জুৰীয়া বাসীয়ে। সেয়ে বিট্ৰিছৰ শাসনৰ পূৰ্বৰ ৰজা মহাৰজাৰ দিনৰে এই ঐতিহাসিক বৰ আমগছ জোপাক সংৰক্ষণৰ হেতু চৰকাৰক বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান ঐতিহাসিক বৰ আমগছ সংৰক্ষণ সমীতিয়ে। অৱশ্যে শিক্ষিত যুৱক আহচানাল মাৰিফ, হাচান মাছুদৰ নেতৃত্বত স্থানীয় একাংশ শিক্ষিত যুৱকে এই বৰ আমগছ জোপাৰ চৌহদটো শিশু উদ্যান হিচাপে গঢ়ি তুলাৰ প্ৰয়াস কৰি আছে। আজিৰ এই প্ৰতিবেদনৰ জৰিয়তে অসম চৰকাৰ, নগাওঁ জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মা দেৱ তথা বনবিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলো।

### অতীতৰ স্মৃতিক সোঁৱৰি হৈ পৰিল নষ্টালজিক

# শিৱসাগৰত চৰকাৰী মজলীয়া অসমীয়া বিদ্যালয়ত গুৰু-শিষ্যৰ মহামিলনৰ অনুষ্ঠান

## শিক্ষাগুৰুৰ পৰা চেকনিৰে শিক্ষা ল'লৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে

**অসম বাৰ্তা, জয়সাগৰ, ১৮ ছেপ্টেম্বৰ ঃ** সুদীৰ্ঘ দুটা দশকৰ পিছত এজাক প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত হল নিজে পঢ়ি অহা বিদ্যালয়ত। তেওঁলোকে এৰি অহা বিদ্যালয়খন কোনো প্ৰাথমিক বিদ্যালয় নহয়, তেওঁলোকে এৰি অহা বিদ্যালয়খন আছিল চৰকাৰী মজলীয়া অসমীয়া বিদ্যালয়। বিদ্যালয়খন অৱস্থিত শিৱসাগৰত। আজি বিদ্যালয়খনত উপস্থিত হলগৈ কুৰিজন প্ৰাক্তন শিক্ষাৰ্থী। চৌহদত প্ৰৱেশ কৰিয়েই আৱেগিক হৈ পৰিল ২০০৩- ২০০৫ বৰ্ষৰ শিক্ষাৰ্থীসকল। তেওঁলোকে আয়োজন কৰিলে এক অনুষ্ঠানৰ। উল্লেখৰ প্ৰয়োজন যে, গুৰু- শিষ্য সম্পৰ্ক হৈছে এক পবিত্ৰ সম্পৰ্ক। যি সম্পৰ্ক দ্বাৰাই মানৱ সম্পদ গঢ়াত শিক্ষা গুৰু সকলৰ থাকে অনেক অৱদান। এনে স্মৃতিক সোৱৰি প্ৰাক্তন শিক্ষাৰ্থীসকলে অলপতে শিৱসাগৰ চৰকাৰী মজলীয়া অসমীয়া বিদ্যালয়ত অনুষ্ঠিত কৰে "গুৰু শিষ্যৰ মহামিলন"ৰ অনুষ্ঠান। এই অনুষ্ঠানত শিক্ষাগুৰুক সন্মান জনায় 'শিক্ষাগুৰুলৈ শ্ৰদ্ধাৰে' নামৰ শীৰ্ষক এক অনুষ্ঠান আয়োজন কৰে। উক্ত অনুষ্ঠানত শিক্ষাগুৰুৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে অতীতত পাৰ হৈ অহা দিনবোৰক ৰোমন্থন কৰাৰ লগতে অতীত স্মৃতি সোঁৱৰি আৱেগিক হৈ পৰে। ২০০৩- ২০০৫ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলে অনুষ্ঠিত কৰা অনুষ্ঠানত সেইসময়ত শিক্ষাদান কৰা শিক্ষাগুৰু সকলক সম্বৰ্ধনা জনোৱা লগতে শিক্ষাগুৰু সকলৰ পৰা আৰ্শীবাদ গ্ৰহণ কৰে। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুনিত কুমাৰ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক অনুজ কুমাৰ গগৈ, যোগেন চন্দ্ৰ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰঞ্জিতা বৰুৱা, মুনু শৰ্মা পাঠক, সবিতা শইকীয়া, পুষ্প কলিতা, কৰ্মৰত প্ৰধান শিক্ষয়িত্ৰী ইলোৱা বৰুৱা, শিক্ষয়ত্ৰী অপৰাজিতা শইকীয়া, নীৰা চেতিয়া, শিক্ষক পংকজ গগৈ লগতে প্ৰাক্তন বিদ্যালয়ৰ সহকাৰী কৰ্মচাৰী ৰৌজ আলিক সম্বৰ্ধনা জনোৱা হয়। ইন্দুমণি চেতিয়াই আঁত ধৰা এই অনুষ্ঠানটিত শিক্ষক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে নিজৰ মনৰ অনুভৱ প্ৰকাশ কৰে। প্ৰাক্তন প্ৰধান শিক্ষক সুনিত কুমাৰ গগৈয়ে বক্তব্য প্ৰদান কৰি কয় শিক্ষকতা জীৱনত বহু শ্ৰদ্ধা, মৰম, সম্বৰ্ধনা পোৱা হয়। কিন্তু কিছুমান শ্ৰদ্ধা, মৰম সুকীয়া হয়। যিয়ে আমাক আজি ২০০৩-২০০৫ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে প্ৰদান কৰিছে। লগতে প্ৰধান শিক্ষকগৰাকীয়ে কয় যে, যেতিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন দেশ -বিদেশত বিভিন্ন স্থানত নিয়োজিত হৈ থাকে, যেতিয়া বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়ায় থাকে, যেতিয়া এজন ভাল প্ৰশাসনিক বিষয়া হয়, নিজকে সু- নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰে তেতিয়া আমি শিক্ষকতা কৰা সাৰ্থক হয় বুলি ব্যক্ত কৰে। আনহাতে এই অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে পুৰনি দিনক সোঁৱৰি শিক্ষাগুৰুৰ পৰা চেকনিৰে শিক্ষা লয়। 'চেকনিৰ আগত বিদ্যা' যে এই কথা সোঁৱৰে ছাত্ৰ ছাত্ৰী সকলে। প্ৰাক্তন ছাত্ৰ প্ৰশান্ত দাসে আঁত ধৰা অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে শিখামণি দিহিঙীয়া, ৰেখাৰাণী দাস, আছফিকুৰ ৰহমান, জেমিৰ হুছেইন, হাৰুন আলি, ৰাজু দাস, বিনোদ শৰ্মা, সঞ্জীৱ ভূঞা, ইমৰান বড়া, ৰাকিব হুছেইন, ধ্ৰুৱ চুতীয়া, যদুমণি ৰভী, সত্যজিত গগৈ, মিনহাজ আহমেদ, আব্বাছ আহমেদ, ছবিৰ আহমেদ, দীপক যাদৱ, দেৱজিৎ সিংহা, অজয় ৰজক উপস্থিত থাকে। অনুষ্ঠানৰ শেষত ২০০৩-২০০৫ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে বিদ্যালয়ৰ চৌহদত এটিকৈ গছপুলি ৰোপণ কৰে।

# লখিমপুৰ জিলা আন্তঃক্লাব মহিলা ফুটবল লীগৰ প্ৰথমখন ছেমি ফাইনেল

**অসম বাৰ্তা, বান্দৰদেৱা, ১৯ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰেইনব ক্ৰীড়া সন্থা আৰু এম ডী এফ চি, হাৰমতি ৰ সহযোগত হাৰমতি চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত হৈ থকা তৃতীয় বাৰ্ষিক লখিমপুৰ জিলা আন্তঃ ক্লাৱ মহিলা ফুটবল লীগৰ আজি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেল খেল নিৰ্ধাৰিত সময়ত গল শূন্য ভাৱে আমিমাংসিত হোৱাত পেনাল্টিৰ সহায়ত এম দি এফ চি (বি) দলে লক্ষ্মীমপুৰ বালিকা মহাবিদ্যালয় ফুটবল দলক ৩-১ গলত পৰাজিত চূড়ান্ত খেলত উপনীত হয়। অহা কালিলৈ দ্বিতীয়খন ছেমি ফাইনেলত অংশ লব এম দি এফ চি (এ) আৰু ৰামপুৰ বগীবিল ফুটবল ক্লাবে।

# কচুৱাত জৰাজীৰ্ণ বাঁহৰ দলঙৰে যাতায়ত

**অসম বাৰ্তা, কচুৱা, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত প্ৰমিলা গাঁও পঞ্চায়তৰ ২ নং চিতলমাৰী গাঁৱত এখন জৰাজীৰ্ণ বাঁহৰ দলঙৰে যাতায়ত কৰিব লগা হয় অঞ্চলবাসীয়ে। আজি প্ৰায় ২০ বছৰ ধৰি উক্ত দলঙৰে যাতায়ত কৰিব লগা হয় চিতলমাৰী, শিঙিমাৰী, পণ্ডিতঘাট, শিমলুগুৰি, জুকুটা, ৰজাগাওঁ আদি কৰি কেইবাখনো গাঁৱৰ ৰাইজে। আনকি কণ কণ ছাত্ৰ ছাত্ৰীয়ে বিপদ সংকুল বাবে জৰাজীৰ্ণ দলঙৰে বিদ্যালয়লৈ যাব লগা হয়। বছৰ বছৰ ধৰি ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি উক্ত ঠাইত বাঁহৰ দলঙ নিৰ্মাণ কৰে যদিও বানে সেই দলং উটুৱাই নিয়াত যাতায়ত ব্যৱস্থা ব্যাহত হৈ পৰে। ৰাইজে জনপ্ৰতিনিক বাৰংবাৰ আহ্বান জনোৱাৰ পিছত উক্ত ঠাইত তিনিখন পথ মেৰামতিৰ বাবে চাৰিখন কালভাৰ্ট দিয়ে যদিও আজিলৈকে পথটোত চলাচল কৰিব পৰা সু-ব্যৱস্থা কৰিব পৰা হোৱা নাই। যাৰ বাবে ৰাইজে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস আৰু পঞ্চায়ত জনপ্ৰতিনিক উক্ত দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰি দিবলৈ আহ্বান জনায়।

# গৰৈমাৰী গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, গৰৈমাৰী, ১৯ ছেপ্টেম্বৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ ২০২৪-২৫ বৰ্ষৰ বছৰেকীয়া সাধাৰণ সভাখন আজি সমিতিৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। সমবায় সমিতিৰ সভাপতি ছহিদুল ইছলামৰ সঞ্চলনাত অনুষ্ঠিত সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মুশ্বাৰফ আলী আহমেদে। সভাত বিগত দিনত অঞ্চলটোৰ পৰা ইহসংসাৰ ত্যাগ কৰা ব্যক্তিসকলৰ আত্মাৰ সদগতিৰ বাবে এক মিনিট মৌনতা অৱলম্বন কৰাৰ পিছত যোৱা সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ ও দৃঢ়িকৰণ, সম্পাদকীয় পাঠ ও গ্ৰহণ কৰা হয়। সভাত ২০২৪-২৫ বৰ্ষৰ চৰকাৰী ও আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ হিচাপৰ প্ৰতিবেদন পাঠ, ২০২৫-২৬বৰ্ষৰ সম্ভাব্য বাজেট গ্ৰহণ, ২০২৫-২৬বৰ্ষৰ সৰ্বোচ্চ ও সৰ্ব্বো নিম্ন ঋণৰ সীমা নিৰ্ধাৰণ কৰা হয়। ২০২৫-২৬ বৰ্ষৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ আৰু পৰিতোষিক নিৰ্ধাৰণ কাৰ্যসূচী সূমহৰ ওপৰত আলোচনা কৰা হয়। সভাত সভাৰ পৰ্যবেক্ষক নেকিব আলী, অৱসৰী শিক্ষক ভাষাণ আলী আহমেদ, মণিৰ উদ্দিন আহমেদ, সমবায় সমিতিৰ প্ৰাক্তন সভাপতি স্বাহাব উদ্দিন চৌধুৰী, সমাজকৰ্মী ছাবেল উদ্দিন আহমেদ, সমবায় সমিতিৰ সঞ্চালক মণ্ডলীকে প্ৰমুখ্য কৰি ভালেসংখ্যক অংশীদাৰ উপস্থিত থাকে।

# ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত 'বেম্ব এণ্ড ক্ৰাফট আৰু পৰিসংখ্যা' সম্পৰ্কীয় দুই পাঠ্যক্ৰমৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় শিক্ষানীতি - ২০২০ৰ সৈতে ৰজিতা খুৱাই শিক্ষাক ব্যৱহাৰিক দিশত আগবঢ়াই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে নতুন শিক্ষা নীতিৰ জৰিয়তে পদক্ষেপ লৈ অহাৰ সমান্তৰালকৈ ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত বৃহত্তৰ ডুমডুমা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দিশত সংস্থাপন প্ৰতি লক্ষ্য ৰাখি 'বেম্ব এণ্ড ক্ৰাফট'ৰ এবছৰীয়া ডিপ্লমা পাঠ্যক্ৰম আৰু পৰিসংখ্যাৰ ব্যৱহাৰিক দিশক সামৰি ছমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰমৰ আজি মহাবিদ্যালয়ৰ আলোচনা কক্ষত আনুষ্ঠানিক ভাবে মুকলি কৰা হয়। মহাবিদ্যালয়ৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ বিভাগীয় প্ৰধান, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, উপাধ্যক্ষ ড° দীপক কুমাৰ মহন্ত আৰু আভ্যন্তৰীন মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক দীপক ৰঞ্জন বৰুৱাৰ উপস্থিতিত অৰ্থনীতি বিভাগৰ মুৰব্বী অঞ্জু কোঁৱৰে সমগ্ৰ বিষয়ৰ ওপৰত আলোকপাত কৰে। দুয়োটা পাঠ্যক্ৰমৰ যোগেদি বিভিন্ন ছাত্ৰ - ছাত্ৰীয়ে এই সুবিধা লৈ অধ্যয়নৰ যোগেদি সংস্থাপনৰ বাট মুকলি হোৱাৰো প্ৰসংগ উপস্থাপন কৰে। PM-USHAৰ অধীনত আনুষ্ঠানিকভাবে চলিব লগীয়া এই পাঠ্যক্ৰমৰ বাবে ইতিমধ্যে বহু ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে যদিও দুয়োটা পাঠ্যক্ৰমৰ বাবে আসনৰ সংখ্যা ৩০ৰ ভিতৰত সীমিত কৰা হৈছে। আজিৰ পাঠ্যক্ৰমৰ শুভাৰম্ভৰ অনুষ্ঠানত অংশ লৈ মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে বৰ্তমান সময়োপযোগী বাঁহৰ সৈতে সম্পৰ্ক ৰাখি এই পাঠ্যক্ৰম খোলাৰ ক্ষেত্ৰত বিভাগে লোৱা পদক্ষেপৰ শলাগ লয়। আমাৰ জীৱন-জীৱিকাত বাঁহৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰসংগ দোহাৰি তেখেতে ইয়াৰ অধীনত শিক্ষা ল'ব বিচৰা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সংস্থাপনৰ পথ মুকলি কৰাৰো পূৰ্ণ সম্ভাৱনীয়তা থকাৰ কথা উল্লেখ কৰে। পৰিসংখ্যাৰ পৰিসৰ, আৰু ইয়াৰ ব্যৱহাৰিক দিশক সামৰি প্ৰস্তুত কৰা ছমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰমৰ সবিশেষ দাঙি ধৰে অৰ্থনীতি বিভাগৰ অধ্যাপক মিণ্টু উপাধ্যায়ে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।

# শিৱসাগৰ জিলা কবি সন্মিলনৰ পূৰ্বৰ সমিতি ভংগ, নতুন সমিতি গঠন

**অসম বাৰ্তা, জাঁজী, ১৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত শিৱসাগৰ জিলা সমিতিখনে বিগত কিছুমাহ ধৰি সংবিধান অৱমাননা কৰি অহা হেতু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি পূৰ্বৰ সমিতিখন ভংগ ঘোষণা কৰা হয়। আনহাতে যোৱা ১৭ ছেপ্টেম্বৰ, তাৰিখে বিয়লি ৪ বজাত শিৱসাগৰ জিলাৰ ডিমৌ শাখা কবি সন্মিলনৰ আতিথ্যত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ত্ৰিদিপ বৰগোহাঞিয়ে সভাপতিত্ব কৰা উক্ত সভাত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা বৰ্তমানৰ উপদেষ্টা গংগামোহন মিলি, কেন্দ্ৰীয় উপদেষ্টা বিজয় কুমাৰ স্বৰ্ণকাৰ, কাব্যনন্দিনী উপ-সমিতিৰ সভাপতি ৰেণুমালা চাংমাই, কাব্যনন্দিনী উপ-সমিতিৰ সম্পাদক কুন্তলা কল্যাণী সন্দিকৈ, যোৰহাট জিলা কবি সন্মিলনৰ সম্পাদক দেৱজিৎ গোস্বামী, সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুচেইন, মাধৱজ্যোতি দেউৰী, জিতেন নাথ, মৃণাল ৰঞ্জন গগৈ, অঞ্জনা উজীৰ শ্বাহা, কৃষ্ণা বৰা, বিভাৰাণী শেনচোৱা আদিৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত সভাৰ সিদ্ধান্ত অনুসৰি সৰ্বসন্মতিক্ৰমে শিৱসাগৰ জিলা কবি সন্মিলনৰ নতুন সমিতিখন গঠন কৰা হয়। সমিতিখন ক্ৰমে সভাপতি ড° দিগন্ত গগৈ, উপ-সভাপতি হামিদা বেগম, সম্পাদক গীতৰাজ, সহকাৰী সম্পাদক দিতিমণি দত্ত, পত্ৰিকা তথা মুখপত্ৰ সম্পাদক অবিনাশ বাস্তৱ, সাংগঠনিক সম্পাদক প্ৰণৱজ্যোতি গগৈ, কোষাধ্যক্ষ নিৰু চেতিয়া হাজৰিকা আদিক দায়িত্ব অৰ্পণ কৰা হয়। সভাৰ সিদ্ধান্ত অনুসৰি বিগত দিনসমূহত বেমেজালিৰ সৃষ্টি কৰি অহা শিৱসাগৰ জিলাৰ পূৰ্বৰ সমিতিখনে কোনো ক্ষেত্ৰতে সদৌ অসম কবি সন্মিলনৰ নাম, লগ' আৰু পতাকা ব্যৱহাৰ কৰিব নোৱাৰিব। উল্লেখ্য যে, কেইগৰাকীমান ব্যক্তিৰ আঁকোৰ-গোঁজ স্থিতিৰ পৰিপ্ৰেক্ষিতত সদৌ অসম কবি সন্মিলনৰ প্ৰতি আস্থাশীল শিৱসাগৰীয়া কবি সমাজে সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰিব পৰা নাছিল। শিৱসাগৰীয়া সদৌ অসম কবি সন্মিলনৰ সকলো সদস্যই শিৱসাগৰ জিলা কবি সন্মিলনৰ নতুন সমিতিখনক সহযোগিতা আগবঢ়াই সন্মিলনখনক গতিশীলতা প্ৰদান কৰিব বুলি সভাই আশা ৰাখে।

### গ্ৰন্থত এটা জাতি, এখন সমাজ আৰু জ্ঞানৰ প্ৰতিফলন থাকে - ড° গোপেশ কুমাৰ

# চেঙাৰ মধ্য কামৰূপ মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা চেঙা, ১৯ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ত আজি এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকদ্বয় ক্ৰমে দ্বীপজ্যোতি দাস আৰু অৰ্পিতা সিংহই সম্পাদনা কৰা "ইথনিচিটি, আইডেনটিটি এণ্ড ট্ৰেডিচন" শীৰ্ষক গৱেষণামূলক প্ৰবন্ধ সংকলনখন আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে বৰপেটা জিলাৰ নগাঁওস্থিত বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড প্ৰদীপ দাস আৰু চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড গোপেশ কুমাৰ শৰ্মাই। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° মৃদুস্মিতা গোস্বামীয়ে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনৰ আৰম্ভণিতে মংগলচৰণ পাঠ কৰে মহাবিদ্যালয়খনৰ ছাত্ৰী প্ৰিয়দৰ্শনা দাসে। আদৰণি ভাষণ প্ৰদান কৰে উন্মোচন হোৱা গ্ৰন্থখনৰ সম্পাদিকা অৰ্পিতা সিংহই। অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই। গৱেষণামূলক প্ৰবন্ধ সংকলনখন উন্মোচন কৰি বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ দাসে দ্বীপজ্যোতি দাস আৰু অৰ্পিতা সিংহৰ শলাগ লোৱাৰ লগতে কৃতজ্ঞতা প্ৰকাশ কৰে। ড° প্ৰদীপ দাসে ভাষণ প্ৰসংগত কয় যে- "দ্বীপজ্যোতি দাস আৰু অৰ্পিতা সিংহই এইখন গ্ৰন্থ সম্পাদনা কৰি সঁচাই এটা ডাঙৰ কাম কৰিছে। মহাবিদ্যালয়ৰ ব্যস্ততাৰ মাজতো সম্পাদনা কৰি উলিওৱা এই গ্ৰন্থখনে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধন কৰিব। আমাৰ পৰম্পৰাবোৰ আমি ধৰি ৰাখিব লাগিব। আজি উন্মোচন হোৱা গ্ৰন্থখন এখন উন্নতমানৰ গ্ৰন্থ হ'ব বুলি মই ভাবিছোঁ। দ্বীপজ্যোতি দাস আৰু অৰ্পিতা সিংহই পুনৰ এনেকুৱা কাম কৰক তেওঁলোকলৈ মোৰ শুভেচ্ছা থাকিব।" আন এগৰাকী উন্মোচক তথা মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড গোপেশ কুমাৰ শৰ্মাই তেখেতেৰ উন্মোচনী ভাষণত কয় যে- আমি কোন প্ৰজাতিৰ পৰা আহিছোঁ? মই ব্ৰাহ্মণ, মই কলিতা, মই ক্ষত্ৰিয় নে কি? আমি মানৱৰ পৰা আহিছোঁ। আমাৰ চিনাকি হ'ল আমি মানৱ প্ৰজাতি। গ্ৰন্থখনত পৰিচয়ৰ কথা কোৱা হৈছে। পৰিচয় সম্পৰ্কত মোৰ নিজস্ব ধাৰণা হৈছে - আমাৰ প্ৰত্যেকৰে পৰিচয় দুটা। এটা হ'ল আত্ম পৰিচয় আৰু আনটো হ'ল সমাজে দিয়া পৰিচয়। ইথনিচিটি আৰু আইডেনটিটিৰ ওপৰত লিখা এইখন এখন "মাইলষ্টন" হ'ব বুলি মই ভাবোঁ। ইয়াৰ জৰিয়তে ভবিষ্যত গৱেষকসকলে বিভিন্ন ধৰণৰ সমল পাব। এনেধৰণৰ প্ৰচেষ্টা মহাবিদ্যালয়ৰ প্ৰত্যেকজন অধ্যাপক, অধ্যাপিকাই লোৱা উচিত। কিয়নো দৈনন্দিন পাঠদানৰ উপৰিও সমাজখনক যদি স্থায়ী ৰূপত কিবা দিব লাগে তেতিয়াহ'লে আমি এনেকুৱা ধৰণৰ বস্তুই দিব লাগিব, গ্ৰন্থ উপহাৰ দিব লাগিব। কাৰণ গ্ৰন্থত এটা জাতিৰ, এখন সমাজৰ গোটেইখিনি প্ৰতিফলন থাকে, জ্ঞানৰ প্ৰতিফলন থাকে।" গ্ৰন্থ উন্মোচনী সভাখনত গ্ৰন্থখনৰ সম্পাদিকা অৰ্পিতা সিংহৰ পিতৃ তথা ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° ৰঞ্জিত সিংহই উপস্থিত থাকি নিজ কন্যাৰ এই পদক্ষেপত গৌৰৱ অনুভৱ কৰা বুলি মন্তব্য প্ৰকাশ কৰে। লগতে উন্মোচন হোৱা গ্ৰন্থখন এখন সুন্দৰ গ্ৰন্থ হ'ব বুলিও উল্লেখ কৰে আৰু অসমৰ জাতীয় জীৱনৰ আৰু উত্তৰ পূৰ্বাঞ্চলৰ বাবে এইখন এখন কামত লগা গ্ৰন্থ হ'ব বুলিও মন্তব্য কৰে ড° ৰঞ্জিত সিংহই। সভাখনত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ বানেশ্বৰ বেজবৰুৱা, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ৰিপুঞ্জয় ডেকা, অধ্যাপিকা চাজিদা খাতুনেও শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সভাখনত ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে মহাবিদ্যালয়খনৰ ছাত্ৰ ৰাজীৱ আলীয়ে। অনুষ্ঠানটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায় গ্ৰন্থখনৰ আন এজন সম্পাদক দ্বীপজ্যোতি দাসে। অসম সংগীতেৰে আৰম্ভ হোৱা সভাখন ৰাষ্ট্ৰীয় সংগীত পৰিবেশনেৰে সমাপ্ত কৰা হয়।

# উত্তৰ শালমাৰাত মন্ত্ৰী যোগেন মোহন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ উদ্বোধন

**অসম বাৰ্তা, লেংটিছিঙা, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত আজি অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰী যোগেন মোহনে অসমৰ তৃতীয়টো স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষন কেন্দ্ৰ এটা উদ্বোধন কৰে। উদ্বোধন কৰাৰ পাছত মন্ত্ৰী যোগেন মোহনে জানিবলৈ দিয়া মতে ৰাজ্যৰ পৰিবহণ বিভাগে অসম চৰকাৰৰ অনুমোদন ক্ৰমে নিৰ্মাণ কৰা উক্ত কেন্দ্ৰটো পৰিচালনা কৰিব এপলাচে। মন্ত্ৰীগৰাকীয়ে আকৌ জানিবলৈ দিয়া মতে প্ৰথমে বিশ্বনাথত তাৰ পিছত যোৰহাটত আৰু আজি উত্তৰ শালমাৰাত কেন্দ্ৰটো উদ্বোধন কৰা বুলি মন্তব্য কৰাৰ লগতে আধুনিক ভাৱে নিৰ্মাণ কৰা কেন্দ্ৰটোৰ জৰিয়তে অতি কম সময়ৰ ভিতৰতে শুদ্ধকৈ যান বাহন কাৰ্যক্ষমতা পৰীক্ষণ কৰিব পাৰিব। ইয়াৰ দ্বাৰা পৰিবহণ বিভাগৰ পৰা হাৰাশাস্তিৰ হাত সৰাৰ লগতে দুৰ্ঘটনাও ৰোধ কৰিব পৰা যাব বুলিও কয় মন্ত্ৰীগৰাকীয়ে।

# ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৫ উপলক্ষে দৰঙত জিলা পৰ্যায়ৰ অভিসৰণ সভা




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ ছেপ্টেম্বৰ ঃ** দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৫ উপলক্ষে আজি জিলা পৰ্যায়ৰ অভিসৰণ সভা এখন অনুষ্ঠিত হয়। দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ), যুটীয়া স্বাস্থ্য সঞ্চালক, জিলা সমাজ কল্যাণ বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, কাৰ্যবাহী অভিযন্তা, জনস্বাস্থ্য আৰু কাৰিকৰী, জিলা পোষণ সমন্বয়ক, ASRLM ৰ বিষয়া, ব্লক পোষণ সমন্বয়ক, জিলা ইউনিচেফৰ পৰামৰ্শদাতা, ITC-MSK ৰ বিষয়া, আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে। এই অনুষ্ঠানত পুষ্টি, সুস্থ জীৱনশৈলী, স্বাস্থ্য সজাগতাৰ প্ৰসাৰৰ বাবে এক মাহজোৱা পদক্ষেপৰ আৰম্ভণি কৰা হয়। অনুষ্ঠানত জিলা সমাজ কল্যাণ বিষয়া কোযেশ্বৰ বৰাই অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত কৰে। জিলা পোষণ সমন্বয়ক পাৰভেজ মেহেদীয়ে পোষণ মাহৰ কাৰ্যকলাপৰ ওপৰত প্ৰেজেণ্টেশ্বনৰ জৰিয়তে বিশদভাৱে উপস্থাপন কৰে। এই বাৰ পোষণ মাহৰ কাৰ্যসূচীত দৰং জিলাই অতিৰিক্তভাৱে তিনিটা বিষয় বস্তুৰ ওপৰত উদ্ভাৱনীমূলক কাৰ্যসূচী হাতত লৈছে। বিষয়কেইটা হৈছে - সুস্থ নাৰী, মিছন ১৬৪৩ আৰু ফিটনেছ কাপ। সভাৰ অন্তত জিলা আয়ুক্তই সকলো শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্যসেৱিকাসকল, আৰু খণ্ড সমন্বয়কসকলক উন্নত ফলাফল নিশ্চিত কৰিবলৈ একাগ্ৰতাৰে কাম কৰিবলৈ নিৰ্দেশ দিয়ে।

# নামনি মাজুলীৰ ২ নং বৰগঞা নামঘৰত 'ৰাম পৰাজয়-সীতাৰ পাতাল গমন' ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ ছেপ্টেম্বৰ ঃ** বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজা উপলক্ষে নামনি মাজুলীৰ মিচিং জনগোষ্ঠীৰ বসতিস্থল ২ নং বৰগঞাত ১৭ ছেপ্টেম্বৰত 'ৰাম পৰাজয়, সীতাৰ পাতাল গমন' ভাওনা প্ৰদৰ্শন কৰা হয়। বিশ্বকৰ্মা পূজা উপলক্ষে সেইদিনা ২ নং বৰগঞাত গাঁৱৰ ৰাইজে পুৰা পৰিৱেশ নিকাকৰণ কৰে। তাৰপিছত নামঘৰত নাম-প্ৰসঙ্গ আৰু বৰদিহা পৰিৱেশন কৰা হয়। সন্ধিয়া আঠ বজাত আৰম্ভ হোৱা ভাওনাখন উদ্বোধন কৰে ৮২ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জ্ঞানদীপ নাথে। ২ নং বৰগঞাৰ উদীয়মান যুৱ সমাজকৰ্মী সত্যেন্দ্ৰনাথ পামেগাম আৰু সোণজ্যোতি পামেগামে আঁত ধৰা উক্ত উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে স্থানীয় নামঘৰীয়া তীৰ্থ নৰহ, স্থানীয় - দেওধাই - জয়মন নৰহ, বালি গাঁৱৰ নামঘৰীয়া - ৰামেশ্বৰ মিলি, পাঠক- ধনাই পামেগাম, চন্দেশ্বৰ নৰহ, লক্ষ্মীনাথ পায়েং, ৱাৰ্ড সদস্যা পিংকু টাকো, গায়ন-বায়নৰ প্ৰশিক্ষক প্ৰশান্ত পামেগাম, সাংবাদিক যদু কলিতা আদিয়ে অংশগ্ৰহণ কৰে। উক্ত, ভাওনাখনত দোহাৰ, সূত্ৰধাৰ আৰু সকলো ভাৱৰীয়াই অতি উন্নত মানদণ্ডৰে অভিনয় কৰে। "ৰাম পৰাজয়- সীতাৰ পাতাল গমন" ভাওনাখনত- দোহাৰত প্ৰশান্ত পামেগাম, বিকাশ চিৰাং, বিচিত্ৰ ৰেগন, গোপাল দাস, গণেশ পামেগাম, মনজ্যোতি মিলি, ৰাহুল পায়েং, দিব্যজ্যোতি বৰা, বিচিত্ৰ পায়েং, পিতাম্বৰ পায়েং, চিৰঞ্জিত পগাগে সুন্দৰ গীতবাদ্য পৰিৱেশন কৰে। উক্ত, ভাওনাখনত সূত্ৰধাৰঃ ঋষিৰাজ পামেগামৰ নৃত্য প্ৰদৰ্শনে সকলোকে মুগ্ধ কৰে। ভাওনাখনত শ্ৰীৰামৰ চৰিত্ৰত অভিনয় কৰা পোনাকণ পায়েং, সীতাঃ শ্ৰীমন্ত দাস, লৱঃ গীতাৰ্থ পামেগাম, কুশঃ কুন্দন পামেগাম, , লক্ষ্মণঃ নিৰণ পামেগাম, উৰ্মিলাঃ নয়ন মিলি, ভৰতঃ গুনেশ্বৰ পায়েং, শত্ৰুঘ্নঃ কুশল পায়েং, হনুমানঃ জগত পায়েং, বাল্মীকিঃ তীৰ্থনাথ পায়েং, বশিষ্ঠঃ অনিল পায়েং, বিশ্বামিত্ৰঃ বিপিন পামেগাম, লৱণঃ ধনীৰাম পায়েং, মহাকায়ঃ আকাশ পামেগাম, ৰজকঃ ৰোহিত চিৰাং, ৰজকিনীঃ কুমুদ পায়েং, অশ্ব ৰখীয়াঃ বিপিন পায়েঙৰ অভিনয় আছিল উতি উচ্চ পৰ্যায়ৰ। প্ৰায় চাৰি ঘণ্টা ধৰি অনুষ্ঠিত হোৱা উক্ত ভাওনাখনত শিল্পীসকলে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। বিশেষকৈ লৱ আৰু কুশৰ চৰিত্ৰত অভিনয় কৰা শিশু শিল্পীদুজনৰ অভিনয়ে দৰ্শকক আপ্লুত কৰে। ভাওনাখনৰ সফল পৰিসমাপ্তিত ২নং বৰগঞা ভাওনা সমাজৰ সভাপতি নাৰায়ণ পায়েং আৰু সম্পাদক জিতেন্দ্ৰনাথ পায়েঙে সকলো শিল্পী আৰু দৰ্শকক ধন্যবাদ জ্ঞাপন কৰিছে।

# মোৰাঝাৰৰ দুই কলেজীয়া ছাত্ৰীক অপহৰণৰ অভিযোগ

**অসম বাৰ্তা, মোৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** হোজাই জিলাত নাৰী সৰবৰাহকাৰী চক্ৰৰ কবলত মোৰাঝাৰৰ দুই কলেজীয়া ছাত্ৰী। হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত আমবাৰীৰ দুই ১৭ বছৰীয়া যমজ ভগ্নী তথা কলেজীয়া ছাত্ৰীৰ সৈতে ইষ্টাগ্ৰামত বন্ধুত্ব গঢ়ি তোলে কিন্নৰ ৰুকচানা বেগম খান ওৰফে ফাৰ্জিনাই। এগৰাকী ডবকাৰ হাজী আনফৰ কলেজৰ ছাত্ৰী আৰু আন গৰাকী আমবাৰী ৰাজীৱ গান্ধী একাডেমীৰ ছাত্ৰী। কিন্নৰ ফাৰ্জিনাই চতুৰালিৰে উক্ত পৰিয়ালবটোৰ লগত অতি ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলে। পৰৱৰ্তী সময়ত অতি কৌশলেৰে যমজ ভগ্নী হালক অপহৰণ কৰি ৰেলেৰে দিল্লীলৈ লৈ যোৱাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালে। জানিব পৰামতে ফাৰ্জিনাৰ ঘৰ হোজাই জিলাৰ যোগীজানত। কৰ্মসূত্ৰে ফাৰ্জিনা দিল্লী মুম্বাইত ঘূৰি ফুৰি থাকে ও ঘৰলৈ সঘনে অহা যোৱা কৰে। ঘটনাৰ তিনিমাহ পূৰ্বে ইষ্টাগ্ৰামত যমজ ভগ্নীৰ সৈতে বন্ধুত্ব আৰম্ভ হয় আৰু তাৰ পিছত নিয়মীয়া অহা-যোৱা চলি থাকে। দল-সংগঠনেও সন্দেহ প্ৰকাশ কৰিছে যে এই ঘটনাৰ পিছত বৃহৎ নাৰী সৰবৰাহ চক্ৰ জড়িত হৈ আছে। যোৱা দেওবাৰৰ পৰা দুয়ো ছাত্ৰী সন্ধানহীন হৈ থকাত পিতৃ-মাতৃ উপায়হীন হৈ হাহাকাৰ কৰি আছে। এফালে ভুক্তভোগী পৰিয়ালে ডবকা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

### সাংবাদিক সমাজৰ প্ৰশাসনক কঠোৰ পদক্ষেপ ল'বলৈ আহ্বান

# অভয়াপুৰীত সাংবাদিকক হত্যাৰ ভাবুকি, চাঞ্চল্য

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত সাংবাদিক সুৰক্ষাক লৈ চাঞ্চল্য সৃষ্টিৰ পৰা আৰম্ভ হৈছে। অঞ্চলটোৰ এগৰাকী ছেটেলাইট চেনেলৰ সাংবাদিক বিক্ৰম ৰঞ্জন ৰায়ক তেওঁৰ নিজ ঘৰৰ পৰিয়ালৰ সন্মুখতে হত্যাৰ ভাবুকি প্ৰদান কৰা হয়। অভিযোগ অনুসৰি, লাচিত সেনা নামৰ এক সংগঠনৰ ছদ্মবেশত প্ৰায় ১৫ জনীয়া এক গুণ্ডাবাহিনী সাংবাদিকজনৰ ঘৰত উপস্থিত হৈ ভয়ংকৰ ভাবুকি দিয়ে। দলটোৰ নেতৃত্বত আছিল প্ৰাণজিৎ দাস, ৰূপম কলিতা আৰু জিতু নামৰ এজন ব্যক্তি। ঘৰৰ পৰিয়ালৰ সন্মুখতে হোৱা এই ঘটনাই সাংবাদিকজনক গুৰুতৰ নিৰাপত্তাহীনতাৰ সন্মুখীন কৰি তুলিছে। ঘটনাটোৰ পিছত সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়ে অভয়াপুৰী থানাত লিখিত এজাহাৰ দাখিল কৰিছে। এই ঘটনা প্ৰকাশ পোৱাৰ লগে লগেই সংবাদ মাধ্যমৰ বৃত্তত চাঞ্চল্য সৃষ্টি হয়। সংবাদকৰ্মীসকলৰ ওপৰত একেবাহি হুমকি আৰু আক্ৰমণৰ ঘটনা বৃদ্ধি পাব লাগিলে সাংবাদিক সমাজৰ প্ৰশাসনক কঠোৰ পদক্ষেপ ল'বলৈ আহ্বান জনাইছে।

# ৩৮ বছৰ ধৰি আধাৰশিলাতে থমকি ৰ'ল প্ৰস্তাৱিত 'নমাটি মিনি ষ্টেডিয়াম'

**অসম বাৰ্তা, নমাটি, ১৯ ছেপ্টেম্বৰ** ঃ ১৯৮৫ চনত অসম গণ পৰিষদ চৰকাৰে ৰাজ্যত শাসনভাৰ লোৱাৰ সময়তেই নমাটিৰ মাজেৰে যোৱা ২৭ নং(পূৰ্বৰ ৩১ নং) ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত থকা কদমতল চ'কৰ দক্ষিণ ফালে স্থানীয় নমাটি মৌজা হাইস্কুলৰ কাষত এখন মিনি ষ্টেডিয়াম স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰে চৰকাৰী ভূমিৰ ৪৫৪ নং দাগৰ 'খ' অংশত ১৫ বিঘা আৰু ২০৭ নং দাগৰ 'ঙ' অংশত ১০ বিঘা, মুঠ ২৫ বিঘা ভূমি আবণ্টন দি এই সম্পৰ্কে ১৯৮৭ চনৰ ২৯ জানুৱাৰীত এখন অধিসূচনাও জাৰি কৰিছিল। সুদীৰ্ঘ দিন ধৰি বৃহত্তৰ নমাটি, টিহু আদি অঞ্চলৰ খেলুৱৈসকলৰ বাবে অতীব প্ৰয়োজনীয় উন্নত মানৰ খেলপথাৰ নথকাৰ বাবে ভালেমান দিন ধৰি দাবী উত্থাপিত হোৱাৰ পিছত বিষয়টোৰ প্ৰতি চৰকাৰে গুৰুত্ব প্ৰদান কৰি মিনি ষ্টেডিয়ামৰ বাবে ভূমি অধিগ্ৰহণ কৰাত স্বাভাৱিকতে উল্লিখিত অঞ্চলসমূহৰ খেলুৱৈৰ লগতে ক্ৰীড়ানুৰাগীসকল উৎফুল্ল হৈ উঠিছিল। ইফালে ১৯৮৭ চনত ৬২নং বৰমা সমষ্টিৰ বিধায়িকা তথা তদানীন্তন সমাজ কল্যাণ দপ্তৰৰ মন্ত্ৰী ৰেখাৰাণী দাস বড়োৱে চৰকাৰৰ দ্বাৰা আবণ্টন দিয়া ভূমিত প্ৰস্তাবিত 'নমাটি মিনি ষ্টেডিয়াম'খনৰ আধাৰশিলাও স্থাপন কৰিছিল। আধাৰশিলা স্থাপনৰ পিছতে খেলুৱৈ তথা অঞ্চলটোৰ ক্ৰীড়ামোদী ৰাইজে ষ্টেডিয়ামখন স্থাপন হোৱাটো নিশ্চিত বুলি ভাবিছিল। কিন্তু আধাৰশিলাতে থমকি ৰ'ল প্ৰস্তাবিত 'নমাটি মিনি ষ্টেডিয়াম'। আধাৰশিলা স্থাপনৰ কিছুদিন পিছত প্ৰস্তাৱিত স্থানত প্ৰায় তিনি/চাৰি ফুট ওখকৈ মাটি পেলোৱা (Earth-filling) হৈছিল যদিও ষ্টেডিয়াম নিৰ্মাণৰ কোনো কামেই আগ নাবাঢ়িল। পূৰ্বৰ দৰেই আজি পৰ্যন্ত ঠাই ডোখৰ গো-চৰণীয়া পথাৰ হৈয়েই থাকিল। সুদীৰ্ঘ ৩৮ বছৰ অতিক্ৰমি গ'ল; কিন্তু স্থাপন কৰা নহ'ল প্ৰস্তাৱিত মিনি ষ্টেডিয়ামখন। কোনো এজন স্থানীয় বিধায়কে এই বিষয়টোত গুৰুত্ব প্ৰদান নকৰাটো অতি পৰিতাপৰ কথা। তথাপিও ৰাইজ কিন্তু আজিও আশাবাদী। সেয়ে প্ৰচুৰ সম্ভাৱনাময় নতুন চামৰ বাবে ক্ৰীড়াৰ এক পৰিৱেশ গঢ়াৰ লক্ষ্যৰে নমাটি কদমতল চ'কৰ প্ৰস্তাৱিত 'নমাটি মিনি ষ্টেডিয়াম'খন নিৰ্মাণ কৰিবলৈ ৰাইজ, খেলুকৈ তথা ক্ৰীড়ানুৰাগী সকলে চৰকাৰক টানি অনুৰোধ জনাইছে।

## শিশু, কিশোৰ কিশোৰী নিৰোগী হ'লেহে এখন সুস্থ সমাজ গঢ় লৈ উঠিব ঃ টংকেশ্বৰ ৰাভা

# অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত দুধনৈত বৃহৎ স্বাস্থ্য শিবিৰ 'শুশ্ৰুষা সেতু'

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৯ ছেপ্টেম্বৰ** ঃ অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত আৰু গোৱালপাৰা জিলা স্বাস্থ্য সমিতিৰ সহযোগত আজি দুধনৈ মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈছে বৃহৎ স্বাস্থ্য পৰীক্ষা শিবিৰ "শুশ্ৰুষা সেতু"। এই স্বাস্থ্য শিবিৰৰ শুভাৰম্ভ কৰে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। তেওঁক সহযোগ কৰে স্থানীয় বিধায়ক যাদব স্বৰ্গীয়াৰী আৰু গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুংএ। এই স্বাস্থ্য শিবিৰত ১৮ বছৰ তলৰ শিশু তথা কিশোৰ কিশোৰীৰ যিসকলে বিভিন্ন ৰোগত আক্ৰান্ত হৈছে তেনে শিশু সকলক এই শিবিৰত চিকিৎসা প্ৰদান কৰা হৈছে শিশু সকলক সুস্বাস্থ্যবান কৰি সমাজখনক নিৰোগী কৰি তোলাৰ লগতে ৰোগৰ পৰীক্ষা, ৰোগনিৰ্ণয় আৰু চিকিৎসাই হৈছে এইশিবিৰৰ মুল লক্ষ্য। এই শিবিৰত হৃদযন্ত্ৰ, বংশানুক্ৰমিক ৰোগ, যকৃত ৰোগ, বৃক্ক ৰোগ, চকু-কাণ-নাক ৰোগকে ধৰি ৫০বিধতকৈ অধিক ৰোগৰ বিনামুলীয়াকৈ নিৰ্ণায়ক পৰীক্ষা কৰা হয়। পৰৱৰ্তী পৰ্যায়ত এই ৰোগী সকলৰ জটিল অৱস্থাত থকা ৰোগী সকলক উন্নত চিকিৎসা প্ৰদান কৰাৰ সকলো সা সুবিধা অসম চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰদান কৰিব। আনহাতে ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থাও এই স্বাস্থ্য শিবিৰত আছে। আজিৰ শিশু, কিশোৰ-কিশোৰী সকলক নিৰোগী তথা সু-স্বাস্থ্যবান কৰি তোলাৰ লক্ষ্যৰে স্বাস্থ্য বিভাগে এই কাৰ্যসূচী সমগ্ৰ অসমতে আয়োজন কৰিছে। ইফালে এই স্বাস্থ্য শিবিৰত মুখ্য অতিথি হিচাবে ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উপস্থিত থাকি কয় যে, এয়া অসম চৰকাৰৰ সুন্দৰ পদক্ষেপ। এই শিবিৰৰ জৰিয়তে দৰিদ্ৰ লোকসকল অধিক উপকৃত হ'ব লগতে আজিৰ শিশু, কিশোৰ-কিশোৰী নিৰোগী হ'লেহে এখন সুস্বাস্থ্যবান সমাজৰ লগতে গোৱালপাৰা তথা ৰাভা হাছং গঢ় লৈ উঠিব। আজিৰ শিবিৰত দুধনৈ সমষ্টিৰ ভিন্ন ৰোগৰ ৰোগীৰ আগমনে দুটাই কথা প্ৰমাণ কৰে যে, স্বাস্থ্যৰ প্ৰতি সকলো শ্ৰেণীৰ ৰাইজ সজাগ হৈছে আৰু চিকিৎসক অবিহনে যে ৰোগ নিৰ্মুল নহয় সেই কথা বুজি পাইছে। উল্লেখ্য যে, প্ৰতিকুল বতৰৰ মাজতে এই স্বাস্থ্য শিবিৰত সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰাৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৯ গৰাকী অধ্যাপক, চিকিৎসকৰ লগতে মুঠ ৪০ ৰো অধিক চিকিৎসকে চিকিৎসা সেৱা আগবঢ়াইছে। শিবিৰত যঠেষ্ঠ সংখ্যক যথেষ্ট সংখ্যক শিশু ৰোগী অহা পৰিলক্ষিত হয়। আজি বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা প্ৰায় দুহেজাৰ ৰোগীক পৰীক্ষা কৰাৰ লক্ষ্য বান্ধি লৈছে স্বাস্থ্য বিভাগে। আজিৰ স্বাস্থ্য শিবিৰত দুধনৈ সম-জিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ললিত চন্দ্ৰ ৰাভা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ প্ৰশান্ত বৰা, গোৱালপাৰা জিলা মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ জোনবীৰ দাস উপস্থিত থাকে।

## জীৱ-জন্তু-মানুহৰ সংঘাতৰ পৰিত্ৰাণৰ বাবে সেৱা পৰ্ব আঁচনিৰ অধীনত সোণাখুলি পাহাৰত ফল-মূলৰ গছপুলি ৰোপণ

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ ছেপ্টেম্বৰ** ঃ বঙাইগাঁও জিলাৰ সোণাখুলি পাহাৰত জীৱজন্তুৰ বাবে পৰ্যাপ্ত পৰিমাণৰ গছ নথকাৰ ফলত পাহাৰখনত থকা জীৱ-জন্তু সমূহ পাহাৰখনৰ পাদদেশৰ জনাঞ্চললৈ বা ভৈয়ামলৈ নামিছে। ফলশ্ৰুতিত আৰম্ভ হৈছে জীৱজন্তু আৰু মানুহৰ মাজত সংঘাত। সেই সংঘাতৰ ফলত বহু জীৱ-জন্তু মৃত্যুমুখত পৰাৰ বিপৰীতে বহু ৰাইজৰ শস্য, ৰবিশস্যৰ বাগান, ঘৰৰ বয়বস্তুৰ বিস্তৰ ক্ষতি হৈ আছে। সেই সংঘাত দূৰ কৰাৰ কাৰণেই কালি বঙাইগাঁও জিলা বন বিভাগৰ উদ্যোগত আৰু সোণাখুলি যৌথ বন পৰিচালনা সমিতিৰ সহযোগত কালি সোণাখুলি পাহাৰ আৰু ইয়াৰ পাদদেশত শতাধিক ফলমূলৰ গছপুলিৰোপণ কৰে। চৰকাৰৰ সেৱা পৰ্ব আঁচনিৰ মাধ্যমত কালি গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আই ভেলী উপত্যকাৰ ডিএফও খনীন্দ্ৰ কলিতাই। গছপুলিৰোপণ কাৰ্যৰ শুভাৰম্ভ কৰি বন বিষয়া গৰাকীয়ে কয় যে চৰকাৰে সেৱা পৰ্ব নামৰ যি আঁচনি শুভাৰম্ভ কৰিছে। সেই আচঁনিৰ মাধ্যমৰে বিভিন্ন লোক, সংস্থাক, সংঘৰ মাজত ৩০ লাখ গছপুলি বিতৰণ, গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ বিভিন্ন ঠাইত গছপুলি ৰোপণ, ২০ হাজাৰ শিক্ষানুষ্ঠানত গছপুলি ৰোপণৰ পৰিকল্পনা যুগুত কৰিছে। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা এই সেৱা পৰ্ব ২ অক্টোবৰলৈকে চলিব। তাৰেই অংশ হিচাপে আজি সোণাখুলি পাহাৰত শতাধিক ফল-মূলৰ গছপুলিৰোপণ কৰা হয় বুলি তেওঁৰ উল্লেখ কৰে। তেঁৰৰ সতে অভয়াপুৰী আঞ্চলিক বন বিষয়া ছালাম সৰকাৰেও গছপুলিৰোপণ কৰাৰ উদেশ্য আৰু ইয়াৰ প্ৰাসংগিকতাৰ বিষয়ে ব্যাখা কৰে। স্মৰ্তব্য যে কালি সোণাখুলি যৌথ বন পৰিচালনা সমিতি আৰু বঙাইগাঁও বন বিভাগে আম, কঠাল, জাম, লেতেকু, পনিয়ল, মধুৰীআম, শিলিখা, জলফাই, ডিঙডিঙা আদিকে ধৰি নানান ফলমূলৰ গছপুলিৰোপণ কৰে। ৰোপণ কৰা গছপুলি সমূহক প্ৰতিপালনৰ প্ৰথম পদক্ষেপ হিচাপে ৰোপিত গছপুলি সমূহৰ চাৰিওফালে জেওৰা দিয়ে।

## ডবকাৰ ১৭ বছৰীয়া দুই কলেজীয়া ছাত্ৰীক অপহৰণ

**অসম বাৰ্তা, ডবকা, ১৯ ছেপ্টেম্বৰ** ঃ হোজাই জিলাত নাৰী সৰবৰাহকাৰী চক্ৰৰ কবলত ডবকাৰ দুই কলেজীয়া ছাত্ৰী। ডবকাৰ ১৭ বছৰীয়া যমজ ভগ্নী তথা কলেজীয়া ছাত্ৰীৰ সৈতে ইষ্টাগ্ৰামত বন্ধুত্ব গঢ়ি তোলে কিন্নৰ ৰুকচানা বেগম খান ওৰফে ফাৰ্জিনাই। এগৰাকী ডবকাৰ হাজী আনফৰ কলেজৰ ছাত্ৰী আৰু আন গৰাকী আমবাৰী ৰাজীৱ গান্ধী একাডেমীৰ ছাত্ৰী। কিন্নৰ ফাৰ্জিনাই চতুৰালিৰে উক্ত পৰিয়ালৰটোৰ লগত অতি ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলে। পৰৱৰ্তী সময়ত অতি কৌশলেৰে যমজ ভগ্নী হালক অপহৰণ কৰি ৰেলেৰে দিল্লীলৈ লৈ যোৱাৰ অভিযোগ উঠাইছে পৰিয়ালে। জানিব পৰামতে ফাৰ্জিনাৰ ঘৰ হোজাই জিলাৰ যোগীজান কৰ্মসূত্ৰে ফাৰ্জিনা দিল্লী মোম্বাইত ঘূৰি ফুৰি থাকে ও ঘৰলৈ সঘনে অহা যোৱা কৰে। ঘটনাৰ তিনিমাহ পূৰ্বে ইষ্টাগ্ৰামত যমজ ভগ্নীৰ সৈতে বন্ধুত্ব আৰম্ভ হয় আৰু তাৰ পিছত নিয়মীয়া আহা-যোৱা চলি থাকে। দল-সংগঠনেও সন্দেহ প্ৰকাশ কৰিছে যে এই ঘটনাৰ পিছত বৃহৎ নাৰী সৰবৰাহ চক্ৰ জড়িত হৈ আছে। যোৱা দেওবাৰৰ পৰা দুয়ো ছাত্ৰী সন্ধানহীন হৈ থকাত পিতৃ-মাতৃ উপায় হীন হৈ হাহাকাৰ কৰি আছে। এই ফালে ভুক্তভোগী পৰিয়ালে ডবকা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীৰ তদন্তৰ অন্তত ছাত্ৰী দুয়ো গৰাকীৰ সন্ধান পোৱা যায় নে নাযায় সেয়া সময়ত লক্ষণীয় হ'ব।

# 'ভিক্সিত ভাৰত ইয়ং লীডাৰ ডাইলগ'ত যুৱক-যুৱতীক নাম অন্তৰ্ভুক্তিৰ বাবে আহ্বান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৯ ছেপ্টেম্বৰ** ঃ ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ মাই ভাৰতৰ উদ্যোগত ভিতি ভাৰত ইয়ং লীডাৰ ডাইলগ-২০২৬ত দেশৰ যুৱক-যুৱতীসকলক অন্তৰ্ভুক্ত কৰিছে। তেওঁলোকৰ ধাৰণা, আকাংক্ষা আৰু সমাধানৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ আৰু জাতি নিৰ্মাণৰ উদ্দেশ্যে দেশৰ, সমাজৰ বিভিন্ন শ্ৰেণীৰ যুৱ নাগৰিকসকলক অংশগ্ৰহণ কৰাইছে। ইয়াৰ বাবে https://mybharat.gov.in. পৰ্টেল মুকলি কৰিছে। আগ্ৰহী যুৱক-যুৱতীসকলক নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱাৰ লগতে প্ৰতি জিলাতে থকা নেহৰু যুৱ কেন্দ্ৰৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। যোৰহাটৰ যুৱক-যুৱতীসকলক মালৌআলিৰ কাষত দীপাংকৰ বিদ্যাপীঠৰ সন্মুখত থকা নেহৰু যুৱ কেন্দ্ৰ, যোৰহাটৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ জিলা যুৱ ক্ৰীড়া বিষয়াই আহ্বান জনাইছে।

## ন-গৰাকী কুমাৰী ছোৱালীক ন-টা ৰূপত পূজা কৰাৰ পৰম্পৰাও প্ৰচলিত বৰক্ষেত্ৰী নৱৰাত্ৰী দুৰ্গা মন্দিৰত

# ১৯৬৭ চনতে স্থাপিত বৰক্ষেত্ৰী নৱৰাত্ৰি দুৰ্গা মন্দিৰত দুৰ্গা পূজাৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৯ ছেপ্টেম্বৰ** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত আদাট্ৰাৰীৰ এখন বিশেষ দুৰ্গা পূজাক লৈ অঞ্চলটোত এক ব্যাপক প্ৰস্তুতি চলিছে। উল্লেখ্য যে ১৯৬৭ চনতে শ্ৰী শ্ৰী মদ নিত্যানন্দ ব্ৰহ্মচাৰীয়ে প্ৰতিষ্ঠা কৰা "বৰক্ষেত্ৰী নৱৰাত্ৰি দুৰ্গা মন্দিৰ"ত চলিছে দুৰ্গা পূজাৰ ব্যাপক আয়োজন। বিগত বৰ্ষসমূহৰ দৰেই সাফল্যৰ ধাৰা অব্যাহত ৰাখি এইবেলি এই দুৰ্গা পূজাখনে ৫৯ সংখ্যক বৰ্ষত ভৰি দিছে। বৰক্ষেত্ৰী নৱৰাত্ৰি দুৰ্গা মন্দিৰ, আদাট্ৰাৰীত অনুষ্ঠিতব্য এই দুৰ্গা পূজাখন অহা ৫ আহিন অৰ্থাৎ ২২ ছেপ্তেম্বৰ সোমবাৰে আৰম্ভ হ'ব। এই পূজাভাগী প্ৰতিপদৰ পৰা দশমীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বুলি জনাইছে দুৰ্গা পূজা পৰিচালনা সমিতিয়ে। ডাঃ মনোজ গোস্বামীক সভাপতি, ধনীৰাম বৈশ্যক কাৰ্যকৰী সভাপতি, ডাঃ ৰূপকান্ত বৰ্মন, অতুল গোস্বামী, অশ্বিনী ডেকা, কৃষ্ণকান্ত মহন্ত, বেণুধৰ শৰ্মা, ভৈৰৱ শৰ্মা, নিকুঞ্জলতা মহন্তক উপ সভাপতিমণ্ডলী, হিতেশ ডেকাক প্ৰধান সম্পাদক, মিণ্টু শৰ্মাক কাৰ্যকৰী সম্পাদক, ৰমেন কুমাৰ শৰ্মা, নিৰ্মল চন্দ্ৰ কলিতা, ৰুবুল শৰ্মা (পাপুল), বিশ্ব বিকাশ শৰ্মা, গীতাৰ্থ শৰ্মাক সহঃ সম্পাদকমণ্ডলী হিচাপে লৈ গঠিত "বৰক্ষেত্ৰী নৱৰাত্ৰী দুৰ্গা পূজা কমিটী"য়ে জানিবলৈ দিয়া অনুসৰি ৫ আহিন অৰ্থাৎ ২২ ছেপ্তেম্বৰ সোমবাৰে পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ প্ৰতিপদ বিহিত পূজা, চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা আৰু নাগাৰা নাম পৰিৱেশন কৰিব ঘগ্ৰাপাৰৰ পাঠিকা বৈজয়ন্তী নাথ তালুকদাৰে। ৬ আহিন অৰ্থাৎ ২৩ ছেপ্তেম্বৰ মঙ্গলবাৰে ৰাতিপুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ দ্বিতীয়া বিহিত পূজা, চণ্ডী পাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা চলিব। ৭ আহিন অৰ্থাৎ ২৪ ছেপ্তেম্বৰ বুধবাৰে পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ তৃতীয়া বিহিত পূজা, চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা আৰু নাগাৰা নাম পৰিৱেশন কৰিব পাঠক পাৰ্থ প্ৰতীম দাসে। বৃহস্পতিবাৰ ৮ আহিন অৰ্থাৎ ২৫ ছেপ্তেম্বৰৰ পুৱা শ্ৰী শ্ৰীদুৰ্গা দেৱীৰ চতুৰ্থী বিহিত পূজা, চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতিৰ উপৰিও ওজাপালিৰ বন্দনা চলিব। ৯ আহিন অৰ্থাৎ ২৬ ছেপ্তেম্বৰ শুক্ৰবাৰে পুৱা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ চতুৰ্থী বিহিত অধিক পূজা, চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা আৰু নাগাৰা নাম পৰিৱেশন কৰিব ৰঙিয়াৰ পাঠক নিপন দত্ত কলিতাই। ১০ আহিন অৰ্থাৎ ২৭ ছেপ্তেম্বৰ শনিবাৰে পুৱা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ পঞ্চমী বিহিত পূজা, চণ্ডী পাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা চলিব। ১১ আহিন অৰ্থাৎ ২৮ ছেপ্তেম্বৰ ৰবিবাৰে পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ ষষ্ঠী বিহিত পূজা চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা আৰু নাগাৰা নাম পৰিবেশন কৰিব নলবাৰীৰ বিজুলীঘাটৰ পাঠক মণ্টু দাসে। ১২ আহিন অৰ্থাৎ ২৯ ছেপ্তেম্বৰ সোমবাৰে পুৱা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ সপ্তমী বিহিত পূজা, চণ্ডীপাঠ, হোম, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা চলিব। ১৩ আহিন অৰ্থাৎ ৩০ ছেপ্তেম্বৰ মঙলবাৰে পুৱা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ অষ্টমী বিহিত পূজা, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা চলিব। ১৪ আহিন অৰ্থাৎ ১ অক্টোবৰ বুধবাৰে পুৱা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ নৱমী বিহিত পূজা, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগৰ উপৰিও দুপৰীয়া ১-০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ঐতিহ্যবহনকাৰী "কুমাৰী পূজা"ত, শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুস্মাণ্ডা, স্কন্দমাতা, কাত্যায়ণী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী দেৱীৰ ৯টা ৰূপত ৯ বছৰ বয়সৰ ভিতৰৰ ৯জনী কুমাৰী ছোৱালীক সজাই-পৰাই পূজা কৰা হ'ব আৰু পূজাৰ অন্তত শান্তি প্ৰদান আৰু প্ৰসাদ ভোগ বিতৰণৰ উপৰিও সন্ধিয়া আৰতি, ওজাপালিৰ বন্দনা চলিব। ১৫ আহিন অৰ্থাৎ ২ অ'ক্টোবৰ বৃহস্পতিবাৰে পুৱা ৭-০০ বজাৰ পৰা শ্ৰী শ্ৰী দুৰ্গা দেৱীৰ দশমী বিহিত পূজান্তে অপৰাজিতা পূজা, ওজাপালিৰ বন্দনা, আয়তীৰ নাম-প্ৰসংগ আৰু দেৱী বিসৰ্জনৰ লগতে বিজয়া দশমী উৎসৱ পালন কৰা হ'ব। সমূহ কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগিতাৰ লগতে উপস্থিতি কামনা কৰিছে দুৰ্গা পূজা উদযাপন কমিটীয়ে।

## জেংৰাইমুখত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ ছেপ্টেম্বৰ** ঃ সমাজকৰ্মী বিতুপন দলে শুভাকাংক্ষী সকলৰ উদ্যোগত আৰু চন্দ্ৰপ্ৰভা আই হস্পিতেলৰ সহযোগত অহা ২০ ছেপ্টেম্বৰ শনিবাৰে মাজুলীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ব। উজনী মাজুলীৰ ব্যৱসায়িক স্থান জেংৰাইমুখ তিনিআলিৰ বৰপমুৱা ৰঙ্গমঞ্চত সেইদিনা পুৱা ৯ বজাৰ পৰা বিয়লি ৩ বজালৈ আৰম্ভ হ'বলগীয়া উক্ত বিনামূলীয়া চকু পৰীক্ষা শিবিৰত চন্দ্ৰপ্ৰভা আই হাস্পিতেলৰ অভিজ্ঞ চিকিৎসকসকলে চিকিৎসা প্ৰদান কৰিব। উক্ত, বিনামূলীয়া চিকিৎসা শিবিৰত চকুৰ বিশেষজ্ঞ চিকিৎসকসকলে বিনামূলীয়া চিকিৎসা প্ৰদান কৰিব আৰু বিনামূলীয়া ঔষধো প্ৰদান কৰিব। উক্ত, বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত আগতীয়াকৈ ৰোগীসকলে নামভৰ্তিৰ বাবে বিতোপন দলে শুভাকাংক্ষী সকলৰ যোগাযোগৰ ফোন নম্বৰ ৮৮২২২৮৬০০৭ আৰু ৯৩৬৫৫৯৮৫০০ত ফোন কৰিব পাৰিব বুলি আয়োজক সকলৰ হৈ দিপুমনি বৰাই জানিবলৈ দিছে।

## ডুমডুমা মহাবিদ্যালয়ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ ছেপ্টেম্বৰ** ঃ ডুমডুমা মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন যোৱা ১৫ ছেপ্টেম্বৰত সুকলমে সম্পন্ন হৈ যায়। এইবাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদকৰ পদটিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে মুঠ দহটা পদৰ প্ৰত্যেকতে চাৰি-পাঁচ গৰাকী ছাত্ৰ ছাত্ৰীয়ে নিজৰ প্ৰাৰ্থীত্ব আগবঢ়ায়। পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা ভোটদান প্ৰক্ৰিয়া দিনৰ ১২ বজাত সমাপ্ত হোৱাৰ পাছত দিনৰ এক বজাৰ পৰা ভোট গণনা আৰম্ভ হয়। এইবাৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতিৰ পদত ধনঞ্জয় মেধি, উপ-সভাপতিৰ পদত নিকুমণি শইকীয়া, সাধাৰণ সম্পাদকৰ পদত নিয়ৰ বৰুৱা, সহকাৰী সম্পাদকৰ পদত চাহিল জয়ছোৱাল, আলোচনী সম্পাদকৰ পদত ৰোহিত গুপ্তা, সাংস্কৃতিক বিভাগত বেবী বৰদলৈ (বিনা প্ৰতিদ্বন্দ্বিতাৰে), তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ পদত হৰকান্ত বৰা, সমাজ সেৱাত বিবেক মাল্লাহ, বহি: ক্ৰীড়া বিভাগত আচিক তাঁতী, ছাত্ৰ জিৰণী কোঠা বিভাগত গৌতম পাণ্ডে, ছাত্ৰী জিৰণী চ'ৰা বিভাগত নিশা চেত্ৰী নিৰ্বাচিত হয়। নিৰ্বাচন সুকলমে পৰিচালনা আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতাই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছে।

## বানৰ বাবে পিছুৱাই দিলে ছমহীয়া পৰীক্ষা

# অপৰিৱৰ্তিত গোলাঘাটৰ বান, ১২২ খন গাঁও বানৰ কৱলত, দুজনৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৯ ছেপ্টেম্বৰ** ঃ আজিও অপৰিবৰ্তিত গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি। গোলাঘাট জিলাৰ পাঁচটাকৈ ৰাজহ চক্ৰ এলেকাৰ বিস্তৃত অঞ্চল প্লাৱিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক ছমহীয়া পৰীক্ষা দুৰ্গা পূজাৰ পিছ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। আজি এই কথা প্ৰকাশ কৰে জিলা আয়ুক্ত পুলক কুমাৰ মহন্তই। আজি এক সংবাদ মেলৰ জৰিয়তে আয়ুক্ত গৰাকীয়ে জিলাখনৰ শেহতীয়াকৈ হোৱা বান পৰিস্থিতি সম্পৰ্কে কয় যে ধনশিৰি আৰু দৈয়াং নদীৰ জলস্তৰ বৃদ্ধি হৈছে দুটা কাৰণত। প্ৰথম চুবুৰীয়া ৰাজ্য নগালেণ্ডত প্ৰচুৰ পৰিমাণে বৰষুণ হোৱাৰ ফলত দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিছিল। দ্বিতীয় ডিমাপুৰত প্ৰচুৰ পৰিমাণে বৰষুণ হৈছে যাৰ ফলত ধনশিৰি নদীৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। নে। নিপক'ৰ জলবিদ্যুৎ প্ৰকল্পত পানী ৩.২০ পানী থ'ব পৰা ক্ষমতা আছে। কিন্তুত বেছি হ'লে পানী এৰিব দিব লগা হয়। বিগত দিনত ব্ৰহ্মপুত্ৰ নদীৰ জলপৃষ্ঠ কম আছিল বাবে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰাৰ পাছত সেই পানী ব্ৰহ্মপুত্ৰলৈ গুচি গৈছিল। কিন্তু আমাৰ ইয়াত হোৱা প্ৰবল বৰষুণৰ ফলত জিলাখনৰ বিভিন্ন অঞ্চল পানীৰ কৱলত পৰে। বৰ্তমান দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী ৩.২৪.৫০ আছে। যাৰ বাবে পানী এৰিবলগীয়া হৈছে আৰু পানী এৰি নিদিলে জলবিদ্যুৎ প্ৰকল্পটো ভাঙি থাকিব। গোলাঘাট জিলাত বৰ্তমানলৈকে ১২২ গাওঁ জলমগ্ন হোৱাৰ ফলত ২৪. হাজাৰ ৫০০. ৮৮জন লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰায় ৪২টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে আৰু দুজন লোকৰ মৃত্যু হৈছে। মৃত্যু হোৱা দুটা পৰিয়ালক ইতিমধ্যে ৪ লাখ টকা ক্ষতিপুৰণ দিয়া হৈছে। মৃত্যু হোৱা দুজনৰ ভিতৰত এগৰাকী বৃদ্ধ মহিলা। তেওঁ স্বামীৰ বাবে ঔষধ আনিবলৈ গৈ মৃত্যু হৈছিল আৰু আন এজন ভুল পথেৰে গৈ থাকোঁতে মৃত্যু হয়। ইয়াৰ উপৰিও গুৱাহাটী, যোৰহাট আৰু গোলাঘাটৰ NDRF, SDRF বাহিনীৰ ২২খন নাৱেৰে প্ৰায় ১২ বানপীড়িত ৰাইজক উদ্ধাৰ কৰা হৈছে আৰু ৫৫০টা পোহনীয়া জীৱ জন্তু উদ্ধাৰ কৰা হৈছে। বৰ্তমান কিমান কৃষিভূমি বিনষ্ট হৈছে তাৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে। খেতি যদি বিনষ্ট হয় তেতিয়া আমি ৰবি খেতিৰ ব্যৱস্থা কৰিব লাগিব। ইফালে বানপীড়িত ৰাইজে বিদ্যালয়ত আশ্ৰয় লৈ আছে যাৰ বাবে ছমহীয়া পৰক্ষী দুৰ্গাপূজাৰ পাছত অনুষ্ঠিত কৰা হ'ব। আশ্ৰয় শিবিৰত থকা ছাত্ৰ ছাত্ৰীসকলক পাঠ দান কৰাবলৈ উক্ত বিদ্যালয়ৰ শিক্ষকসকলক নিৰ্দেশ দিয়াৰ পাছত শিক্ষকসকলে আশ্ৰয় শিবিৰত থকা ছাত্ৰ ছাত্ৰী সকলক পাঠ কৰা কৰাৰ ব্যৱস্থা কৰিছে।



# নগাঁও জিলাত আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি আৰু আয়োজনৰ সন্দৰ্ভত আলোচনা সভা

**অসম বাৰ্তা, বড়মপুৰ, ১৯ ছেপ্টেম্বৰ** ঃ নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত ২০২৫ বৰ্ষৰ আগন্তুক দুৰ্গা পূজাৰ উদযাপনৰ প্ৰস্তুতি আৰু আয়োজনৰ সন্দৰ্ভত জিলাখনৰ সকলো পূজা সমিতিৰ বিষয়ববীয়া সকলৰ সৈতে জিলা আয়ুক্ত দেৱাশিস শৰ্মা, ভা: প্ৰ: সে: ডাঙৰীয়াৰ সভাপতিত্বত এখনি বৈঠক অনুষ্ঠিত হয়। উল্লিখিত বৈঠকত পূজা উদযাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যান-বাহন নিয়মাৱলী, মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিবৰণীখন সহকাৰী আয়ুক্ত শ্ৰী ভাস্কৰ চৌধুৰীয়ে পাঠ কৰে। এইবাৰ দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। এই অনুসৰি পূজা সমিতি সমূহে জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ লাগতিয়াল অনুমতি লোৱাৰ লগতে সংলগ্ন বিভাগ সমূহৰ পৰা আপত্তি বিহীন প্ৰমাণ পত্ৰ (NOC) সমূহ গ্ৰহণ কৰিব লাগিব। প্ৰতিটো পূজা মণ্ডপত CCTV লগোৱাটো বাধ্যতামূলক। অগ্নি নিৰ্বাপন সামগ্ৰী পূজা মণ্ডপ সমূহত ৰাখিব লাগিব। প্ৰতিটো পূজা মণ্ডপত ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ সুব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ সমূহত প্ৰবেশত পুৰুষ আৰু মহিলাৰ বাবে পৃথক পৃথক পথৰ ব্যৱস্থা কৰিব লাগিব। পূজা সমিতি সমূহে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু ডাছবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ নিৰ্মাণৰ নামত ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতি কৰিব নোৱাৰিব। পূজা মণ্ডপৰ চাৰিওফালে পোহৰৰ সুব্যৱস্থা কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে পূজা সমিতিসমূহে অস্থায়ীভাবে জেনেৰেটৰৰ ব্যৱস্থা কৰিব লাগিব। দেৱীৰ প্ৰতিমা সমূহ প্ৰাকৃতিক সামগ্ৰীৰে নিৰ্মিত হ'ব লাগিব। পূজা মণ্ডপ সমূহত নিশা ১০-০০ বজাৰ পৰা উচ্চ প্ৰাৱল্যৰ শব্দ ব্যৱহাৰ কৰিব নোৱাৰিব। পূজা সমিতিসমূহে পৰ্য্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব, সকলো স্বেচ্ছাসেৱকৰ ফটোযুক্ত পৰিচয়পত্ৰ থাকিব লাগিব আৰু স্বেচ্ছাসেৱক সকলৰ নাম সমূহ পুলিচ ভেৰিফিকেচনৰ বাবে তেওঁলোকৰ নিকটৱৰ্তী স্থানীয় আৰক্ষী থানাত আগতীয়াকৈ জমা দিব লাগিব। পূজা মণ্ডপৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰলৈকে কোনো অস্থায়ী দোকান, বাণিজ্য মেলা আদি পাতিব নোৱাৰিব লগতে পূজা সমিতিসমূহে পূজা মণ্ডপৰ ওচৰে পাজৰে মাদক দ্ৰব্য ব্যৱহাৰৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। পূজা উপলক্ষে কোনো ধৰ্মীয় সমদল উলিয়াব লগা হলে, তাৰ বাবে আগতীয়াকৈ জিলা প্ৰশাসনৰ অনুমতি লব লাগিব। জৰুৰীকালীন ফোন নম্বৰ সমূহ ভক্তগণৰ সুবিধাৰ্থে পূজা মণ্ডপত সকলোৰে দেখাকৈ প্ৰদৰ্শিত কৰি ৰাখিব লাগিব, লগতে পূজা মণ্ডপত এটি আছুতীয়া "সহায় কেন্দ্ৰ" স্থাপন কৰিব লাগিব, য'ত অনুভাষ যন্ত্ৰৰ সু-ব্যৱস্থা থাকিব লাগিব। জিলা আয়ুক্ত ডাঙৰীয়াই ৰাজহ চক্ৰ বিষয়াসকলক আগতীয়াকৈ তেওঁলোকৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পূজা সমিতি সমূহৰ সৈতে শাৰদীয় দুৰ্গোৎসৱ উদযাপনৰ সন্দৰ্ভত সভা অনুষ্ঠিত কৰিবলৈ আৰু তেওঁলোকৰ ৰাজহ চক্ৰৰ এলেকা সমূহত শান্তি শৃংখলা বজায় ৰখাৰ স্বাৰ্থত চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে। জিলা পৰিবহণ বিষয়াক উদণ্ড বাইকাৰ্ছক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে আৱকাৰী বিষয়াসকলক পূজা উদ্‌যাপনৰ সময়ত ধাবা, হোটেল, দোকান আদিত অবৈধ সুৰা বিক্ৰী আৰু সেৱনকাৰীৰ বিৰুদ্ধে নিয়মীয়া তালাচী অভিযান অব্যাহত ৰখাৰ লগতে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্ত গৰাকীয়ে নিৰ্দেশ প্ৰদান কৰে। জিলা প্ৰশাসনে এইবাৰ দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জনৰ সময় দিনৰ ১২-০০ বজাৰ পৰা নিশা ৭-০০ বজালৈকে নিৰ্ধাৰণ কৰিছে। প্ৰতিমা বিসৰ্জন স্থলীলৈ ৫০জন লোক আহিব পাৰিব যদিও বিসৰ্জন পৰ্বত ৫গৰাকী লোকেহে অংশগ্ৰহণ কৰিব পাৰিব। জিলা আয়ুক্ত ডাঙৰীয়াই জিলাখনত আগন্তুক দুৰ্গা পূজা ভাগ পূজা সমিতি সমূহৰ লগতে জিলাবাসী ৰাইজক নিজৰ সামাজিক দায়িত্ববোধ বজাই ৰাখি শান্তি সম্প্ৰীতিৰে উদযাপন কৰিবলৈ আহ্বান জনায়। আজিৰ বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, প্ৰমুখ্যে জিলা প্ৰশাসন, অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা, ৰহা সম জিলাৰ সম আৰক্ষী অধীক্ষক সোণমনি বৰা, সহকাৰী আয়ুক্ত তেজস অগ্নিহোত্ৰীকে প্ৰমুখ্য কৰি আৰক্ষী প্ৰশাসন, যান-বাহন আৰক্ষী, অগ্নিনিৰ্বাপক, স্বাস্থ্য, বিদ্যুৎ, লোক নিৰ্মাণ(পথ), লোকনিৰ্মাণ(গৃহ), জনস্বাস্থ্য কাৰিকৰী, আৱকাৰী, প্ৰদূষণ নিয়ন্ত্ৰণ, দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, জনসংযোগ, পৰিবহণ বিভাগৰ মুৰব্বী বিষয়াসকল, চক্ৰ বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল আৰু পূজা সমিতি সমূহৰ সভাপতি, সম্পাদক আৰু প্ৰতিনিধি সকল উপস্থিত থাকে।



# অমৰ হৈ মৃত্যু হ'ল
# হাৰ্টথ্ৰৱ জুবিন গাৰ্গ



অসমৰ সংগীত জগতৰ ভোটা-তৰা, অমৰ সৃষ্টি, অমূল্য সম্পদ হাৰ্টথ্ৰৱ জুবিন গাৰ্গ আৰু আমাৰ মাজত নাই কথাষাৰ কোনেও মানি ল'ব খোজা নাই? সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ উত্তৰসূৰি হিচাপে থিয় দি অসমৰ লগতে সমগ্ৰ দেশত সংগীত জগতৰ যাদুঘৰী কণ্ঠৰে অসমী আইক পৰিচয় দিয়া জুবিন গাৰ্গৰ মৃত্যু খবৰটিয়ে দেশবাসীক কন্দুৱাইছে আৰু কন্দুৱাইছে। ইং ১৮ নৱেম্বৰ, ১৯৭২ চনত মেঘালয়ৰ তুৰাত জন্ম গ্ৰহণ কৰা অসমৰ সৃষ্টি।

ভাৰতবৰ্ষৰ এগৰাকী যাদুকৰী কণ্ঠৰ প্ৰসিদ্ধ কণ্ঠশিল্পী, নেপথ্য গায়ক, সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, সংগীত ব্যৱস্থাপক, চলচ্চিত্ৰ অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী, সমাজকৰ্মী, কী-বৰ্ড, গিতাৰ, তবলা, মেণ্ডোলিন, দগৰ প্যাৰকাচন আদিৰ সৃষ্টি জুবিন গাৰ্গৰ পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃৰ স্বৰ্গীয়া ইলি বৰঠাকুৰ আছিল। জুবিনৰ প্ৰকৃত নাম জুবিন বৰঠাকুৰ। প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামত জুবিনৰ নাম ৰখা হৈছিল আৰু গোত্ৰৰ নামটো তেওঁ উপাধি হিচাপে ব্যৱহাৰ কৰে সদায়ে। জুবিন মূলতে শিৱসাগৰ জিলাৰ জাঁজীৰ। পিতৃ কৰ্মসূত্ৰে এজন মেজিষ্ট্ৰেট আৰু চাকৰি জীৱনৰ প্ৰথমছোৱাত সঘনাই ইঠাই-সিঠাইলৈ বদলি হ'ব লগীয়া হয়। কণমানি জুবিনৰ ল'ৰালিকালছোৱা বহু ঠাইৰ অভিজ্ঞতাৰে ভৰা। তেওঁৰ পিতৃয়েও কপিল ঠাকুৰৰ ছদ্মনামত কবিতা আৰু গল্প লিখে। জুবিনৰ মাতৃ স্বৰ্গীয়া ইলি বৰঠাকুৰ এগৰাকী দক্ষ নৃত্যশিল্পী, অভিনেত্ৰী আৰু সুগায়িকা আছিল। তথাপি তেওঁ নিজৰ প্ৰতিভাক পেছা হিচাপে লোৱা নাছিল। ইয়াৰ পৰিৱৰ্তে তেওঁ কণমানি জুবিনক ঘৰতেই সকলো কলা শিকোৱাৰ সিদ্ধান্ত লৈছিল। জুবিনৰ দুগৰাকী ভগ্নী জংকী বৰঠাকুৰ আৰু পাল্মী বৰঠাকুৰ। জংকী এগৰাকী গায়িকা আৰু অভিনেত্ৰী। দুৰ্ভাগ্যজনকভাৱে ২০০২ চনত তেজপুৰত ঘটা এটা শোকাৱহ মটৰ দুৰ্ঘটনাত পতিত হৈ জংকীৰ মৃত্যু হয়। পিছতে জংকিৰ স্মৃতিত শিশু নামৰ এটা এলবাম মুক্তি দিয়ে জুবিনে। আনগৰাকী ভগ্নী পাল্মী ভাৰত নাট্যম নৃত্যশিল্পী। ২০০২ চনৰ ৪ ফেব্ৰুৱাৰীত জুবিন গাৰ্গ ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়াৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ আৰম্ভ কৰে যুগ্ম জীৱন। জীৱনৰ প্ৰথম গুৰু বুলি নিজ মাতৃকে বিবেচনা কৰে তেওঁ। পাছলৈ গুৰু ৰবীন বেনাৰ্জীৰ পৰা জুবিনে তবলা শিক্ষাৰে সংগীত শিক্ষা আৰম্ভ কৰাৰ লগতে গুৰু ৰমণী ৰায়ৰ ওচৰত অসমীয়া লোক সংগীত শিকি অব্যাহত থাকে শিক্ষা। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰি গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ গুচি যোৱাৰ কাৰণে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা বি.বৰুৱা কলেজলৈ বিদ্যায়তনিক ঠিকনা সলনি কৰাত বিজ্ঞানৰ স্নাতক ডিগ্ৰীৰ শিক্ষা গ্ৰহণ কৰে আমাৰ সৃষ্টি জুবিন গাৰ্গে। কিন্তু সংগীতৰ জগতখনৰ লগত সম্পূৰ্ণৰূপে নিজকে নিয়োজিত কৰিব লগাত কলেজীয়া শিক্ষা সমাপ্ত কৰিব নোৱাৰিলে। ফলত স্নাতক শিক্ষা আধৰুৱা হৈ ৰ'ল। ইয়াৰ সমান্তৰালকৈ সংগীতৰ ক্ষেত্ৰত অসমীয়া, হিন্দী ভাষা, বঙালী, বড়ো, কোচ-ৰাজবংশী, কমতাপুৰী, গোৱালপাৰীয়া, চাহ বাগানীয়া, হাজং, মিচিং, কাৰ্বি, গাৰো, ৰাভা, ডিমাচা, টাই-আহোম, নেপালী, ভোজপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ককবৰক, ওড়িয়া, তামিল, তেলুগু, কন্নড়, ইংৰাজী, আদি, গালো, মালয়ালম, মাৰাঠী ইত্যাদি বিভিন্ন ভাষাত তেওঁ কণ্ঠদান কৰি সকলোৰে আদৰ সন্মান পাবলৈ সক্ষম হয়।

সংগীত জগতখনত ১৯৯২ চনত জুবিনৰ প্ৰথমটো এলবাম অনামিকা মুক্তিৰ লগে লগেই জুবিন পেছাদাৰী সংগীত জগতখনত জড়িত হৈ পৰে। জুবিনে ঢোল, দোতাৰা, মেণ্ডলিনৰ দৰে বাদ্যযন্ত্ৰ বজোৱাৰ উপৰিও এজন কৃতী কীবৰ্ড প্লেয়াৰ। বঙালী চিনেমা শুধু তুমিৰ কাৰণে জুবিনে ২০০৫ চনত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰি হিন্দীৰ য়া আলি গীতটোৰ বাবে জুবিনে ২০০৭ চনত গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড (GIFA) আৰু

**খগেশ্বৰ দাস**

> অসমী আইৰ সু- সন্তান হিচাপে সদায় জাতি মাটি ভেটিৰ বাবে আপোচ বিহীন সত্তাৰে মাত মাতি আহিছে। কাকোঁ কেৰেপ নকৰা, সহজ সৰল মনৰ অধিকাৰী, শিশু সুলভ মনৰ ঐশ্বৰিক গুণধাৰি, সংগীতৰ ক্ষেত্ৰখনত অসমীয়া এলবাম, হিন্দী বঙালী এলবাম, অসমীয়া ছবি আদি সংগীত আৰু অভিনয়ৰ মাজেৰে সৰ্বত্ৰে বিদ্যমান হাৰ্টথ্ৰৱ জুবিন।

ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ) বঁটা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও Echoes of Silence (ইংৰাজী-খাচী) ছবিৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰাষ্ট্ৰীয় বঁটা (ৰজত কমল) লাভ কৰি আধুনিক অসমীয়া সংগীতত নতুন মাত্ৰা প্ৰদান কৰাৰ বাব ২০১৪ চনত জুবিন গাৰ্গলৈ ৰেনেছাঁ অসম বঁটা আগবঢ়োৱা হয়। সাম্প্ৰতিক কালৰ সময়ছোৱাত হাৰ্টথ্ৰৱ জুবিন গাৰ্গে কেইবাবাৰো বিতৰ্কৰ মাজত সোমাই পৰে কিন্তু তেওঁৰ যাত্ৰা সদায় অটুট থাকে। অসমী আইৰ সু- সন্তান হিচাপে সদায় জাতি মাটি ভেটিৰ বাবে আপোছ বিহীন সত্তাৰে মাত মাতি আহিছে। কাকোঁ কেৰেপ নকৰা, সহজ সৰল মনৰ অধিকাৰী, শিশু সুলভ মনৰ ঐশ্বৰিক গুণধাৰি, সংগীতৰ ক্ষেত্ৰখনত অসমীয়া এলবাম, হিন্দী বঙালী এলবাম, অসমীয়া ছবি আদি হাজাৰ হাজাৰ সংগীত আৰু অভিনয়ৰ মাজেৰে সৰ্বত্ৰে বিদ্যমান হাৰ্টথ্ৰৱ জুবিন। প্ৰকৃতিক ভাল পোৱা জুবিনে সঁচাই ইমান যে আচৰিত হৈ কম বয়সতে, জনপ্ৰিয়তা লাভ কৰা দেখি আচৰিত হয় সকলোৱে। জুবিন কোনো ৰেডিঅ'ৰ শিল্পী নহয়, দূৰদৰ্শনৰ শিল্পী নহয়, কোনো বেকগ্ৰাউণ্ডো নাই তাৰ মাজতোঁ যোগ্যতাৰ ভিত্তিত জনপ্ৰিয়তা পাইছে নিঃসন্দেহে সমগ্ৰ দেশতে। বিভিন্ন সময়ত দেশ বিদেশৰ পৰা নানা ধৰণৰ বটাঁ আৰু সন্মান পাবলৈ সক্ষম হয় অমৰ সৃষ্টি জুবিন গাৰ্গে। কিন্তু ১৯ ছেপ্টেম্বৰ ২০২৫ শুক্ৰবাৰে দেশৰ লগতে অসমবাসীৰ মাজত আহে এটি মানিব নোৱাৰা দুখবৰ। দেশ বিদেশৰ চিনাকি মনৰ জনতাৰ জনপ্ৰিয় সংগীত শিল্পী, কোনো মন্ত্ৰী বিধায়কক খাতিৰ নকৰা জনতাৰ শিল্পী, ছিদা কথা কৈ ভাল পোৱা অসম সন্তা জুবিন গাৰ্গ আৰু নাই খবৰটিয়ে অসমবাসীৰ লগতে বিশ্ব বাসিক মৰ্মাহত কৰি পেলালে। সংবাদ মাধ্যমত প্ৰচাৰিত খবৰ মতে নৰ্থ ইষ্ট ফেষ্টিভেলত অংশ ল'বলৈ ছিংগাপুৰলৈ যোৱা জুবিন গাৰ্গে এখন ইয়টৰ পৰা সাগৰত পৰি দুৰ্ঘটনাত পতিত হয়। ইয়াৰ লগে লগে ছিংগাপুৰ আৰক্ষীয়ে উদ্ধাৰ কৰি জৰুৰীকালীন ভাৱে সংকটজনক অৱস্থাত ICU ত ভৰ্তি কৰে হেনো চিকিৎসালয়ত। কিন্তু দুৰ্ভাগ্যজনক কথা

অসমৰ সংগীত জগতৰ কিংবদন্তী পুৰুষ তথা হাৰ্টথ্ৰৱ জুবিন গাৰ্গে শুক্ৰবাৰে দিনৰ ২.৪০ বজাত আকস্মিক দেহাৱসানে সমগ্ৰ ৰাজ্যখনকে শোকগ্ৰস্ত কৰি তুলে। মাত্ৰ ৫২ বছৰ বয়সতেই জীৱনৰ নাট সামৰি ধুমুহাৰ সতে মোৰ বহু যুগৰে নাচোন গীত গাই গাই,

ধুমুহাৰ সৈতে খেলা কৰি উভতি নহাৰ বাটেৰে গুচি গ'ল হাৰ্টথ্ৰৱ জুবিন গাৰ্গ। তেওঁ গীতেৰে বুজাই থৈ গ'ল -

মৃত্যু এতিয়া সহজ'
মৃত্যু এতিয়া উছৱ,
মৃত্যু যদি শিল্প হয়'
মৃত্যু কিদৰে সুলভ।
মৃত্যু এতিয়া সহজ"

অসম সন্তান নাটশিল্পীগৰাকীৰ বিদায় পৰত দেশৰ লগতে সমগ্ৰ বিশ্ব ও অসমবাসীয়ে বিদেশী আত্মাৰ সদগতি কামনাৰে অশ্ৰুবেদি নয়নেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ৰাজ্যৰ বিভিন্ন ঠায়ে-ঠায়ে দল সংগঠনৰ অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁৰ প্ৰতিচ্ছবিত মাল্য অৰ্পণেৰে বন্তি প্ৰজ্বলন কৰা দেখা গৈছে।

অমৰ সৃষ্টি হিয়াৰ আমঠু জুবিন গাৰ্গ নাই বোলা খবৰটি শুনিবলৈ অপাৰগ বিশ্ববাসী। নৱ প্ৰজন্মৰ সপোন স্বৰূপ জুবিন গাৰ্গৰ মৃত্যুৱে অসমীয়া প্ৰতিজন মানুহৰ বুকু কঁপিছে উঠিছে, জুবিনময় সময়বোৰ এটি এটিকৈ চকুৰ সন্মুখত অগা-ডেৰা কৰিছে। প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰা জুবিন বোলা এই সন্তাজনৰ জনতাৰ প্ৰতি দুৰ্বাৰ প্ৰেম কল্পনাতীত হৈ ৰ'ল। সীমাৰ পৰিধি ভাঙি স্বকীয় ৰূপেৰে উদ্ভাসিত জুবিন গাৰ্গ নামৰ যাদুকৰী কণ্ঠটি এনেদৰে হেৰাই যাব বুলি কোনেও বিশ্বাস কৰিব পাৰি জানো। হাজাৰ হাজাৰ সৃষ্টিত তুমি আমাৰ মাজত জীয়াই থাকিবা জুবিন বুলি অসমৰ মুখ্যমন্ত্ৰীৰ লগতে দেশবাসীয়ে শোক প্ৰকাশ কৰে। জুবিন গাৰ্গৰ অমৰ সৃষ্টি সমূহ পাহৰিব নোৱাৰা এক ভৰাল। একে লগে ১৬ হাজাৰতকৈ অধিক গীত লিখি আৰু পৰিবেশন কৰি অভিলেখ গঢ়ি ৰাইজৰ সমাদৰ পাবলৈ সক্ষম হোৱা জুবিন আজি অমৰ হৈ অসমী আইৰ কোলাত সদায় জীৱাই থাকিব।

"আকাশে গাতে ল'বৰে মন,



সাগৰ তলিত শুবৰে মন" গীত গাই নিজেই আজি শুই গ'ল। অসমৰ এনে কোনো অনুষ্ঠান নাই য'ত জুবিনৰ সংগীত নাই? তেওঁৰ সংগীত অবিহনে সাম্প্ৰতিক সময়ত আধৰুৱা অনুষ্ঠান। অসমৰ প্ৰতিজন মানুহৰ শিৰে-শিৰে, প্ৰতিজন মানুহৰ প্ৰাণে-প্ৰাণে জুবিনৰ সংগীতে নিদ্ৰা হয় আৰু নিদ্ৰা হৰণ কৰিছে। অপৰিসীম সৃষ্টিৰ গুণাধাৰী যাদু আৰু মায়াৰে মন মোহিত অধিকাৰী জুবিনৰ মৃত্যুত স্তব্ধ আজি সমগ্ৰ ৰাজ্য। পক্ষীক ভাল পোৱা, পশুক ভাল পোৱা, জীৱ জন্তুক ভাল পোৱা, প্ৰকৃতিৰ সৃষ্টিক ভাল পোৱা, বাটৰ ঠেলাৱালা, ৰিক্সাৱালা, দৰিদ্ৰ শিশুক ভাল পোৱা, আৰ্তজনৰ কাষত থিয় দি আৰ্থিক সহায় আগবঢ়োৱা মানৱ দৰদী জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু আজি অকল্পনীয়, অবিশ্বাস্য, অনাকাংক্ষিত। ২০১৮ চনতে চিৰসেউজ কাৰ্বি আংলং জিলাৰ হাওৰাঘাট থানাৰ অন্তৰ্গত পণ্ডিতঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰ প্ৰাংগনত নমাটি সমষ্টি ভিত্তিক ফুটবল লীগ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি "মায়া মাথোঁ মায় "গীত গাই আকৌ এদিন গীত গাবলৈ আহিম বুলি কৈ গুৰি নহাঁ বাটেৰে আজি চিৰদিনৰ বাবে গুচি গ'ল হাৰ্টথ্ৰৱ জুবিন গাৰ্গ।

তেওঁৰ এনে মৃত্যুত গভীৰ শোক প্ৰকাশ সমগ্ৰ ৰাজ্য। এতিয়া জনতাৰ মাজত এক ডাঙৰ প্ৰশ্নই উদ্বেগ সৃষ্টি কৰিছে। শিল্পী গৰাকীৰ এনে মৃত্যু নে অন্য আৰু কিবা, এয়া পৰৱৰ্তী সময়ত মনৰোত্তৰ পৰীক্ষাত গ'ম পোৱা যাব। এতিয়া কথা হ'ল যে অমৰ জনতাৰ শিল্পী হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ কৃষ্টি - সংস্কৃতি আৰু সৃষ্টিৰাজি অমূল্য সম্পদসমূহ আগন্তুক দিনত চৰকাৰ বা সমাজখনে কেনেদৰে সংৰক্ষণ কৰে এয়া হ'ব লক্ষণীয়।

# হৃদস্পন্দন জুবিন গাৰ্গৰ সংগীতৰ যাত্ৰা

জুবিন গাৰ্গ আৰু নাই! মিঠা সুৰৰ যাদুৰে প্ৰজন্মৰ পাছত প্ৰজন্মক মোহিত কৰা সেই প্ৰতিভাশালী জুবিন গাৰ্গ আৰু নাই! ছিংগাপুৰত স্কুবা ডাইভিংৰ এক দুৰ্ঘটনাত ৫২ বছৰতে জুবিনে ধৰাৰ পৰা বিদায় মাগিলে। এই মৃত্যু অসহনীয়! অসমীয়া সংগীতৰ আত্মা আছিল জুবিন। পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ সেতু আছিল জুবিন। অসমৰ জাতিটোৰ আত্মাৰ অটুট প্ৰতিনিধি আছিল জুবিন।

মেঘালয়ৰ তুৰাত থকা অসমীয়া ব্ৰাহ্মণ পৰিয়ালত মোহিনী মোহন বৰঠাকুৰ আৰু প্ৰয়াত ইলী বৰঠাকুৰৰ ঘৰত জন্মগ্ৰহণ কৰিছিল জুবিনে। সংগীত সুৰকাৰ জুবিন মেহতাৰ নামেৰে নামাকৰণ কৰি তেওঁৰ গোত্ৰ গাৰ্গক উপাধি হিচাপে ব্যৱহাৰ কৰে। তেওঁৰ পিতৃ মোহিনী বৰঠাকুৰ এগৰাকী দণ্ডাধীশ আৰু মাতৃ ইলী বৰঠাকুৰ এগৰাকী গায়িকা আছিল।দেউতাকে কবিতা আৰু গীত লিখিছিল কপিল থাকুৰৰ নামেৰে। দেউতাকৰ চাকৰিৰ বাবে পৰিয়ালটো বহু ঠাইলৈ সময়ে সময়ে স্থানান্তৰ হ'ব লগা হৈছিল। মাকৰ কোলাত বহি জুবিনে অসমীয়া গান শিকিছিল। মাকে জুবিনক কৈছিল যে সংগীতে মানুহক একত্ৰিত কৰে আৰু সংগ দিয়ে। ভণ্টি জংকীয়েও গান গাইছিল আৰু অভিনয় কৰিছিল। কিন্তু ২০০২ চনত এক মটৰ দুৰ্ঘটনাত জংকীয়ে মৃত্যুবৰণ কৰিলে। এই দুখে জুবিনক গভীৰভাৱে প্ৰভাৱিত কৰিলে আৰু তেওঁৰ গানত দুখৰ ছায়া পৰিল।

জুবিনৰ পঢ়াশুনা তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু গুৱাহাটীৰ বি. বৰুৱা কলেজত হৈছিল। তেওঁ বিজ্ঞান পঢ়িছিল কিন্তু সংগীতেহে আকৰ্ষণ কৰিছিল। বিদ্যালয়ত পঢ়ি থাকোতেই জুবিনে গান লিখিছিল চাহ বাগিচা আৰু বৰষুণৰ পৰা অনুপ্ৰাণিত হৈ! ১৯৯২ চনত এক যুৱ সন্মিলনত তেওঁ পশ্চিমীয়া শৈলীত গান গাই স্বৰ্ণ পদক লাভ কৰে। এইয়া আছিল জুবিনৰ পেছাদাৰী জীৱনৰ আৰম্ভণি। ২০ বছৰ বয়সত জুবিনৰ প্ৰথম এলবাম "অনামিকা"ই মুক্তি লাভ কৰে।পশিমীয়া সংগীত আৰু অসমীয়া সুৰ মিহলাই সৃষ্টি কৰা অনামিকাৰ গান বিলাকে অভুতপূৰ্ব জনপ্ৰিয়তা লাভ কৰে ।





অনামিকাৰ সফলতাই জুবিনক ৪০টাৰো অধিক এলবাম নিৰ্মাণ কৰিবলৈ উৎসাহিত কৰিলে। প্ৰত্যেক এলবামতে বৈচিত্ৰ্য দেখা গৈছিল। "আশা" নামৰ এলবামটোৱে আশাৰ আলোক দেখুৱাই ছিল ১৯৯০ চনৰ অস্থিৰ সময়ত। "মায়া"ত আছিল প্ৰেমৰ গান। "মুক্তি"ৰ দেশপ্ৰেম মূলক গানে মানুহক একত্ৰিত কৰিছিল। "মেঘৰ বৰণে" মেঘময় আকাশৰ প্ৰেম বোৱাইছিল ধৰালৈ। "ৰং"য়ে জীৱনৰ ৰঙ দেখুৱাইছিল লোক সংগীত আৰু পপ সংগীতৰ মিশ্ৰনত। "দিলৰুবা"ৰ চুফী গানে সকলোকে প্ৰভাৱিত কৰিছিল।

জুবিনক বিশেষ কৰিলে তেওঁৰ গানৰ মিশ্ৰণে। তেওঁ ১২ বিধতকৈও অধিক বাদ্যযন্ত্ৰ বজাব জানিছিল। ডটাৰা, ঢোলৰ পৰা কীবৰ্ডলৈকে! পশ্চিমীয়া ৰকক বিহুৰ সৈতে মিহলাই পেলাই ছিল জুবিনে! অসমীয়া সংগীতৰ বাবে নতুন আছিল সেই দিশটো।

১৯৯৫ চনৰ মাজভাগত গাৰ্গে বলীউড সংগীত উদ্যোগত কাম কৰিবলৈ মুম্বাইলৈ গুচি যায় আৰু তাৰ পৰাই তেওঁৰ প্ৰথম ইণ্ডিপপ একক এলবাম চান্দনী ৰাতে আত্মপ্ৰকাশ কৰে।পিছলৈ তেওঁ "চন্দা" (১৯৯৬), "শ্ৰদ্ধাঞ্জলি" ভলিউম: ১,২,৩ (১৯৯৬-৯৭) এলবাম প্ৰকাশ কৰে চিনেমাৰ ভিতৰত "জলৱা" (১৯৯৮), "যুহি কভি" (১৯৯৮), "জাদু"(১৯৯৯), "স্পৰ্শ"(২০০০), "গন্দাৰ" (১৯৯৫), "দিল ছে"(১৯৯৮), "ডলি সাজা কে ৰাখনা" (১৯৯৮), "ফিজা" (২০০০), "কাণ্টে" (২০০২) আদিত কণ্ঠ দিয়ে।

জুবিনৰ প্ৰভাৱ চিনেমাতো আছিল। ২০০০ চনত তেওঁ "তুমি মোৰ মাথো মোৰ"ত অভিনয় কৰিছিল। চিনেমাখনৰ গানসমূহো অতি জনপ্ৰিয় হৈছিল। তেওঁ ২৪ খনতকৈও অধিক চিনেমাৰ বাবে সংগীত ৰচনা কৰিছিল। প্ৰেম, দুখ আৰু সংগ্ৰামৰ কাহিনীসমূহক তেওঁৰ সুৰে শক্তিশালী কৰিছিল। কোনে পাহৰিব হিয়া দিয়া নিয়াৰ সেই যাদুকৰী সংগীতক! "মন যায়"ৰ বাবে(২০০৮) তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিলে সৰ্বোত্তম সংগীতৰ বাবে। ইয়াত গানসমূহে ৰাগ আৰু লোকসংগীতক মিহলাই আবেগৰ সৃষ্টি কৰিছিল। "প্ৰিয়াৰ প্ৰিয়" (২০১৭) , "ৰ'দৰ চিঠি"ৰ গান বিলাকো জনপ্ৰিয় হৈছিল।

জুবিন অভিনয় আৰু গান দুয়াটাতে সমানে পাৰদৰ্শী আছিল। "মিছন চাইনা"ত (২০১৭) তেওঁ সুঅভিনয় কৰিছিল আৰু চিনেমাখনে ৬ কোটিৰো অধিক আয় কৰিছিল। "কাঞ্চনজংঘা"ই (২০১৯) ৭ কোটি আয় কৰিছিল। গানসমূহে চাৰ্টত উঠিছিল। ষ্টুডিঅ' আৰু চিনেমাৰ বাহিৰেও জুবিনে লাইভ শ্ব' আৰু সমাজসেৱাত ব্ৰতী আছিল।

বলিউডতো জুবিন সফল আছিল। "গেংষ্টাৰ"ৰ য়া আলী গানটোৰ বাবে (২০০৬) তেওঁ পুৰস্কাৰো পাইছিল। হিন্দীৰ বাহিৰেও জুবিনে বাংলা, তামিল, তেলুগু ভাষাতো গাইছিল। ইচ্ছা কৰা হ'লে বলিউডৰ অন্যতম শ্ৰেষ্ঠ আৰু জনপ্ৰিয় গায়ক হ'ব পাৰিলেহেতেন জুবিনে! অত্যন্ত প্ৰতিভাশালী আছিল জুবিন! আধুনিক গীত, বিহু গীত, লোক গীত, বৰগীত, হিন্দী গীত আৰু কত কি যে গাব পাৰিছিল জুবিনে। জুবিন গাৰ্গ আছিল আছিল সংগীতৰ এক সম্পূৰ্ণ পেকেজ! অসমীয়াৰ হৃদয়ত জুবিন চিৰকাল অমৰ হৈ থাকিব।

# ইতিহাস সৃষ্টিকাৰীজনেই আজি ইতিহাস হৈ গ'ল!



এগৰাকী ব্যক্তিৰ নামটোৱে যেতিয়া এটা সত্তা হৈ পৰে, এটা আবেগ হৈ পৰে, এটা অনুষ্ঠান হিচাপে গঢ়ি উঠে, এটা জাতিৰ পৰিচয় হিচাপে গঢ়ি উঠে তেতিয়া সেই ব্যক্তি গৰাকীৰ গুৰুত্ব আৰু প্ৰয়োজন এখন সমাজ, এটা জাতিৰ বাবে কিমান সেয়া হয়তো বহলাই কোৱাৰ দৰকাৰ নাই। সকলো বয়সৰ লোকৰ হৃদয়তে এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হোৱা সেই বিশেষ ব্যক্তিগৰাকী আন কোনো নহয়। তেওঁ হৈছে অসমীয়া জাতিৰ আবেগ, অসমীয়া জাতিৰ গৌৰৱ, অসমীয়া জাতিৰ স্বাভিমান জুবিন গাৰ্গ। ১৯৭২ চনৰ ১৮ নৱেম্বৰ তাৰিখে যোৰহাট জিলাত জন্ম হৈছিল অসমীয়া জাতিৰ হিয়াৰ আমঠু একেৰাহে কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, অভিনেতা আদি বিশেষণেৰে বিভূষিত শিল্পীগৰাকীৰ। জন্মগতভাৱেই যেন জুবিন গাৰ্গে এগৰাকী অনন্য ব্যক্তিত্বৰ অধিকাৰী হৈ এই পৃথিৱীত পদাৰ্পণ কৰিছিল। আনৰ দুখত দুখী হব পৰা, আনৰ সুখত সুখী হব পৰা, প্ৰতিটো সময়তে আৰ্তজনৰ বাবে নিজৰ সহায়ৰ হাতখন মুকলিকৈ মেলি দিব পৰা ব্যক্তিত্বই জুবিন গাৰ্গক আনতকৈ সম্পূৰ্ণ পৃথক কৰি ৰাখিছিল। স্পষ্টবাদী স্বভাৱৰ বাবে প্ৰায়ে বিতৰ্কৰ মাজত সোমাই পৰিলেও কিন্তু সত্য কথাটো কবলৈ অকণো শংকিত হোৱা নাছিল। অসমৰ ৰাজনৈতিক আৰু সমাজ জীৱনত জুবিনৰ স্পষ্টবাদীতাই এক নতুন দিশ মুকলি কৰিবলৈ সক্ষম হৈছিল। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক প্ৰতিটো বিষয়ত জাতিটোৰ হকে মাত মাতিবলৈ প্ৰতিটো সময়তে সজাগ আৰু সচেতন আছিল জুবিন গাৰ্গ। নিজা জীৱনশৈলীৰ বাবে কেৱল অসমতে নহয় সমগ্ৰ দেশতে জুবিন গাৰ্গৰ এক সুকীয়া পৰিচয় আছে। শিশু সুলভ মনৰ অধিকাৰী জুবিন গাৰ্গে অসমীয়া জাতিটোৰ প্ৰতিটো সংকটৰ সময়তে জাতিটোক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰাৰ যি অদম্য হেঁপাহ আৰু সাহস আছিল সেয়া প্ৰতিগৰাকী অসমীয়া ব্যক্তিয়ে আজীৱন মনত ৰাখিব। সদায় আনৰ ভালৰ বাবে চিন্তা কৰা জাতিপ্ৰেমী এগৰাকী ব্যক্তিয়ে এনেদৰে নীৰৱে জাতিটোক কান্দুৱাই গুচি যাব বুলি কোনেও কল্পনাই কৰিব পৰা নাই। ইতিহাস সৃষ্টিকাৰী এগৰাকী শ্ৰেষ্ঠ অসমীয়া আজি ইতিহাস হৈ গল।

**✍ সত্যব্ৰত বৰা**

ভাৰতৰ সূৰ্য উঠা দেশত আজি যেন সংগীত জগতৰ সূৰ্যাস্ত হৈ গল। অসমৰ এটা অমূল্য সম্পদ, ভাৰতৰ এটা উজ্জ্বল ৰত্ন যে এনেদৰে বিদেশৰ মাটিত কেতিয়াও উভতি নহা বাটেৰে বাট বুলিব সেয়া কল্পনাৰো অগোচৰ আছিল। অজান মুলুকত নহৈ অসম মুলুকত হোৱা হলে যে জুবিন গাৰ্গক অসমীয়া জাতিয়ে কেতিয়াও হেৰাই যাবলৈ নিদিয়ে সেয়া হয়তো নেদেখাজনেও অনুমান কৰিছিল। নিজৰ উশাহ দি হলেও যে অসমীয়া জাতিয়ে জুবিন গাৰ্গক জীয়াই তুলিলে হয় সেয়া নেদেখাজনে ভালদৰে জানে। তাৰ বাবে হয়তো আপোন মানুহবোৰ ওচৰত নথকাৰ সুযোগ গ্ৰহণ কৰিয়ে জুবিন গাৰ্গক নেদেখাজনে নিজৰ ওচৰলৈ লৈ গল। হয়তো সাগৰখনে বুজিয়েই নাপালে জুবিন গাৰ্গ নামৰ মানুহ জনৰ জীৱনৰ মূল্য কিমান, ব্যক্তিত্বৰ গভীৰতা কিমান? যিহেতু সাগৰৰ গভীৰততে যথেষ্ট মূল্যবান মণি - মুকুতা পোৱা যায় গতিকে মণি-মুকুটাতকৈও অধিক মূল্যবান হোৱা হেতুকে জুবিন গাৰ্গেও হয়তো সাগৰৰ গভীৰতাতে চিৰ নিদ্ৰাত শুই পৰিল। ব্ৰহ্মপুত্ৰ নদীখন হোৱা হলে অসমীয়া জাতিৰ হিয়াৰ আমঠু জুবিন গাৰ্গক ওভতাই দিলেহেঁতেন। জুবিন গাৰ্গে অসমীয়া জাতিক বহু দিলে, অসমীয়া জাতিয়ে বহু পালে কিন্তু তাতকৈ ডাঙৰ কথাটো হল অসমীয়া জাতিয়ে, অসমীয়া সংগীত জগতে, অসমীয়া চিনেমা জগতে বহু পাবলৈ থাকি গল। অসমীয়া জাতিক লৈ, অসমীয়া চিনেমাক লৈ, অসমীয়া সংগীতক লৈ জুবিন গাৰ্গে ৰচা বহু পৰিকল্পনা আধৰুৱা হৈ থাকি গল। জুবিন গাৰ্গক হেৰুৱা এই ক্ষতি অসমীয়া জাতিৰ বাবে কেতিয়াও পূৰণ নহব। অসমীয়া জাতি, অসমীয়া চিনেমা, অসমীয়া সংগীত জগতৰ বাবে আৰু কেতিয়াও উদয় নহব জুবিন গাৰ্গ নামৰ এই সূৰ্যটো।

# এটা যুগৰ অৱসান হ'ল



এটা যুগৰ অৱসান হ'ল
অনামিকাক সাৰে থাকিব দি
নিজেই চিৰদিনলৈ ঘূৰি নহাৰ
বাটে গুচি গ'ল।
এটা যুগৰ অৱসান হ'ল।

বিশ্বৰ সকলোকে
মায়াৰে আৱৰি
আজি তেওঁ
অনুৰাধাৰ দেশলৈ
গুচি গ'ল।

এটা যুগৰ অৱসান হ'ল।

সমগ্ৰ জাতিটোৱে
বিচৰা মৰমবোৰ
মনৰ নিজানত ৰাখি
পাখি মেলি উৰা মাৰিলে
অজান দেশলৈ বুলি।

নায়ক হ'ব খুজা
অক্লান্ত যুদ্ধাই আজি
বকুল ফুলৰ দৰেই
মৰহি গ'ল।
তাৰ সুবাস থাকি গ'ল।
এটা যুগৰ অৱসান হ'ল।

মায়াবিনী ৰাতিৰ বুকুত
সপোন দেখাজনেই আজি
দিহিঙিৰ গৰা ভাঙি
গ'লগৈ গুপুতে গুপুতে আজি।

সোণেৰে সজোৱা পজাঁটো ভাঙি,
আনে যোৱা বাটে নোযোৱাজনে
এই মায়াৰ ধৰা এৰি গ'লগৈ
আইনা ভঙাদি সকলোৰে হৃদয়
ভাঙি।

শান্তি আৰু মুক্তি বিচাৰি
মাজুলীৰ এজনী ছোৱালীক নহয়
সমগ্ৰ জাতিটোক দুখ দি
গ'লগৈ সকলো মায়া এৰি।

অলকানন্দাৰ ওঁঠৰ হাঁহি
আজি হেৰাই গ'ল।
সোণৰ অসম ৰচিবলৈ
দেখা সপোন আজি ভাঙি গ'ল।

মই কাঞ্চনজংঘা,
বুলি উদাত্ত কণ্ঠেৰে
কোৱাজনেই আজি,
আকাশখন গাতে লৈ
সাগৰৰ তলিত শুই পৰিল
চিৰদিনলৈ।

মন যায় ...!
মন গৈছে,
সুৰীয়া গানেৰে আকৌ
ঘূৰাই আনিবলৈ।
কিন্তু তেওঁ যে
ভৰ দুপৰীয়া গ'লগৈ
কাকো নোকোৱাকৈ।
এটা গান শেষ হ'ল।
এটা যুগৰ অৱসান হ'ল।

**✍ কংকন ডেকা**

# হাৰ্টথ্ৰৱ জুবিন দা

**✍ কল্যাণী গগৈ(মুনু)**

অসমী আইৰ বুকুৰ
প্ৰকৃতিৰ সন্তান তুমি
সমগ্ৰ অসমবাসীৰ
হাৰ্টথ্ৰৱ তুমি সংগীত শিল্পী
তোমাৰ কণ্ঠত বিৰাজমান
মা সৰস্বতীৰ
তুমি প্ৰতিবিম্ব সমগ্ৰ
অসমীয়া জাতিৰ
তুমিয়েই অসমীয়া জাতিৰ সত্তা
তুমিয়েই সাহিত্য-সংস্কৃতিৰ নৱ শ্ৰষ্টা
কিন্তু আজি যেন
চৌপাশ নিতাল নিস্তব্ধ
আজি ম্লান হৈ পৰিল
এটি উজ্জ্বল নক্ষত্ৰ
জীৱনৰ শেষ বিন্দু হৈছে মৃত্যু
যাৰ কোনো আদি নাই,
মাথোঁ শূন্যতাৰ ই এক বিৰাম যাত্ৰা
তথাপি দেখোন
কিছুমান মৃত্যুক মানি লোৱাটো
বৰ কঠিন হৈ পৰে
তেনে এক অবিশ্বাস্য, অসহনীয় দুৰ্ঘটনাত
আজি চিৰ বিদায় ললা তুমি
চিংগাপুৰৰ অচিন সাগৰৰ বুকুত
যি ঘটনাই নিমিষতে কাঢ়ি নিলে
অসমীয়াৰ হৃদয়ৰ হাৰ্টথ্ৰৱ
দেশবাসীৰ বুকু আজি
উদং হৈ পৰিল
সামৰণি পৰিল একোটা যুগৰ
অসমবাসীৰ প্ৰস্ফুটিত দুখৰ বুকুত
ই যেন কল্পনাতীত

যাৰ প্ৰতিটো গীতৰ
গাম্ভীৰয্যপূৰ্ণ অৰ্থেৰে কঁপাইছিল ধৰা
যিয়ে পংগু মানৱক
সংগীত, সাহিত্যৰ মাজেৰে
জীৱন জীয়াৰ বাট দেখুৱাইছিল
তেওঁ 'মায়াবিনী ৰাতিৰ বুকুত' ৰ'দ হৈ
চিৰ দিনলৈ নুমাই গ'ল
শুভ্ৰ আকাশৰ এটি ধ্ৰুৱ তৰা
হে মহান শিল্পী জুবিন দা
তোমাৰ শ্ৰী চৰণত জনালোঁ
মই শতকোটি প্ৰণাম
অসমীয়া জাতিৰ স্বাভিমান তুমি
অধীৰ আগ্ৰহেৰে বাট চাম তোমালৈ
পুনৰ উভতি আহিবা তুমি
নতুনত্বৰ জোৱাৰে অসমবাসীৰ বুকুৰ
চিৰজ্যোতিযমান সম্পদ হৈ।।

# তোমাকতো বিদায় দিয়া নাছিলোঁ জুবিন

**✍ হিমাংশু পাঠক**

ঘেণ্টাও খাতিৰ নকৰো বুলি
সাগৰক এটা ধমকি দি কিয়
উঠি আহিব নোৱাৰিলা?
কিয়?
কিয় তোমাৰ লুৰুকি যোৱা জিভাই এবাৰো
নক'লে
মই অকলশৰে মৰিব নোৱাৰোঁ!
কিয় ক'ব নোৱাৰিলে তোমাৰ
খাৰাংখাচ জিভাই
মোৰ জীৱন আৰু মৃত্যুৰ অগণন
বলীয়া প্ৰেমিক আছে বুলি। তেওঁলোকে,
তোমাক অভিশাপ দিব সাগৰ
কোনো অসমীয়াই তোমাৰ পৃষ্ঠৰ প্ৰেমত
নপৰিব।
তোমাকতো বিদায় দিয়া নাছিলোঁ
তোমাৰ প্ৰতিটো অভিমানক
আমি কলিজাত স্থান দি
বতাহত উৰুৱাই দিছিলোঁ।
কিয়
তুমি সাগৰক এটাও ধমকি দি
উঠি আহিব নোৱাৰিলা
কিয়
তুমি ঘেণ্টাও খাটিৰ নকৰোঁ বুলি
বুঢ়া আঙুলি দেখুৱাই গুছি নাহিলা
তোমাকতো আমি বিদায় দিয়া নাছিলোঁ
তেন্তে কিয়
সাগৰক এটাও ধমকি দিব নোৱাৰিলা
ঘেণ্টাও খাতিৰ নকৰোঁ মই
অসমলৈ যামেই বুলি নক'লা।

### উৎপাদন কাৰ্যত অভিলেখ সৃষ্টি অইলৰ

# অইলৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন




**অসম বাৰ্তা, দুলীয়াজান, ১৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰ দ্বিতীয় বৃহৎ ৰাষ্ট্ৰীয় তৈল প্ৰতিষ্ঠান তথা মহাৰত্ন কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ ৬৬ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখনি আজি অনুষ্ঠিত হৈ যায়। ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক শক্তিৰ ক্ষেত্ৰত এখন স্বনিৰ্ভৰশীল দেশ গঢ়াৰ যি সপোন দেখিছে তাক বাস্তৱ ৰূপ দিয়াৰ প্ৰচেষ্টাত ইতিমধ্যে ভাৰত আগবাঢ়িছে আৰু এই প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনাই অইল ইণ্ডিয়া লিমিটেডে ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰসমূহ তথা 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'বিকশিত ভাৰত' ৰ সৈতে নিজৰ কাৰ্য্যাৱলীসমূহৰ সংগতি ৰক্ষা কৰিছে। অংশীদাৰসকলৰ উদ্দেশ্যি দিয়া ভাষণত অইলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথে ভাৰতৰ বাবে বহনক্ষম শক্তিৰ ভৱিষ্যৎ গঢ়ি তোলাৰ দিশত অইলৰ সংকল্পক পুনৰ দৃঢ় কৰে। সভাত ড° ৰথে ১৪ ছেপ্টেম্বৰত নুমলীগড়ত অসমৰ মুখ্যমন্ত্ৰীৰ লগতে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ মন্ত্ৰী, বন্দৰ, জাহাজ আৰু অন্তৰ্দেশীয় জলপথ বিভাগৰ মন্ত্ৰী, আৰু কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অন্যান্য উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা বিশ্বৰ প্ৰথমটো বাঁহ ভিত্তিক ২-জি বায়' ইথানল প্লাণ্টৰ কথা উল্লেখ কৰে। তেওঁ কয় যে, এই গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আৰম্ভণিয়ে ভাৰত চৰকাৰৰ আমদানিৰ বিকল্প আৰু 'মেক ইন ইণ্ডিয়া' প্ৰচেষ্টাত অৱদান আগবঢ়াব আৰু ই জৈৱ শক্তি ৰূপান্তৰ আৰু স্থানীয় সম্পদত মূল্য সংযোজনৰ ক্ষেত্ৰত কোম্পানীটোৰ অগ্ৰণী ভূমিকাক প্ৰতিফলিত কৰিছে। ইয়াৰ উপৰিও নুমলীগড়ত প্ৰধানমন্ত্ৰীয়ে ৩৬০ কে টি পি এ-ৰ পলিপ্ৰ'পাইলিন প্লাণ্টৰ আধাৰশিলা স্থাপন কৰে, যিটো এন আৰ এলে ৭ হাজাৰ কোটি টকাৰো অধিক প্ৰকল্প ব্যয়ৰে ৰূপায়ণ কৰিব। সম্প্ৰসাৰিত শোধনাগাৰৰ সৈতে সংগতি ৰাখি ই এন আৰ এলৰ পেট্ৰ'কেমিকেল ইনটেনচিটি ইনডেক্স ৪.০ লৈ বৃদ্ধি কৰিব। উল্লেখযোগ্য যে, নুমলীগড় শোধনাগাৰ লিমিটেড হৈছে অইল ইণ্ডিয়া লিমিটেডৰ এক প্ৰধান সহযোগী প্ৰতিষ্ঠান। ২০২৪-২৫ বিত্তীয় বৰ্ষটো আছিল অইলৰ বাবে এক উল্লেখযোগ্য বৰ্ষ, কিয়নো এই বৰ্ষটোতে অইলে সঞ্চালন কাৰ্য্যৰ উৎকৃষ্টতা আৰু কৌশলগত বিকাশৰ সহায়ত কোম্পানীটোৰ সৰ্বকালৰ সৰ্বাধিক তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন কৰিবলৈ সক্ষম হয়। অইলে প্ৰতিষ্ঠাৰ সময়ৰ পৰা এতিয়ালৈকে সৰ্বাধিক তেOEG (তেল তেলৰ সমতুল্য গেছ) উৎপাদন ৬.৭১০ নিযুত মেট্ৰিক টন তেলৰ সমতুল্যৰ অভিলেখ গঢ়িছে, লগতে প্ৰাকৃতিক গেছৰ উৎপাদনো এতিয়ালৈকে সৰ্বাধিক ৩, ২৫২ নিযুত মেট্ৰিক ঘন মিটাৰ হৈছে। বিত্তীয় ক্ষেত্ৰত চাবলৈ গ'লে অইলৰ স্বাধীনভাৱে মুঠ আয় হয় ২৩, ৯৮৭ কোটি টকা আৰু সংহতভাৱে হয় ৩৭, ৮৩০ কোটি টকা। নিকা লাভ (নেট প্ৰফিট) হয় ৬, ১১৪ কোটি টকা (স্বাধীন) আৰু ৭, ০৪০ কোটি টকা (সংহত), যথাক্ৰমে ২৭.৬৪ শতাংশ আৰু ১৯.৪৭ শতাংশ মাৰ্জিনসহ। বিশ্বৰ অস্থিৰ বজাৰ পৰিস্থিতিৰ মাজতো অইলৰ সুশংখলিত মূলধনী কৌশল আৰু কাৰ্য্যকৰী উৎকৃষ্টতাই ইয়াৰ আৰ্থিক শক্তিক অধিক দৃঢ় কৰি তুলিছিল। কোম্পানীয়ে ইয়াৰ অংশীদাৰসকলক সুস্থ লভ্যাংশ প্ৰদান বৰ্তাই ৰাখি সংহতভাৱে ১৮, ০০০ কোটি টকাতকৈও অধিক শক্তিশালী মূলধনী বিনিয়োগ কাৰ্য্যসূচী বৰ্তাই ৰাখিবলৈ সক্ষম হয়। অন্যহাতে, উদ্ভাৱনে প্ৰতিষ্ঠানটোৰ মেৰুদণ্ড ৰূপে ভূমিকা পালন কৰি আহিছে। 'প্ৰপেলেণ্ট ষ্টীমুলেচন', 'ফিচব'ন ড্ৰিলিং' আৰু এ আই (AI)-ভিত্তিক বিজাৰ্ভয়ৰ মডেলিঙৰ দৰে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি মজুতসমূহ উন্মোচন, খৰচ অনুকূল আৰু পুনৰুদ্ধাৰ বৃদ্ধি কৰাৰ চেষ্টা কৰা হয়। ভাৰতৰ নেট জিৰ' ২০৭০ লক্ষ্যৰ সৈতে সম্পূৰ্ণৰূপে সংগতি ৰাখি অইলে নিজৰ নেট জিৰ' ২০৪০ লক্ষ্যৰ দিশত শক্তিশালী অগ্ৰগতি লাভ কৰি পূৰ্বৰ বছৰৰ তুলনাত ফ্লেয়াৰিং ৫৯ শতাংশ হ্ৰাস, কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমন নিয়ন্ত্ৰণ আৰু শক্তি দক্ষতা ব্যৱস্থা সমূহ ৰূপায়ণ কৰে। নুমলীগড় শোধনাগাৰ লিমিটেড (এন আৰ এল) ৰ জৰিয়তে ৰূপান্তৰশীল প্ৰকল্পৰ সমান্তৰালকৈ নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰ'জেন, জৈৱ ইন্ধন আৰু সংকুচিত বায়' গেছত বিনিয়োগ বৃদ্ধি কৰিছে, য'ত আছে তিনিগুণ ক্ষমতা সম্প্ৰসাৰণ, ২জি বায়'-ইথানল প্লাণ্ট, সেউজ হাইড্ৰ'জেন প্ৰকল্প আৰু ভাৰতৰ প্ৰথমটো বৃহৎ পৰিসৰৰ বহনক্ষম বিমান ইন্ধন (এছ এ এফ) ব্যৱস্থা। সামাজিক দিশত অইলে নিজৰ কৰ্মাঞ্চল সমূহত স্বাস্থ্যসেৱা, শিক্ষা, দক্ষতা বিকাশ, ক্ৰীড়া আৰু বহনক্ষম জীৱিকাৰ ক্ষেত্ৰত বিনিয়োগ অব্যাহত ৰাখিছে আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে নিজৰ ভূমিকাক পুনৰ দৃঢ় কৰি তুলিছে। ড° ৰথে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, বিশেষকৈ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি বিনিয়োগকাৰী, অংশীদাৰ আৰু কৰ্মচাৰীসকলক তেওঁলোকৰ দৃঢ় আস্থা আৰু অৱদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ড° ৰথে তেখেতৰ বক্তব্যৰ সামৰণিত কয়, "তেল আৰু গেছৰ পৰা আৰম্ভ কৰি স্বচ্ছ, বহনক্ষম আৰু প্ৰযুক্তিগতভাৱে উন্নত শক্তি সমাধানলৈকে ভাৰতৰ শক্তি খণ্ডত দৃঢ়ভাৱে নেতৃত্ব দিবলৈ অইল সক্ষম যিয়ে দেশৰ প্ৰগতি সুনিশ্চিত কৰিব।"

# হোজাই জিলা যুটীয়া স্বাস্থ্য বিভাগৰ উদ্যোগত 'সেৱা সপ্তাহ' উপলক্ষে গছপুলি ৰোপণ আৰু তেজদান শিবিৰ

**অসম বাৰ্তা, মোৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ** ভাৰতবৰ্ষৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিনৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ উদ্যোগত বিভিন্ন বিভাগৰ দ্বাৰা সমগ্ৰ ৰাজ্যৰ লগতে হোজাই জিলাতো ১৭ ছেপ্টেম্বৰৰ পৰা ২৫ ছেপ্টেম্বৰ লৈকে পালন কৰা হৈছে "সেৱা সপ্তাহ"। ১৭ ছেপ্টেম্বৰ দিনা পুৱাৰ ভাগত হোজাই জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী আৰু হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষে গছপুলি ৰোপণ কৰি "সেৱা সপ্তাহ"ৰ বিশাল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ পাছতে হোজাই জিলা পশু পালন আৰু পশু চিকিৎসা বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গনত জিলা প্ৰশাসন আৰু হোজাই জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত হাজী আব্দুল মজিদ মেমৰিয়েল চিকিৎসালয়ৰ কাৰিকৰী সহযোগিতাত বিশাল ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ আৰু জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে একেলগে ফিতা কাটি ৰক্তদান শিবিৰ শুভাৰম্ভ কৰে। ৰক্তদান শিবিৰত লামডিঙৰ বিধায়ক শিবু মিশ্ৰ, জিলা আয়ুক্ত বিদ্যুত বিকাশ ভাগৱতীয়ে নিজেই তেজ দান কৰি ৰক্তদান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মুঠ ৭৭ গৰাকী ব্যক্তিয়ে ৰক্তদান শিবিৰত অংশগ্ৰহণ কৰি স্ব- ইচ্ছাই তেজ দান কৰে। এই অনুষ্ঠানত জিলা আয়ুক্ত আৰু বিধায়কদ্বয়ৰ উপৰিও হোজাই জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ বাসুদেৱ মালাকাৰ, যুঁটিয়া স্বাস্থ্য সঞ্চালক ড° কে চি গগৈ, অতিৰিক্ত আয়ুক্ত সপ্তুতী এন্দো, সহকাৰী আয়ুক্ত ডঃ বিভূতি সন্দিকৈ, জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ড° লোচন ৰঞ্জন তালুকদাৰ, হোজাই হাম চিকিৎসালয়ৰ বিশিষ্ট চিকিৎসক ডাঃ চি. ইছলাম, হোজাই জিলা বিজেপিৰ সভাপতি দিলীপ ধৰ সহ অন্যান্যসকল উপস্থিত থাকে। তেজদান কৰি জিলা আয়ুক্ত বিদ্যুত বিকাশ ভাগৱতীয়ে কয় যে তেজদান এক মহৎ কাম। দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিনৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত এই "সেৱা সপ্তাহ" উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সেৱা দিৱসৰ লগত সংগতি ৰাখি বহুকেইটা কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ অংশস্বৰূপে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণৰ পাছত এক বিশাল তেজদান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত গৰাকীয়ে আৰু কয় যে, ৰক্তদান জীৱন দান বাণীৰ জৰিয়তে সকলোকে উদ্ধুধ কৰিবলৈ বিচৰা হৈছে, যাতে সকলোৱে স্ব-ইচ্ছাই তেজদান কৰিবলৈ ওলাই আহে। ভাৰতবৰ্ষত এতিয়াও বহুলোকে দুৰ্ঘটনাতে হওক বা বিভিন্ন ৰোগতে হওক, তেজৰ অভাৱত মৃত্যুক সাৱটিবলগা হৈছে। সেয়েহে যি ৰক্তদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে, ইয়াত বহু লোক উৎসাহী হৈ ওলাই আহিছে। যাৰ ফলত ৰক্তদান কাৰ্যসূচীৰ এক সফল পৰিসমাপ্তি সম্ভৱ হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। এই ৰক্তদন শিবিৰত দুয়োগৰাকী বিধায়কে তেজদানৰ প্ৰয়োজনীয়তাৰ বিষয়ত চমু বক্তব্য আগবঢ়াই প্ৰধানমন্ত্ৰীৰ জন্মদিনত ৰক্তদানৰ দৰে মহৎ কাৰ্যসূচী গ্ৰহণ কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰে।

### 'কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা একাংক নাট প্ৰতিযোগিতাই অসমৰ নাট্য আন্দোলনত এক ধাৰাৰ সৃষ্টি কৰিছে' -অজিত বৰঠাকুৰ

# মৰিগাঁৱত ৩২ সংখ্যক সদৌ অসম কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি, অস্থায়ী কাৰ্যালয় মুকলি




**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ আগশাৰীৰ নাট প্ৰতিযোগিতা সদৌ অসম কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাখনি আগন্তুক ২৭ আৰু ২৮নবেম্বৰত মৰিগাঁৱত অনুষ্ঠিত হ'ব। মৰিগাঁও উচ্চতৰ মাধ্যমিক অৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া ৩২ সংখ্যক নাট প্ৰতিযোগিতা খনৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। সেই উপলক্ষে আজি মৰিগাঁও নগৰৰ স্পৰ্টিং ক্লাৱত দিনৰ ভাগত অস্থায়ী কাৰ্যালয় আনুষ্ঠানিক ভাৱে মুকলি কৰা হয়। সদৌ অসম কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মাই আঁতধৰা অস্থায়ী কাৰ্যালয়ৰ মুকলি অনুষ্ঠানত সভাপতি লিপিকা বৰুৱাই ফিতা কাটি অস্থায়ী কাৰ্যালয়টি আনুষ্ঠানিক ভাৱে মুকলি কৰে। সভাপতি গৰাকীয়ে অসমৰ নাট্য দল সমূহৰ যোগদান আৰু নাট্য প্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰে। এই অনুষ্ঠানত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি, প্ৰবীণ নাট্যকৰ্মী মহেন্দ্ৰ নাথ হাজৰিকাই। অনুষ্ঠানত ৰাজ্যখনৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক অজিত বৰঠাকুৰ উপস্থিত থাকি ভাষণত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱাৰ স্মৃতিত অনুষ্ঠিত হোৱা একাংক নাট প্ৰতিযোগিতাই নাট্যদল সমূহক অধিক উৎসাহিত কৰাৰ লগতে এক নাট্য পৰিৱেশৰো জন্ম দিছে বুলি উল্লেখ কৰে। তেওঁ ক্ষীৰোদ বৰুৱা নাট প্ৰতিযোগিতা খনিয়ে অসময় নাট্য আন্দোলনত এক ধাৰাৰ সৃষ্টি কৰিছে বুলি তেওঁ ভাষণত উল্লেখ কৰে। উল্লেখ্য যে- কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱাৰ ২৭ নৱেম্বৰৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰিব লগা নাট প্ৰতিযোগিতা খনিত নাট্যদলৰ যোগদান বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিযোগিতা খনি তিনিদিনীয়া হোৱাৰো সম্ভাৱনা আছে বুলি সভাপতি গৰাকীয়ে জানিবলৈ দিয়ে। অস্থায়ী কাৰ্যালয় মুকলি অনুষ্ঠানত একাংক নাট প্ৰতিযোগিতাৰ মুখ্য উপদেষ্টা প্ৰণৱজ্যোতি বৰকটকী, সম্পাদক সীমান্ত হাজৰিকা আৰু প্ৰণৱ দাস, জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন, জিতুমণি নাথ, নাট্যকৰ্মী কুলিন বৰা, অভিজিত মহন্তকে ধৰি সদৌ অসম কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ সকলো বিষয়ববীয়া তথা সদস্য সকলৰ উপৰিও বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# সাংবাদিকৰ ওচৰত ভুল স্বীকাৰ, ক্ষমা প্ৰাৰ্থনা বীৰ লাচিত সেনাৰ কৰ্মীসকলৰ

**অসম বাৰ্তা, লেংটিছিঙা, ১৯ ছেপ্টেম্বৰ ঃ** অৱশেষত শিৰণত কৰিলে বীৰ লাচিত সেনাৰ কৰ্মী সকলৰ। ১৪ ছেপ্তেম্বৰত বঙাইগাঁও জিলাৰ জেষ্ঠ সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়ৰ অভয়াপুৰীৰ ভোমাপাৰাস্থিত বাসগৃহত গৈ মৃত্যুৰ ভাবুকি দিয়া বীৰ লাচিত সেনাৰ অভয়াপুৰী আঞ্চলিকৰ নেতাসকলে কালিৰ সন্ধিয়া জেষ্ঠ সাংবাদিক গৰাকীৰ গৃহত উপস্থিত হৈ ক্ষমা প্ৰাৰ্থনা বিচাৰে। উল্লেখযোগ্য যে, অভয়াপুৰী মহাবিদ্যালয়ৰ প্ৰৱেশ দুৱাৰৰ সন্মুখত বীৰ লাচিত সেনা, অভয়াপুৰী আঞ্চলিক সমিতিয়ে আৰি দিয়া বেনাৰ এখনৰ এটা বানান ভুল ধৰাক কেন্দ্ৰ কৰি সাংবাদিক গৰাকীৰ বাসগৃহৰ পদূলিত গৈ হত্যাৰ ভাবুকি দিছিল সংগঠনটোৰ একাংশ নেতাই। ইয়াৰ নেতৃত্বত আছিল প্ৰাণজিত দাস, ৰূপম কলিতা আৰু নৱজ্যোতি দাস ওৰফে জিতু। এই ঘটনা সন্দৰ্ভত বিক্ৰম ৰঞ্জন ৰয়ে অভয়াপুৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত ঘটনাটোক লৈ বঙাইগাঁও জিলাৰ বিভিন্ন দল-সংগঠনে গৰিহণা দিছিল। লগতে সদৌ অসম সাংবাদিক সন্থা (আজু) য়ে অভয়াপুৰী সমজিলা আয়ুক্তৰ জৰিয়তে মাননিয় মুখ্যমন্ত্ৰী লৈ এখন স্মাৰক প্ৰত্ৰ প্ৰেৰণ কৰি সাংবাদিকজনক ভাবুকি দিয়া নেতাসকলক গ্ৰেপ্তাৰৰ দাবী তুলিছিল। অৱশেষত, সাংবাদিকৰ লগত হোৱা ঘটনাটোত নিজৰ ভুল স্বীকাৰ কৰি আৰু ভৱিষ্যতে কোনো সাংবাদিকৰ লগত বেয়া ব্যৱহাৰ নকৰাৰ প্ৰতিশ্ৰুতি দি ক্ষমা প্ৰাৰ্থনা বিচাৰে বীৰ লাচিত সেনাৰ, অভয়াপুৰী আঞ্চলিক সমিতিৰ কৰ্মীসকলে।

# বঙাইগাঁও বিধানসভা সমষ্টিত মেগা স্বাস্থ্য শিবিৰ




**অসম বাৰ্তা, বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী পদক্ষেপ হিচাপে বঙাইগাঁও বিধানসভা সমষ্টিত আজি মেগা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা। বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে আজি ৰাতিপুৱা এই স্বাস্থ্য শিবিৰ ৰঙাফিতা কাটি শুভ উদ্বোধন কৰে। শুভাৰম্ভণি অনুষ্ঠানত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ মিছন সঞ্চালক, ডাঃ লক্ষ্মনণ এচ, জিলা আয়ুক্ত নবদ্বীপ পাঠক, বঙাইগাঁও উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ গোপেশ্বৰ তালুকদাৰ তথা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ বলেন্দ্ৰ নাৰায়ণ ডেকা উপস্থিত থাকে। আজিৰ স্বাস্থ্য শিবিৰ উদ্বোধন কৰি দিয়া ভাষণত সাংসদ ফণীভূষণ চৌধুৰীয়ে কয় যে এই বৃহৎ স্বাস্থ্য শিবিৰে বঙাইগাঁৱৰ সৰ্বসাধাৰণ ৰাইজক বাৰুকৈয়েই উপকৃত কৰিব। তেওঁ আৰু কয় যে আমি সাধাৰণ মানুহখিনিয়ে যিকোনো বেমাৰ আৰম্ভ হোৱাৰ লগে লগে চিকিৎসা নকৰো, যাৰ ফলত পৰৱৰ্তীসময়ত ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰে। গতিকে সাংসদ শ্ৰী চৌধুৰীয়ে চৰকাৰে ৰাইজলৈ আগবঢ়োৱা এই সুবিধা গ্ৰহণ কৰা উচিত বুলি উল্লেখ কৰে। আয়ুষ্মান কাৰ্ডৰ জৰিয়তেও সাধাৰণ ৰাইজে চিকিৎসাৰ ক্ষেত্ৰত সুবিধাসমূহ লাভ কৰিব পাৰে বুলি কয় সাংসদ শ্ৰী চৌধুৰীয়ে। অৱশ্যে আয়ুষ্মান কাৰ্ড লোৱাৰ প্ৰক্ৰিয়া বহু সংখ্যক লোকে নজনা বাবে সেই সুবিধাসমূহ ল'ব নোৱাৰে বুলিও সাংসদগৰাকীয়ে কয়। আজিৰ অনুষ্ঠানত বঙাইগাঁও সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে ভাষণ প্ৰসংগত কয় যে দেহা থাকিলেহে বেহা, স্বাস্থ্যই পৰম ধন, গতিকে সকলো লোকে নিজৰ স্বাস্থ্য ভালে ৰখাৰ ওপৰত গুৰুত্ব দিয়াটো অতীৱ প্ৰয়োজন। কিন্তু আমি সাধাৰণ লোকে নিজৰ স্বাস্থ্যৰ প্ৰতি আওকাণ কৰো যাৰ ফলত বেমাৰে জটিল ৰূপ লয়। আজিৰ মেগা স্বাস্থ্য শিবিৰৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ মিছন সঞ্চালক শ্ৰী লক্ষ্মনণে কয় যে আজিৰ এই বৃহৎ স্বাস্থ্য শিবিৰত স্ত্ৰীৰোগ বিশেষজ্ঞ, শিশুৰোগ বিশেষজ্ঞ, চৰ্মৰোগ বিশেষজ্ঞ, হৃদৰোগ বিশেষজ্ঞ, অস্থিৰোগ বিশেষজ্ঞ, কৰ্কটৰোগ বিশেষজ্ঞ, স্নায়ুজনিত ৰোগ বিশেষজ্ঞ চকু, কাণ, ডিঙি ৰোগ বিশেষজ্ঞ, শল্য চিকিৎসকক ধৰি প্ৰায়বিলাক বেমাৰৰে বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াই আছে। আজিৰ এই শুভাৰম্ভণি অনুষ্ঠানত ভাষণ দি জিলা আয়ুক্ত নৱদ্বীপ পাঠকে কয় যে বঙাইগাঁও সমষ্টিৰ হেজাৰোধিক ৰোগীক চিনাক্ত কৰা হৈছে আৰু তেওঁলোকক আজিৰ স্বাস্থ্য শিবিৰত চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। এই মেগা স্বাস্থ্য শিবিৰত যিসকল লোকৰ চিকিৎসা কৰিবলৈ লোৱা হৈছে, তেওঁলোকৰ সম্পূৰ্ণ চিকিৎসা জিলা চিকিৎসালয়ত সম্ভৱ নহ'লে চিকিৎসা মহাবিদ্যালয়ত কৰা হ'ব আৰু প্ৰয়োজন হ'লে অসমৰ বাহিৰত হ'লেও চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে জিলা আয়ুক্ত নৱদ্বীপ পাঠকে। আজিৰ মেগা স্বাস্থ্য শিবিৰৰ সামগ্ৰিক তদাৰক কৰে সহকাৰী আয়ুক্ত মূৰ্ছনা মালাকাৰে। উল্লেখ থাকে যে আজিৰ মেগা স্বাস্থ্য শিবিৰত ১৫৯৬গৰাকী ৰোগীক পঞ্জীয়ন কৰি চিকিৎসা সেৱা আগবঢ়োৱা হয়। আজিৰ এই মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাত জনস্বাস্থ্য কাৰিকৰী বিভাগ, মহিলা আৰু শিশু বিকাশ বিভাগ তথা শিক্ষা বিভাগেও সহযোগিতা আগবঢ়াইছে।

### ৰাইজৰ ৰোষৰ পৰা লাটমণ্ডলক উদ্ধাৰ আৰক্ষীৰ

# গৰৈমাৰীত দুৰ্নীতিগ্ৰস্থ লাট মণ্ডল পদৰ দৈমাৰীক লপা-থপা ভুক্তভোগী ৰাইজৰ



**অসম বাৰ্তা, গৰৈমাৰী, ১৯ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নূপুৰ বৰাক মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই আয় বহিৰ্ভূত গোচৰত গ্ৰেপ্তাৰ কৰাৰ পিছত গৰৈমাৰীত আজি একাংশ ভুক্তভোগী ৰাইজে মাটি সংক্ৰান্তিয় কাম-কাজৰ বাবে ধন লোৱা দুৰ্নীতিগ্ৰস্থ লাট মণ্ডল এগৰাকীক লপা-থপা দিয়ে। উল্লেখ্য যে গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত যোগদান কৰাৰ পিছৰ পৰাই নূপুৰ বৰাই লাট মণ্ডলৰ সৈতে একাংশ দালালৰ হতুৱাই হকে-বিহকে ধন ঘটিবলৈ আৰম্ভ কৰিছিল। আনকি ধুৰন্ধৰ চক্ৰ বিষয়াগৰাকীয়ে গোপন বুজাবুজিৰে মাটি সংক্ৰান্তিয় কাম-কাজৰ নামত গৰৈমাৰীত মুকলি বজাৰ খুলি কোটি কোটি টকা আত্মসাৎ কৰিছিল। ইপিনে চক্ৰ বিষয়াৰ কাৰ্যালয়ত অনলাইন আৰ টি পি এছৰ জৰিয়তে বিভিন্ন কাম-কাজৰ বাবে ভিন্নজনে আবেদন কৰে যদিও উক্ত আবেদনসমূহৰ কাম যথাসময়ত নকৰাৰ বাবে ছমাহৰ পৰা এবছৰলৈকে নিষ্পত্তি নোহোৱাকৈ পৰি থাকে। অভিযোগ মতে সৰু-সুৰা কামৰ বাবে গ'লেও চক্ৰ বিষয়া নূপুৰ বৰাই ধন দাবী কৰিছিল আৰু ধন আদায় দিব নোৱাৰিলেই কামৰ পৰা বঞ্চিত হৈছিল দৰিদ্ৰ শ্ৰেনীৰ লোক। মাটি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত জনসাধাৰণক অতি কম সময়ৰ ভিতৰত চৰকাৰে সকলোখিনি কাম সম্পাদনা কৰাৰ বাবে Deed Registered হোৱাৰ পিছত Automutationৰ ব্যৱস্থা কৰিছে যদিও চক্ৰ বিষয়া নূপুৰ বৰাই সম্পূৰ্ণ ব্যৱস্থাটোক প্ৰহসনত পৰিণত কৰিছিল। গৰৈমাৰী ৰাজহ চক্ৰৰ দুৰ্নীতি পৰায়ণ চক্ৰ বিষয়া নূপুৰ বৰাই নিজৰ চকীখনক আলাদিনৰ চাঁকিলৈ পৰিণত কৰিছিল। যাৰ পৰিপেক্ষিতত দুৰ্নীতি পৰায়ণ চক্ৰ বিষয়া নূপুৰ বৰাৰ বিৰুদ্ধে এক উচ্চপৰ্যায়ৰ তদন্তৰ জৰিয়তে চক্ৰ বিষয়াগৰাকীক অতি শীঘ্ৰে শাস্তিমূলক বদলিৰ ব্যৱস্থাৰ দাবী জনাই পূৱ ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থাৰ ফালৰ পৰা এখন স্মাৰকপত্ৰ ২৮ জুলাইত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত দাখিল কৰিছিল। উল্লেখ্য যে, গৰৈমাৰী সত্ৰ গাঁৱৰ ১৫০ নং পট্টাৰ ১১৪ নং দাগত ১ বিঘা ৩ কঠা ৫ লেচা ভূমি প্ৰয়াত পবিত্ৰ কুমাৰ দাস আৰু প্ৰভাত দাসৰ নামত পূৰ্বৰ পৰাই ম্যাদী হৈ আছিল। কিন্তু লাট মণ্ডল পদৰ দৈমাৰীয়ে ১১৪ নং দাগ বিলুপ্ত কৰি নতুনকৈ ১ নং পট্টাত ম্যাদী ভূমি একচনা দেখুৱায়। ইয়াৰোপৰি উক্ত ভূমি গৰৈমাৰী সত্ৰ গাঁৱৰ ৰঞ্জিত কুমাৰ বসাকৰ নামত পুনৰ ম্যাদীভূক্ত কৰি নতুনকৈ ৯৯২নং দাগ আৰু ৫৯২ নং পট্টাত জালিয়াতিৰে বাটোৱাৰা কৰে। ইপিনে টুক্ৰাপাৰা গাঁৱৰ ২ বিঘা ৭৫ লেচা ভূমি নাম বাহাল আৰু ভাগ-বাটোৱাৰা কৰাৰ নামত লাট মণ্ডল পদৰ দৈমাৰীয়ে আব্দুল গফুৰৰ পৰা ৩ লাখ টকা উৎকোচ হিচাপে লোৱা বুলি অভিযোগ তুলি ভূক্তভোগী আব্দুল গফুৰে কালি লাট মণ্ডল পদৰ দৈমাৰীৰ বিৰুদ্ধে গৰৈমাৰী থানাত এজাহাৰ দাখিল কৰে। জানিব পৰামতে গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ গৰৈমাৰী লাটৰ মণ্ডল পদৰ দৈমাৰী আজি কাৰ্যালয় চৌহদত প্ৰবেশৰ পিছত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ ভুক্তভোগী ৰাইজে লাট মণ্ডল পদৰ দৈমাৰীক খেদি খেদি লপা-থপা দিয়ে। পিছত ৰাইজৰ ৰোষত পৰা লাট মণ্ডল পদৰ দৈমাৰীক গৰৈমাৰী আৰক্ষীয়ে উদ্ধাৰ কৰি থানালৈ নিয়ে। ইপিনে এ চি এছ বিষয়া নূপুৰ বৰা গ্ৰেপ্তাৰ হোৱাৰ পিছৰ পৰা গৰৈমাৰী ৰাজহ চক্ৰ এলেকাৰ সকলো মাটি-বাৰী সংক্ৰান্তিয় আৰু চৰকাৰী কামকাজ সম্পূৰ্ণভাৱে ব্যহত হৈ পৰিছে।

# বৰ্ণাঢ্য কাৰ্যসূচীৰে মাজুলী মহাবিদ্যালয়ৰ ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ ছেপ্টেম্বৰ ঃ** ১৭ ছেপ্টেম্বৰত মাজুলীৰ উচ্চশিক্ষাৰ ঐতিহ্যমণ্ডিত প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ে গৰকিলে সুদীৰ্ঘ তেষষ্ঠিটা বৰ্ষ। এই উদ্দেশ্যে কালি ব্যতিক্ৰমী তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয় মহাবিদ্যালয়খনিৰ চৌষষ্ঠি সংখ্যক প্ৰতিষ্ঠা দিৱস। পুৱা ৬ বজাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ মহাবিদ্যালয় গোটৰ পৰিচালক নাৰায়ণ শইকীয়া, নৈশ চকীদাৰ মাণিক ৰেগন, কৰ্মচাৰী ভবেন শইকীয়া, প্ৰশান্ত পায়েং আৰু অনাময় কৰ্মী দীপক দাসৰ নেতৃত্বত এন চি চিৰ কেডেটসকলে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। যোৱাটো শতিকাৰ বাষষ্ঠি চনৰ দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত নৈদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ সৌধ নিৰ্মাণ কৰি মাজুলীখনকে উদ্ভাষিত কৰি তোলা প্ৰায় সত্তৰগৰাকী মহানুভৱ, প্ৰতিষ্ঠাপকৰ আলোকচিত্ৰ মহাবিদ্যালয়ৰ প্ৰৱেশ তোৰণৰ দুয়োকাষে অস্থায়ীভাৱে প্ৰতিষ্ঠা কৰি সমূহীয়াভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ আয়োজন কৰা 'প্ৰণতি, প্ৰণতি, প্ৰণতি' শীৰ্ষক 'স্মৃতি-তৰ্পণ' অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক উমাকান্ত ৰাজখুৱাই। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই ছাত্ৰী নিৱাসৰ প্ৰাচীৰ পত্ৰিকা 'তেজী' উন্মোচন কৰাৰ পাছতে ১০.৫০ বজাৰ পৰা মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহৰ 'তৰুণ বৰুৱা সোঁৱৰণী মঞ্চ'ত আয়োজিত মুকলি সভাত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া। মুকলি সভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয় মহাবিদ্যালয়ৰ শিক্ষকসকলে পৰিৱেশন কৰা ডঃ দেৱজিৎ শইকীয়া ৰচিত আৰু অনিল কুমাৰ বৰা সুৰাৰোপিত 'বাষষ্ঠিৰ মহা প্ৰলয়ো নেওচি দিলে সাহৰ পৰিচয়...' শীৰ্ষক মহাবিদ্যালয়-গীতেৰে। অধ্যাপক তুলসী ৰাজখোৱা আৰু অধ্যাপিকা জুলি গগৈয়ে আঁত ধৰা সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে কয় নদীদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ বাট কাটি দি মাজুলী মহাবিদ্যালয়ে কৰা উপকাৰ কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতি তথা শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে। উদযাপন সমিতিৰ সভাপতি সুৰেন চন্দ্ৰ দাসে আদৰণী ভাষণ দিয়াৰ পাছতে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইন্দিবৰ বুঢ়াগোহাঞিএ। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাসে। প্ৰাক্তন শিক্ষাৰ্থী তথা বিশিষ্ট অনাতাঁৰ শিল্পী অনিমা শইকীয়াৰ লোকগীতে উপস্থিত সকলোকে মুগ্ধ কৰে। আজিৰ সভাতেই মহাবিদ্যালয়ৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত মাজুলীৰ মহাবিদ্যালয়-সমূহৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মাজুলী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰী আৰতি হাটীমতাক ২০১৩ চনৰ পৰা প্ৰৱৰ্তন কৰি অহা 'কেশৱৰাম বৰা শ্ৰেষ্ঠ বিজ্ঞান স্নাতক বঁটা' আৰু ২০১১ চনৰ পৰা প্ৰৱৰ্তন কৰি অহা 'ত্ৰয়োধৰ গগৈ শ্ৰেষ্ঠ স্নাতক বঁটা' প্ৰদান কৰা হয়। ছাত্ৰীগৰাকীৰ হৈ বঁটা গ্ৰহণ কৰে পিতৃ প্ৰশান্ত হাটীমতাই। সভাত অৱসৰী অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা, পুতুল মহন্ত, আৰতি বৰা, ড° আনন্দ হাজৰিকা, জিতেন্দ্ৰ নাথ ডেকা, নীলমণি পাটিৰ, কেশৱৰাম বৰাৰ পৰিয়ালৰ হৈ নৱনাথ হাজৰিকা আৰু ৰুবী সভাপণ্ডিত বৰা, ত্ৰয়োধৰ গগৈৰ পৰিয়ালবৰ্গৰ হৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন গগৈ আৰু অৱসৰপ্ৰাপ্ত অধ্যাপিকা স্মৃতি কোঁৱৰ, দুৰ্গেশ্বৰ বৰা, সাংবাদিক ডিম্বেশ্বৰ দত্ত, যদু কলিতা, শিক্ষাবিদ কিশোৰী মোহন পাল, কৰুণা বৰা, অৰুণ কুমাৰ পাঠক, দীপক গোস্বামী, যুগল হাজৰিকা, দিলীপ শইকীয়া, ৰেণুমালা দত্ত, জগন্নাথ দুৱৰীয়া, প্ৰভাত ভূএঞা, লোহিত বৰা, প্ৰভাত হাজৰিকা, ৰূপেশ্বৰ বৰা, কমল চন্দ্ৰ বৰা, জগত হাজৰিকা, ডিম্বেশ্বৰ শইকীয়া, ডলী বৰুৱা, বীণা বৰুৱা, অপূৰ্ব ভূএঞা, ডিম্বেশ্বৰ ভূএঞা, বাসুদেৱ সেন, গৌতম চৌধুৰী, প্ৰবীণ কুমাৰ শইকীয়া, নৃপেন কলিতা, ৰেখা বৰা বৰুৱা, মুহিকান্ত বৰা, ৰাজীৱ কমল শইকীয়া, দিব্যদীপ শইকীয়া, অচ্যুত কাকতি প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ অন্তত মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ উদ্যোগত মনোজ কাকতি পৰিচালিত 'সিন্ধুমুনিৰ পিতৃভক্তি আৰু দশৰথৰ স্বৰ্গ উদ্ধাৰ' নামৰ নাট উদ্বোধন কৰে বিশিষ্ট সত্ৰীয়া শিল্পী উপেন বৰা বৰগায়নে। সন্ধ্যা মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰে কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱাই।

## এক অনন্য প্ৰতিভাৰ

বিয়োগত অসম তথা ভাৰতবাসীয়েই পলকতে চমক খাই উঠিল। এটা এটাকৈ অসমৰ আকাশৰ উজ্জ্বল নক্ষত্ৰবোৰ, শিল্প-সংস্কৃতি জগতৰ শিল্পী ৰত্নবোৰ যেন খহি পৰিবলৈ ধৰিছে। অসাধাৰণ প্ৰতিভা মনীষাবোৰ অকালতে ম্লান পৰি যোৱাত আজি যেন অসমৰ নীলাকাশখন অন্ধকাৰ অমানিশাত ডুব যাবলৈ ধৰিছে। শিল্পীসত্তা জুবিন গাৰ্গৰ দৰে স্বভাৱসুলভ প্ৰতিভাবোৰ অন্তৰ্হিত হোৱা মানে আমাৰ ৰাজ্যখনৰ বাবে, দেশখনৰ বাবে এটা যেন অতিশয় ভয়ানক অশনি সংকেত উপৰিষ্ট হৈছে। মাথোন দুকুৰি বাৰটা বছৰৰ আয়ুসকাল লৈ জীৱন কালৰ এটি পল-অনুপলো অবাবত, অকাৰণত অপব্যয় নকৰি মাথোঁ নিজৰ প্ৰতিভাৰ স্বৰ্ণৰেখাবোৰ সময়ৰ বুকুত অংকন কৰি একেই শিল্প সুন্দৰ কাৰণতে বহু দূৰ-দিগন্তলৈ ঢাপলি মেলি এক আকস্মিক দুৰ্ঘটনাত পতিত হৈ বিদেশৰ অচিন অজান বক্ষভূমিত গৈ জীৱন নাট সামৰিলে। এয়া আমাৰ বাবে, দেশ জননীৰ বাবে কম দুৰ্ভাগ্যজনক বতৰানে?

বিশ্ববন্দিত স্বভাৱ শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে যিদৰে পৃথিৱীখনকে আপোন ঘৰ বা আশ্ৰয়স্থল বুলি সবাউটিকে সাৱটি ল'ব পাৰিছিল, তেনেকৈয়ে এয়া আমাৰ হিয়াৰ আমঠু, জাতিৰ সুযোগ্য সন্তান জুবিন গাৰ্গেয়ো এঢাপ এঢাপকৈ আগুৱাই গৈ বিশ্বসীমনাত খোজ পেলাব পৰা হৈছিল গৈছে, ইতিচেগতে এইজনা অসমৰ আদৰুৱা সন্তানকো কালে সামৰি ল'লে।

অসমৰ ৰত্নমণি জুবিন গাৰ্গ আমাৰ মাজত আজি আৰু নাই। অজান দেশলৈ জুবিনৰ প্ৰাণ বায়ুৱে উৰা মাৰিলে। আমি সমগ্ৰ অসমবাসীয়ে জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনা কৰি ভগৱন্তৰ শ্ৰীচৰণত এভাগি সেৱা ঘোষা নিবেদন কৰিছোঁহঁক।

## ডিচেম্বৰত মহাকাশলৈ

এখন নতুন আশাৰ প্ৰদীপ জ্বলাইছে। বৃহস্পতিবাৰে কইম্বাটুৰত সংবাদপত্ৰকাৰীসকলৰ সৈতে কৰা মতবিনিময়ত তেওঁ জনাইছে যে, অহা ডিচেম্বৰ মাহত ভাৰতৰ প্ৰথম মানৱবিহীন মহাকাশ অভিযানৰ অংশ হিচাপে 'ভ্যোম্মিত্ৰা' নামৰ এখন অৰ্ধ-হিউমেনইড ৰবটক মহাকাশলৈ প্ৰেৰণ কৰা হ'ব। এই ঘোষণাই কেৱল গগণযান মিছনৰ প্ৰস্তুতিৰ বাবে নহয়, বৰঞ্চ ভাৰতক এখন স্থায়ী মহাকাশ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যতো এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। ইছৰোৰ এই উদ্যোগে দেশৰ যুৱ প্ৰজন্মক মহাকাশ অভিযানৰ প্ৰতি অধিক উত্সাহিত কৰিছে আৰু বিশ্বৰ মহাকাশ জগতত ভাৰত এক স্থান গঢ়ি তুলিছে। ড° নাৰায়ণনে তেওঁৰ বক্তব্যত স্পষ্টভাৱে কৈছে যে, বৰ্তমান ইছৰোৰ দল এই অভিযানৰ উন্নত পৰ্যায়ত দৃঢ়ভাৱে কাম কৰি আছে। "আমি বৰ্তমানে উন্নত পৰ্যায়ত আছো। ডিচেম্বৰ মাহত প্ৰথমখন মানৱবিহীন অভিযান প্ৰেৰণৰ পৰিকল্পনা কৰিছোঁ, য'ত মানুহৰ সলনি এই 'ভ্যোম্মিত্ৰা'ক পঠোৱা হ'ব। এই অভিযান সফল হ'লে, আগন্তুক বছৰত আন দুটা মানৱবিহীন অভিযান সম্পন্ন কৰা হ'ব।" ভ্যোম্মিত্ৰাই এই অভিযানত মানুহৰ দৰে কাম কৰি জীৱনৰক্ষা ব্যৱস্থা, চাপ-উষ্ণতা নিয়ন্ত্ৰণ আৰু অন্যান্য পৰিৱেশগত পৰিস্থিতিৰ পৰীক্ষা কৰিব। এই ৰবটক এআই (আৰ্টিফিচিয়েল ইণ্টেলিজেন্স) সমৃদ্ধ কৰি গঢ় লৈছে, যিয়ে হিন্দী আৰু ইংৰাজী ভাষাত প্ৰশ্নৰ উত্তৰ দিব পাৰে আৰু মানুহৰ কাৰ্যকলাপ অনুকৰণ কৰিব পাৰে। এই পদক্ষেপে মহাকাশত দীৰ্ঘ সময় থকাৰ প্ৰভাৱ যেনে ৰেডিয়েচন আৰু মাইক্ৰগ্ৰেভিটিৰ ওপৰত মানৱ দেহৰ প্ৰতিক্ৰিয়া বুজিবলৈ সহায় কৰিব। গগণযাত্ৰীৰ কথা উল্লেখ কৰি ড° নাৰায়ণনে এটা উজ্জ্বল ভৱিষ্যতৰ চিত্ৰ আঁকে। তেওঁ কয়, "২০২৭ চনৰ প্ৰথম তিনিমাহত আমি আমাৰ নিজৰ গগণযাত্ৰীসকলক মহাকাশলৈ প্ৰেৰণ কৰি সুৰক্ষিতভাৱে পৃথিৱীলৈ ঘূৰাই আনিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰিছে। গগণযান মিছনৰ বাবে দল নিৰ্বাচিত কৰা হৈছে আৰু তেওঁলোকে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। আমি এই অভিযানৰ বাবে প্ৰস্তুতি কৰি আছো।" এই গগণযাত্ৰীসকলে ভাৰতীয় বায়ুসেনাৰ পৰা নিৰ্বাচিত হৈছে আৰু তেওঁলোকক ৰাছিয়া আৰু অন্য দেশসমূহত প্ৰশিক্ষণ দিয়া হৈছে। এই মিছনৰ মাধ্যমে ভাৰত ৪০০ কিল'মিটাৰ উচ্চতাৰ নিম্নপৃথিৱী কক্ষপথত তিনিদিনীয়া অভিযান সম্পন্ন কৰিব আৰু গগণযাত্ৰীসকলক সুৰক্ষিতভাৱে ঘূৰাই আনিব। এই লক্ষ্যই কেৱল প্ৰযুক্তিগত সাফল্য নহয়, বৰঞ্চ দেশৰ যুৱক-যুৱতীৰ মাজত মহাকাশ অভিযানৰ সপোন জাগ্ৰত কৰাৰ এটা মহান পদক্ষেপ। এই সকলো পৰিকল্পনাৰ পটভূমিত গগণযান মিছনৰ প্ৰস্তুতিৰ এটা গুৰুত্বপূৰ্ণ অংশ হিচাপে ইছৰোৱে সম্প্ৰতি প্ৰথম Integrated Air Drop Test (IADT-01) সফলতাৰে সম্পন্ন কৰিছে। এই পৰীক্ষাই পেৰাছুট-ভিত্তিক ডিচেলাৰেচন ব্যৱস্থাৰ সম্পূৰ্ণ পৰীক্ষা কৰি মিছনৰ বাবে নিশ্চিতকৰণ দিছে। ইছৰোৰ এক্স পোষ্টত লিখা হৈছে, "গগণযান মিছনৰ বাবে পেৰাছুট-ভিত্তিক ডিচেলাৰেচন ব্যৱস্থাৰ সম্পূৰ্ণ পৰীক্ষাৰ বাবে প্ৰথম Integrated Air Drop Test (IADT-01) সফলতাৰে সম্পন্ন কৰিছে। এই পৰীক্ষাটো ইছৰো, বায়ুসেনা, ৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা (ডিৰ্ডিও), নৌসেনা আৰু কাষ্টগাৰ্ডৰ যৌথ প্ৰচেষ্টাত সম্পন্ন কৰা হৈছে।" এই পৰীক্ষা সতীচ ধৱন মহাকাশ কেন্দ্ৰত কৰা হৈছিল আৰু ইয়াত এখন ৪.৮ টন ওজনৰ অনুকৰণ ক্ৰু মডিউলক ভাৰতীয় বায়ুসেনাৰ চিনুক হেলিকপ্টাৰৰ সহায়ত ৩ কিল'মিটাৰ উচ্চতাৰ পৰা নিক্ষিপ্ত কৰা হৈছিল। পেৰাছুটসমূহৰ সঠিক ক্ৰমে খোলাৰ পিছত মডিউলটো নিৰাপদে সমুদ্ৰত অৱতৰণ কৰিছিল, যাৰ পিছত নৌসেনাই ইয়াক উদ্ধাৰ কৰি চেন্নাই বন্দৰলৈ লৈ গৈছিল। এই সফলতাই মিছনৰ সবাত সকলিৰে সুৰক্ষিত অৱতৰণ নিশ্চিত কৰাৰ পথ মুক্ত কৰিছে। ইতিপূৰ্বে, বিজ্ঞান আৰু প্ৰযুক্তি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে বুধবাৰে লোকসভাত লিখিত উত্তৰত জনাইছে যে, গগণযান কাৰ্যসূচীৰ বাবে Human Rated Launch Vehicle (HLVM3)ৰ উন্নয়ন আৰু স্থল পৰীক্ষা ইতিমধ্যে সম্পন্ন হৈছে। এই কাৰ্যসূচীয়ে ভাৰতক এখন স্থায়ী মহাকাশ অভিযাত্ৰী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যপূৰ্ণ পদক্ষেপ। 'বিকশিত ভাৰত'ৰ স্বপ্ন পূৰণৰ বাবে প্ৰযুক্তি আৰু উৎপাদন ক্ষমতাৰ বিকাশ এটা ৰূপান্তৰকাৰী গৱেষণা-প্ৰযুক্তি পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। ড° সিঙে কয় যে, গগণযান কাৰ্যসূচীৰ জৰিয়তে মানৱ মহাকাশ অভিযানৰ মূল ক্ষমতা প্ৰমাণ কৰাৰ পিছত পৰৱৰ্তী গুৰুত্বপূৰ্ণ লক্ষ্য হ'ব নিম্নপৃথিৱী কক্ষপথত এখন মানৱ আবাস বা মহাকাশ ষ্টেচন নিৰ্মাণ কৰা, যিয়ে দীৰ্ঘম্যাদী মহাকাশ অভিযানৰ পথ প্ৰসাৰিত কৰিব। এই দিশত ভাৰতীয় মানৱ মহাকাশ কাৰ্যসূচীৰ দীৰ্ঘম্যাদী ভৱিষ্যত পৰিকল্পনাত ২০৩৫ চনৰ ভিতৰত 'ভাৰতীয় অন্তৰীক্ষ ষ্টেচন (BAS)' আৰু ২০৪০ চনৰ ভিতৰত 'ভাৰতৰ চন্দ্ৰ অৱতৰণ' অন্তৰ্ভুক্ত কৰা হৈছে। এই লক্ষ্যসমূহে ভাৰতক মহাকাশ অভিযানৰ বিশ্ব নেতা হিচাপে প্ৰতিষ্ঠিত কৰিব। এই সকলো উন্নয়নৰ পিছত ইছৰোৰ প্ৰচেষ্টাই দেশৰ মহাকাশ ক্ষেত্ৰত এটা নতুন যুগৰ সূচনা কৰিছে। ভ্যোম্মিত্ৰাৰ প্ৰেৰণই কেৱল পৰীক্ষামূলক হ'লেও ইয়াৰ সফলতাই মানৱ মহাকাশযাত্ৰীৰ পথ মুক্ত কৰিব। গগণযান মিছনৰ জৰিয়তে ভাৰত কেৱল নিজৰ মহাকাশস্বপ্ন পূৰণ নকৰি, বৰঞ্চ বিশ্বৰ মহাকাশ সম্প্ৰদায়তো অৱদান আগবঢ়াব। IADT-01ৰ দৰে যৌথ পৰীক্ষাসমূহে দেখুৱাইছে যে, ইছৰো কেৱল স্বদেশী প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ নকৰি, বৰঞ্চ ৰক্ষা ব্যৱস্থা আৰু অন্যান্য সংস্থাৰ সৈতে সহযোগিতাৰ জৰিয়তো এখন সমন্বিত দল গঢ়ি উঠিছে। এই সাফল্যসমূহে ভাৰতৰ যুৱক-যুৱতীক মহাকাশ বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিব আৰু দেশৰ গৱেষণা-প্ৰযুক্তি ক্ষেত্ৰত নতুন দিশ খোলা।

## শ্যামকানু মহন্তৰ বিৰুদ্ধে

মহন্তৰ বিৰুদ্ধে মৰিগাঁও সদৰ থানাত এখন গোচৰ ৰুজু হৈছে। এই গোচৰৰ মূল উদ্যোগী হৈছে অধিবক্তা ৰাতুল বৰা, যিয়ে শ্যামকানু মহন্তৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লৈছে। ঘটনাৰ সূত্ৰপাত হৈছিল ছিংগাপুৰৰ ছানটেক চিটিত আয়োজিত নৰ্থ ইষ্ট ফেষ্টিভেলৰ পৰা। এই উৎসৱৰ অন্যতম আকৰ্ষণ হিচাপে শ্যামকানু মহন্তই জুবিন গাৰ্গক আমন্ত্ৰণ জনাইছিল। জুবিন, যিনি নিজৰ সৰল স্বভাৱ আৰু অনুৰোধ অগ্ৰাহ্য কৰিব নোৱাৰা মানসিকতাৰ বাবে পৰিচিত, শ্যামকানুৰ আমন্ত্ৰণ গ্ৰহণ কৰি ১৫জন সতীৰ্থৰ সৈতে ছিংগাপুৰলৈ যাত্ৰা কৰিছিল। কিন্তু এই যাত্ৰাত তেওঁৰ পত্নী গৰিমা সাৰ্মাৰ অনুপস্থিতিয়ে জুবিনৰ দৈনন্দিন জীৱনত এক প্ৰকাৰৰ শূন্যতাৰ সৃষ্টি কৰিছিল। বুধবাৰে ছিংগাপুৰত উপস্থিত হোৱা জুবিনে নিজৰ প্ৰতিভাৰে নৰ্থ ইষ্ট ফেষ্টিভেলক জীপাল কৰিছিল। উৎসৱৰ ব্যস্ততাত শ্যামকানু মহন্ত আৰু জুবিনৰ সতীৰ্থসকল নিজৰ কামত ব্যস্ত থকাৰ সময়ত জুবিনৰ স্বাস্থ্যৰ তদাৰকৰ বাবে কোনো এজন ওচৰত নাছিল। বৃহস্পতিবাৰে নিশা গীত গাই অহৰহ জাগৰণৰ পিছত শুকুৰবাৰে পুৱা জুবিনে ভাৰত মহাসাগৰৰ পাৰত ছাৰ্ফিং কৰিবলৈ গৈছিল। ভাগৰুৱা শৰীৰেৰে ছাৰ্ফিং কৰোঁতে সাগৰৰ বিশালতাত জুবিন নিৰুদ্দেশ হৈ পৰে। এই ঘটনাই নেটিজেনৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। শ্যামকানু মহন্তৰ ওপৰত জুবিনৰ সুৰক্ষা আৰু স্বাস্থ্যৰ প্ৰতি অৱহেলাৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিপ্ৰেক্ষিতত অধিবক্তা ৰাতুল বৰাই মৰিগাঁও সদৰ থানাত শ্যামকানু মহন্তৰ বিৰুদ্ধে প্ৰথম গোচৰ ৰুজু কৰে। নেটিজেনৰ ক্ষোভৰ মাজতে এই গোচৰে আইনী দিশত নতুন মাত্ৰা যোগ কৰিছে। জুবিনৰ নিৰুদ্দেশৰ ঘটনাৰ তদন্তৰ বাবে প্ৰশাসনে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই ঘটনাৰ পৰিণতি কি হ'ব, সেয়া সময়তহে প্ৰকাশ পাব।

## চিৰনিদ্ৰাত জুবিন

হয়, আৰু তেওঁৰ মৃত্যুৱে সকলোকক বিমূৰ্ছিত কৰিছে। জুবিন গাৰ্গ ছিংগাপুৰলৈ গৈছিল নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ, য'ত তেওঁ সাংস্কৃতিক ব্ৰেণ্ড এম্বেচাৰ হিচাপে যোগদান দিছিল আৰু ২০ ছেপ্টেম্বৰত অনুষ্ঠান পৰিৱেশনৰ কথা আছিল। ১৬ ছেপ্টেম্বৰত তেওঁ নিজৰ ইনষ্টাগ্ৰামত এটা ভিডিঅ' পোষ্ট কৰি ফেষ্টিভেলৰ বিষয়ে জনাইছিল আৰু সকলোকে আমন্ত্ৰণ জনাইছিল। কিন্তু আজি, ফেষ্টিভেল আৰম্ভ হোৱাৰ আগতেই, তেওঁ স্কুবা ডাইভিং কৰিবলৈ গৈছিল। তথ্য অনুসৰি সাগৰতলীত অভিযানৰ সময়ত তেওঁ হঠাৎ শ্বাসকষ্ট অনুভৱ কৰি অচেতন হৈ পৰে। স্থানীয় পুলিচে তেওঁক তাৎক্ষণিকভাৱে উদ্ধাৰ কৰি সিংগাপুৰ জেনেৰেল হস্পিতাললৈ লৈ গৈছিল। তাত তেওঁক আইচিইউত ভৰ্তি কৰি চিকিৎসা প্ৰদান কৰা হৈছিল, যদিও প্ৰায় এঘণ্টাৰ অধিক সময় অচেতন অৱস্থাত থকাৰ পিছত চিকিৎসকসকলে তেওঁক মৃত ঘোষণা কৰে। ভাৰতীয় সময় অনুসৰি মৃত্যুৰ সময় প্ৰায় দুপৰীয়া ২: ৩০টা। জুবিন গাৰ্গৰ জন্ম ১৮ নৱেম্বৰ, ১৯৭২ চনত মেঘালয়ৰ তুৰাত হৈছিল। তেওঁৰ পূৰ্ব নাম জুবিন বৰঠাকুৰ আছিল, যাক ৯০ ৰ দশকত গাৰ্গ উপাধি দি জুবিন গাৰ্গ বুলি পৰিচয় দিছিল। অসমীয়া সংগীতজগতত ৯০ ৰ দশকৰ পৰা উঠানামা কৰা তেওঁ ২০০৬ চনত 'গেংচ্টাৰ' ছবিৰ 'য়া আলী' গানৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম লাভ কৰিছিল। অসমীয়াৰ লগতে হিন্দী, বাংলা আৰু অন্যান্য ভাষাতো তেওঁৰ গানসমূহে লাখ লাখ মানুহৰ হৃদয় জয় কৰিছিল। তেওঁ অভিনয়, সংগীত সৃষ্টি আৰু সামাজিক কাৰ্যকলাপতো জড়িত আছিল। জুবিনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমৰ আগত কয়, "এইমাত্ৰ ফোনত মোক পৱিত্ৰ মাৰ্ঘেৰিটাই ফোনযোগে কথাটো জনাইছে যে জুবিন গাৰ্গ ডাঙৰীয়া বা আমাৰ মৰমৰ জুবিন এই সংসাৰত নাই। তেখেত এই সংসাৰৰ পৰা আঁতৰি গৈছে। খুব মৰ্মান্তিক ঘটনা... দুখদায়ক ঘটনা। আজি আমি বিজেপি দলে গধূলি নিৰ্বাচনী প্ৰচাৰ নকৰোঁ। মই এতিয়া খালী গোমাত গৈ মানুহখিনিক নমস্কাৰ কৰি গুৱাহাটীলৈ উভতি যাম। তেখেতৰ সংকাৰ বা কি ধৰণে তেখেতক আমি আনো গোটেই কথাবিলাক আমি গুৱাহাটীত গৈ আলোচনা কৰিম। অসমবাসীৰ ৰাইজৰ হৈ... কি ক'ম.. দুখৰ...ক'বলগীয়া একো শব্দই নাই, শব্দই বিচাৰি পোৱা নাই। এটা মৰ্মান্তিক ঘটনা... জাতিৰ অপূৰণীয় ক্ষতি... জাতিৰ এটা অমূল্য সম্পদ আমি হেৰুৱাই পেলালোঁ।"

## পাখি মেলি স্নিগ্ধ জোনাক

সংগীত জগতত পাখি মেলি স্নিগ্ধ জোনাক নমাই অনা এটা বৰ্ণিল যুগৰ অৱসান। আমাৰ হিয়াৰ আমঠু, অতি মৰমৰ শিল্পী জুবিন গাৰ্গৰ দেহাৱসানৰ খবৰটো পাই শোকস্তব্ধ হৈ পৰিছোঁ! আমি কেতিয়াও শুনিব নিবিচৰা সেই দুখজনক খবৰটো পাই অত্যন্ত মৰ্মাহত হৈ পৰিছোঁ। জুবিন গাৰ্গ আৰু নাই! অসমৰ লাখ লাখ জনতাৰ সৈতে এই দুখৰ সমভাগী হৈছোঁ। এয়া অসমৰ সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। আমি বাকৰুদ্ধ, আমি ভাষাহীন। অসমীয়া জাতীয় জীৱনৰ মৰমৰ শিল্পীগৰাকী আৰু নাই, এই কথা ভাবিবই পৰা নাই। অসমৰ প্ৰতিগৰাকী মানুহৰ হৃদয়ত জুবিন আছে, সকলো বয়সৰ লোকৰ মনতে তেওঁ স্থায়ী প্ৰভাৱ বিস্তাৰ কৰি থৈ গৈছে। তেখেত একেবাৰে ঘৰুৱা শিল্পী, আমাৰ মৰমৰ শিল্পী। অসমবাসীয়ে আন্তৰিকতাৰে জুবিনক হৃদয়ত স্থান দিছে। এনে এগৰাকী হৃদয়স্পৰ্শী শিল্পী হঠাতে আমাৰ মাজৰ পৰা নাইকিয়া হ'ল, এই কথা মই ভাবিবই পৰা নাই, বিশ্বাস কৰিব পৰা নাই। আজি মোৰ পুনৰ মনত পৰিছে জুবিন গাৰ্গৰ লগত মোৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ কথা। মৰমতে জুবিনে মোক সৰ্বাদা বুলি মতা সেই শুৱলা মধুৰ মাতষাৰ আৰু কেতিয়াও শুনিবলৈ নাপাম। জুবিন স্পষ্টবাদী, নিৰ্ভীক আছিল, খোলামনৰ আছিল। জাতিটোক মনে-প্ৰাণে ভাল পাইছিল। এইগৰাকী মহান শিল্পীৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতে আমাৰ মাজৰ পৰা হেৰাই যাব নোৱাৰে। আমি তেওঁক জীয়াই ৰাখিম। তেওঁৰ অপূৰ্ব সৃষ্টিৰাজি সজীৱ হৈ থাকিব প্ৰতিজন অসমীয়াৰ হৃদয়ত। অকালতে কায়িক বিদায় লোৱা জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলোঁ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা অগণন গুণমুগ্ধলৈ গভীৰ সমবেদনা জনালোঁ। কম বয়সৰ পৰাই কঠোৰ সাধনা আৰু আত্মবিশ্বাসেৰে সংগীত জগতত জুবিনে দৃষ্টান্ত দাঙি ধৰিছিল আৰু আঞ্চলিক পৰিধি নেওচি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছিল। তেখেতৰ হৃদয়স্পৰ্শী গীতে মানুহক উদ্বুদ্ধ কৰিছিল, সমাজক অনুপ্ৰেৰণা দিছিল। জুবিন গাৰ্গ অমৰ হৈ থাকিব মানুহৰ হৃদয়ে হৃদয়ে..."

## মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ

গাৰ্গৰ অকাল মৃত্যুৰ খবৰে গোটেই ৰাজ্যক শোকাভিভূত কৰি তুলিছে। এই দুঃসংবাদ পোৱাৰ পিছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যসূচী আধাতে বন্ধ কৰি দিছে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ফোনযোগে মুখ্যমন্ত্ৰীক জুবিনৰ মৃত্যুৰ সংবাদ জনাইছিল। ৰাজ্য বিজেপিয়ে ঘোষণা কৰিছে যে, বিটিআৰ নিৰ্বাচনৰ সকলো প্ৰচাৰ কাৰ্যক্ৰম স্থগিত ৰখা হৈছে। উল্লেখ্য, আজি আছিল বিটিআৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিন। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত আৱেগিকভাৱে কয়, "কি ক'ম! মোৰ মনত ক'বলৈ কোনো শব্দ নাই। জাতিৰ বাবে এয়া এক অপূৰণীয় ক্ষতি। আমি আজি আমাৰ এজন অমূল্য সম্পদ হেৰুৱালোঁ। নিৰ্বাচনী প্ৰচাৰ আজি আমি বন্ধ কৰিছো।" মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমতো জুবিন গাৰ্গৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ ফেচবুকত লিখিছে: "এই খবৰ অকল্পনীয়, অবিশ্বাস্য, অনাকাংক্ষিত। আমাৰ হৃদয়ৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ সংবাদ দিবলৈ মই অপাৰগ। বুকু কঁপিছে, জুবিনৰ স্মৃতি এটা এটাকৈ চকুৰ সন্মুখত ভাহি উঠিছে। তেওঁৰ যাদুকৰী কণ্ঠই প্ৰতিটো প্ৰজন্মক মুগ্ধ কৰিছিল। জনতাৰ প্ৰতি তেওঁৰ অপৰিমিত প্ৰেম কল্পনাতীত আছিল। এই স্বকীয় কণ্ঠ এনেদৰে হেৰাই যাব বুলি কেনেকৈ বিশ্বাস কৰিম! তুমি তোমাৰ হাজাৰ হাজাৰ সৃষ্টিৰ মাজেৰে আমাৰ মনত চিৰকাল জীয়াই থাকিবা, জুবিন। য'তেই থাকা, কুশলে থাকিবা।" ইফালে, এই দুঃসংবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে আজি সন্ধিয়া ৭ বজাত লোকসেৱা ভৱনত এখন জৰুৰী বৈঠক আহ্বান কৰিছে। এই বৈঠকত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে ৰাজ্যৰ কেইবাজনো মন্ত্ৰী আৰু শীৰ্ষ বিষয়া উপস্থিত থাকিব।

## দুৰ্নীতিৰ ৰাণী নূপুৰ

নহয়, চাকৰিৰ পৰাও বৰ্খাস্ত কৰা হ'ব। এই সন্দৰ্ভত পাৰ্ছনেল (এ) বিভাগৰ আয়ুক্ত সচিবৰ স্বাক্ষৰিত এখন জাননী জাৰি কৰা হৈছে। জাননীত উল্লেখ কৰা হৈছে যে, দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৮৮ৰ ধাৰা ১৩(১)(বি), ১৩(২) আৰু ১২ৰ অধীনত ভিজিলেন্স আৰক্ষী থানাত ২৫/২০২৫ নম্বৰত ৰুজু হোৱা গোচৰত নূপুৰ বৰাৰ গ্ৰেপ্তাৰৰ পৰিপ্ৰেক্ষিতত তেওঁক নিলম্বন কৰা হৈছে। নিয়ম অনুসৰি, কোনো চৰকাৰী বিষয়াক আৰক্ষীয়ে ৪৮ ঘণ্টাৰ অধিক সময় আটকত ৰাখিলে চৰকাৰে তেওঁক নিলম্বন কৰাৰ ক্ষমতা ৰাখে। সেই অনুসৰি, নূপুৰ বৰাক ১৫ ছেপ্টেম্বৰ, ২০২৫ৰ পৰা নিলম্বন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে কৈছে যে, দুৰ্নীতিৰ অভিযোগত জড়িত এই বিষয়াগৰাকীৰ বিৰুদ্ধে চৰকাৰ কঠোৰ মনোভাৱ গ্ৰহণ কৰিব। তেওঁৰ মতে, নূপুৰ বৰাৰ বিৰুদ্ধে কেৱল নিলম্বনৰ সিদ্ধান্তৰে ক্ষান্ত থকা নহ'ব, তেওঁক চাকৰিৰ পৰা সম্পূৰ্ণৰূপে বৰ্খাস্ত কৰা হ'ব। এই ঘোষণাই ৰাজ্যৰ দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ নীতিৰ ইংগিত দিছে।

## জুবিনৰ গীতে জীৱনৰ

আকস্মিক মৃত্যুত স্তম্ভিত হৈ পৰিছো। সংগীতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা চহকী অৱদানৰ বাবে তেওঁ স্মৰণীয় হৈ থাকিব। তেওঁৰ গীত সকলো শ্ৰেণীৰ মানুহৰ মাজত অতি জনপ্ৰিয় আছিল। তেওঁৰ পৰিয়াল আৰু অনুৰাগীলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। ঔম শান্তি।" ইফালে লোকসভাৰ বিৰোধী দলৰ দলপতি ৰাহুল গান্ধীয়ে সামাজিক মাধ্যম ফেচবুক আৰু টুইটাৰত লিখিছে — "জুবিন গাৰ্গৰ বিয়োগ এক ভয়ংকৰ ট্ৰেজেডী। তেওঁৰ কণ্ঠই এটা প্ৰজন্মক সংজ্ঞায়িত কৰিছিল, তেওঁৰ প্ৰতিভা সঁচাকৈয়ে অতুলনীয় আছিল। ব্যক্তিগত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি তেওঁ অসমীয়া সংগীতৰ প্ৰকৃতিক নতুন ৰূপ দিছিল। তেওঁৰ অধ্যৱসায় আৰু সাহসে চিৰস্থায়ী চিন ৰাখি থৈ গৈছে। তেওঁ আমাৰ হৃদয় আৰু মনত চিৰদিন জীয়াই থাকিব।" ইয়াৰ উপৰিও তৃণমূল কংগ্ৰেছৰ সাংসদ অভিশেষ বেনাৰ্জীয়ে শোক প্ৰকাশ কৰি সামাজিক মাধ্যমত লিখিছে — "বিৰল প্ৰতিভাৰ শিল্পী; তেওঁৰ সংগীতে সীমা, ভাষা আৰু প্ৰজন্মক অতিক্ৰম কৰি সুৰ আৰু আৱেগৰ সূতাৰে মানুহক একেলগ কৰিছিল। আজি আমি এই অপূৰণীয় ক্ষতিৰ শোক প্ৰকাশ কৰাৰ লগতে কালজয়ী গীতৰ মাজেৰে জীয়াই থাকিব পৰা এজন শিল্পীৰ উত্তৰাধিকাৰক উদযাপন কৰিছো। তেওঁৰ পৰিয়াল, বন্ধু-বান্ধৱী, আৰু অগণন অনুৰাগীলৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।"

## সৰুসজাইত দুদিনৰ বাবে

ঘটনাটো। অসমবাসীক কন্দুৱাই অজান দেশলৈ গ'লগৈ প্ৰাণৰ শিল্পীগৰাকী। আজি নিশা জুবিন গাৰ্গৰ কাহিলীপাৰাৰ বাসগৃহত উপস্থিত হয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীয়ে কয় যে "শনিবাৰে পুৱাৰ ভাগত সম্পন্ন হ'ব মৰণোত্তৰ পৰীক্ষা। শনিবাৰে বিয়লিহে জুবিনৰ নশ্বৰদেহ আহি পোৱাৰ সম্ভাৱনা। সৰুসজাইত এদিনৰ বাবে ৰখা হ'ব জুবিনৰ নশ্বৰদেহ। ৰাইজৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হ'ব জুবিনৰ নশ্বৰদেহ। সৰুসজাইত প্ৰয়োজনত দুদিনৰ বাবেও ৰখা হ'ব পাৰে নশ্বৰদেহ। "মুখ্যমন্ত্ৰীয়ে কয় যে "কাহিলীপাৰাৰ ঘৰলৈও অনা হ'ব জুবিনৰ নশ্বৰদেহ। কাহিলীপাৰাত পৰিয়ালৰ লোকেহে দিব পাৰিব শ্ৰদ্ধাঞ্জলি। শেষকৃত্যৰ স্থান পৰিয়ালৰে আলোচনা কৰি লোৱা হ'ব সিদ্ধান্ত। শেষকৃত্যৰ দিনা চৰকাৰী বন্ধ ঘোষণা কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে কয় যে "যোৰহাটবাসীয়ে যোৰহাটত সমাধিক্ষেত্ৰ হোৱাটো বিচাৰিছে। সংকাৰ আৰু সমাধিক্ষেত্ৰৰ কথা পৃথকে আলোচনা কৰিম।" মুখ্যমন্ত্ৰীয়ে কয় যে "ভাৰতীয় সময়মতে পুৱতি নিশা ২.৫০বজাত মৃত্যু হয় জুবিন গাৰ্গৰ। ছিংগাপুৰৰ সময়মতে শুকুৰবাৰে পুৱা ৫.২০বজাত ঘটে দুৰ্ঘটনাটো। ছিংগাপুৰৰ চিকিৎসকে মৃত ঘোষণা কৰে জুবিন গাৰ্গক। জুবিন যোৱা য়টত আছিল মুঠ ১৮জন লোক। ছিংগাপুৰৰ অসম এছ'চিয়েচনৰ ১১জন লোক। জুবিন গাৰ্গৰ ৪সংগী আৰু ২ক্ৰু মেম্বাৰ য়টত আছিল। ১৮জনীয়া তালিকাত নাম নাই শ্যামকানু মহন্ত। অভিযোগ পালে আমি শ্যামকানু মহন্তৰ সৈতে কথা পাতিম।"

## অসম সাহিত্য সভাৰ

অসম সাহিত্য সভাই তিনিদিনীয়া শোক পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত সন্ধিয়া অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীৰ পৌৰোহিত্যত আয়োজিত এখন শোক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়া মতে অসমীয়া জাতিৰ অন্যতম সত্তা জুবিন গাৰ্গৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই সাহিত্য সভাৰ যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়কে ধৰি গুৱাহাটী, ডিব্ৰুগড়, লক্ষ্মীমপুৰ, জালাহ, ধুবুৰী, নগাঁও, ডিফু, শিলচৰ, মঙলদৈ আৰু অন্যান্য কাৰ্যালয়ত পতাকা তিনিদিনৰ কাৰণে অৰ্ধনিমিত কৰি ৰাখিব। ইফালে সভাই আজিকে ধৰি আগন্তুক নিৰ্ধাৰিত তিনিওদিনৰ কাৰ্যসূচী সকলো বাতিল কৰিছে। কাইলৈ বিলাসীপাৰাত অনুষ্ঠিত হ'ব লগা শ্বহীদ কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠান সাময়িকভাৱে বাতিল কৰাৰ উপৰি ২১ ছেপ্টেম্বৰত কাজিৰঙাত অনুষ্ঠিত হ'ব লগা ভৱিষ্যৎ প্ৰজন্মৰ সম্মিলনো বাতিল কৰা হৈছে। ইফালে সভাই এই তিনিওদিনতে বিভিন্ন শাখা সভা আৰু জিলা সভাসমূহকো পতাকা অৰ্ধনিমিত কৰি ৰাখিবলৈ প্ৰধানসম্পাদকে আহ্বান জনাইছে।

## আজি বিশেষ বিমানযোগে

ভাৰতীয় বিদেশ মন্ত্ৰালয়ক জনোৱা মতে, জুবিন গাৰ্গৰ হস্পিতালত মৃত্যু হৈছে। জুবিন গাৰ্গৰ নশ্বৰ দেহ অসমলৈ ঘূৰাই আনিবলৈ বিদেশ মন্ত্ৰালয়ে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰক্ৰিয়াত বিদেশ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই নিজে উদ্যোগ লৈছে। তেওঁ জানিবলৈ দিছে যে, জুবিনৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে আলোচনা কৰি তেওঁলোকৰ মধ্যৰ কোনজন ছিংগাপুৰলৈ যাব আৰু নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত উপস্থিত থকা অন্যান্য ব্যক্তিসকলক দেশলৈ ঘূৰাই আনিবলৈ চৰকাৰে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব। ইয়াৰ উপৰিও, পবিত্ৰ মাৰ্ঘেৰিটাই এই বিষয়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতেও নিয়মীয়া যোগাযোগ ৰাখিছে। তেওঁৰ নিৰ্দেশনা আৰু সমন্বয়ত এই প্ৰক্ৰিয়া দ্ৰুতভাৱে সম্পন্ন কৰাৰ বাবে কাম চলি আছে।

## ৭ দিনলৈকে অৰ্ধনমিত

অনুসৰি, ৭ দিনলৈকে ৰাজ্যৰ সকলো প্ৰান্ততেই অৰ্ধনমিত হৈ থাকিব আছুৰ পতাকা। ইফালে, কেন্দ্ৰীয় নেতৃত্বৰ ঘোষণাৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ত থকা আছুৰ মুখ্য কাৰ্যালয়ৰ পতাকা অৰ্ধনমিত কৰে বিশ্ববিদ্যালয়ৰ আছু গোটে। লগতে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই কাৰ্যালয়ৰ চাৰিওফালে বন্তি প্ৰজ্বলন কৰে আছুৰ সদস্যসকলে। হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে আছুৱে। উল্লেখ্য যে, হাৰ্টথ্ৰৱ জুবিন গাৰ্গ বিয়োগৰ শোক ছাঁ গুৱাহাটী বিশ্ববিদ্যালয়ত। অসমৰ বহু ঠাইৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ সমাজে শিল্পী গৰাকীক স্মৰণ কৰে। শোকত ম্ৰিয়মাণ কৃষ্ণচূড়া নগৰীৰ ছাত্ৰ ছাত্ৰীসকলে ৫ শতাধিক বন্তি প্ৰজ্বলনেৰে সোঁৱৰে জুবিন গাৰ্গক। অশ্ৰুসিক্ত নয়নেৰে কণ্ঠশিল্পী গৰাকীৰ চিৰসেউজ গীতবোৰ ৰোমন্থন কৰে বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সমিতিৰ বিষয়া আৰু অধ্যাপক আৰু অধ্যাপিকা তথা ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত সম্পন্ন কৰা হয় শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী।

## হাগ্ৰামা মহিলাৰীয়ে

বড়োৱে বিপিএফৰ নেতা হাগ্ৰামা মহিলাৰীক লক্ষ্য কৰি তীক্ষ্ণ কটাক্ষ কৰে। নাম উল্লেখ নকৰাকৈ প্ৰমোদ বড়োৱে কয়, "এজন নেতাই ভোট অবিহনে নিজকে নিৰ্বাচিত ঘোষণা কৰিলে। ৰাইজৰ ভোটৰ প্ৰয়োজন নোহোৱাকৈ তেওঁ নিজকে জয়ী বুলি ঘোষণা কৰিলে। আনকি, তেওঁ শপত গ্ৰহণৰ দিনো ঠিক কৰি পেলালে। এই আজৰ নেতা কোন?" প্ৰমোদ বড়োৰ মতে, হাগ্ৰামা মহিলাৰীয়ে আগন্তুক ২২ ছেপ্টেম্বৰৰ বিটিআৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ পূৰ্বেই নিজকে বিজয়ী ঘোষণা কৰি গণতন্ত্ৰৰ প্ৰতি অসন্মান প্ৰকাশ কৰিছে। তেওঁ আৰু কয়, "হাগ্ৰামাই ৰাইজৰ আস্থা আৰু বিশ্বাসক উপহাস কৰিছে। তেওঁৰ এনে আচৰণে গণতন্ত্ৰৰ মূল্যবোধক দুৰ্বল কৰিছে।" হাগ্ৰামা মহিলাৰীয়ে ৰাজহুৱা মঞ্চত দাবী কৰিছে যে তেওঁ ৩ অ'ক্টোবৰত শপত গ্ৰহণ কৰিব আৰু এই অনুষ্ঠানত মুখ্যমন্ত্ৰী তথা ৰাজ্যপালক অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হ'ব। ইয়াৰ উপৰিও তেওঁ ২৬ ছেপ্টেম্বৰৰ পৰা গাহৰি আৰু ছাগলীৰ মাংসৰ ভোজৰ আয়োজন কৰাৰ কথাও ঘোষণা কৰিছে। এই ধৰণৰ মন্তব্যৰ বাবে প্ৰমোদ বড়োৱে হাগ্ৰামাক "বড়োভূমিৰ কৌতুক অভিনেতা" বুলি সমালোচনা কৰে। তেওঁ কয়, "হাগ্ৰামাৰ কথাবোৰ খুহুতীয়া, কিন্তু জনপ্ৰতিনিধি হিচাপে তেওঁৰ গাম্ভীৰ্যৰ অভাৱ। ৰাইজৰ নেতা এজন কিমান অধ্যয়নশীল আৰু ৰাইজৰ প্ৰতি সন্মান প্ৰকাশ কৰা হয়, সেই কথা ৰাইজে নিজেই চিন্তা কৰক।" উল্লেখ্য, বিটিআৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব ২২ ছেপ্টেম্বৰত, আৰু ফলাফল ঘোষণা কৰা হ'ব ২৬ ছেপ্টেম্বৰত। এই নিৰ্বাচনৰ পূৰ্বে নেতাসকলৰ মাজত এনে তীব্ৰ কথাৰ যুঁজে বড়োভূমিৰ ৰাজনৈতিক পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিছে।

## সংগীতৰ সূৰ্যৰ আজি

সংগীত অনুৰাগীক। ১৯৭২ চনৰ ১৮ নৱেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰা জুবিন গাৰ্গে অসমীয়া, হিন্দী, বঙালী, বড়ো, উৰিয়া, তামিল, তেলেগু, ভোজপুৰী আদি বিভিন্ন ভাষাত গীত ৰচনা কৰি সুৰোপিত কৰাৰ লগতে নেপথ্যৰ গায়ক, সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী লগতে কবি হিচাপে জনপ্ৰিয়তা অৰ্জন কৰি প্ৰতিজন অসমীয়াৰ হৃদয়ত নিগাজীকৈ স্থান ল'বলৈ সক্ষম হোৱাৰ উপৰিও আৰ্তজনৰ ওচৰত প্ৰতিটো মুহূৰ্ততে থিয় দি মানৱতাৰ পৰিচয় দি অহা জুবিন গাৰ্গে ১৯ ছেপ্টেম্বৰ তাৰিখে চিংগাপুৰত নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ স্কুভা ড্ৰাইভিংত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ ২: ৪৪ বজাত আকস্মিকভাৱে মৃত্যু হোৱা খবৰে মৰ্মাহত কৰিছে অসম সত্ৰ মহাসভাক। গুৰুজনাৰ অমূল্য সৃষ্টিৰাজি প্ৰাণৱন্ত কৰি আধ্যাত্মিকতাৰ বীজ সিঁচা জুবিন গাৰ্গৰ মৃত্যুত সংগীতৰ সূৰ্য আজি অস্ত গ'ল বুলি মত পোষণ কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান তথা মৰিগাঁৱৰ কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্ত আৰু সভাপতি তথা ধুবুৰীৰ ৰামৰায় কুটীৰ সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ প্ৰধানীয়ে। সংগীত সূৰ্যৰ প্ৰস্থানত গভীৰ শোক প্ৰকাশ কৰি অসম সত্ৰ মহাসভা গুৱাহাটী মহানগৰ সমিতিৰ সম্পাদক কমল কুমাৰ আৰু সভাপতি ডাঃ কণক চন্দ্ৰ তালুকদাৰে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক প্ৰস্তাৱ প্ৰেৰণ কৰে। অসম সত্ৰ মহাসভা কেন্দ্ৰীয় সমিতিৰ লগতে অসম সত্ৰ মহাসভা গুৱাহাটী মহানগৰ জিলা সমিতিৰ তৰফৰ পৰা বিদেহী আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোকগ্ৰস্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

## বাতিল কৰা হ'ল নৰ্থ

ডাইভিঙৰ সময়ত অসুস্থ হৈ পৰাত চিকিত্সালয়লৈ নিয়া হয় আৰু চিকিৎসাধীন অৱস্থাতে মৃত্যুবৰণ কৰে জুবিন গাৰ্গে। চিকিৎসকৰ আপ্ৰাণ চেষ্টা সত্ত্বেও ঘূৰি নাহিল অসমবাসীৰ প্ৰাণৰ শিল্পী। তেওঁৰ নশ্বৰ দেহ শীঘ্ৰেই স্বদেশলৈ অনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি জানিব পৰা গৈছে। ইপিনে, জুবিনৰ আকস্মিক মৃত্যুৰ পাছতেই বাতিল কৰা হৈছে নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেল। উদ্যোক্তা শ্যামকানু মহন্তই সংবাদ মাধ্যমলৈ প্ৰকাশ কৰা বিবৃতিত কয় যে, "আমাৰ দলটোৱে ছিংগাপুৰত উৎসৱৰ প্ৰস্তুতিত ব্যস্ত থাকোঁতে জুবিনৰ মেনেজাৰৰ পৰা দুৰ্ঘটনাৰ খবৰ পোৱা গৈছিল। সাগৰলৈ যোৱাৰ কথা তেওঁলোকৰ পৰা জনা নাছিল। খবৰ পোৱাৰ লগে লগে আমি হাস্পতাললৈ পলাই গ'লোঁ আৰু উচ্চ আয়ুক্তৰ সৈতে সংযোগ স্থাপন কৰি সকলো প্ৰক্ৰিয়া আগবঢ়াইছো।" নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলৰ অফিচিয়েল ইনষ্টাগ্ৰাম হেণ্ডলত প্ৰকাশিত পোষ্টতো এই কথা নিশ্চিত কৰা হৈছে। সেই পোষ্টত উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গে ছিংগাপুৰৰ সময় অনুসৰি ২.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে।

## ৰাজ্যৰ সকলো বিদ্যালয়ৰ

স্থগিত ৰখা হ'ব। জুবিন গাৰ্গৰ সুৰৰ মায়াজালে অসমৰ লাখ লাখ হৃদয় জয় কৰা এই কিংবদন্তী শিল্পীৰ অকাল বিদায়ত গোটেই ৰাজ্যবাসী গভীৰ শোকত মগ্ন। তেওঁৰ অৱদানক সন্মান জনোৱাৰ বাবে ৰাজ্য চৰকাৰে এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। স্থগিত পৰীক্ষাৰ নতুন সময়সূচী শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি শিক্ষা বিভাগৰ সূত্ৰই জানিব দিছে।

## তাঁতশালৰ যোগেদি চৰ্চিত হোৱা এগৰাকী সফল শিপিনী সবিতা হাজৰিকা চাংমাই

**অসম বাৰ্তা, ধনশিৰি, ১৯ ছেপ্তেম্বৰ ঃ** এগৰাকী শিপিনী। নাম সবিতা হাজৰিকা চাংমাই। ঘৰ সৰুপথাৰ সমজিলাৰ টেঙাবাৰী গাঁৱত। সবিতাই জীৱনত নিজববীয়াকৈ কিবা এটা কৰাৰ বিৰাট হেঁপাহ আছিল। কথামতেই কাম। সবিতাই কেইটামান বছৰ পূৰ্বে নিজ ঘৰতে মাত্ৰ এখন তাঁত শাল লৈ চালুকীয়াভাৱে হস্ততাঁত বস্ত্ৰ শিল্পৰ কাম আৰম্ভ কৰিছিল। সেই সময়ৰ পৰাই সবিতাই পিছলৈ নাচাই কেৱল নিজৰ কৰ্মত গুৰুত্ব দি আগবাঢ়ি গৈছিল। সবিতা সম্পুৰ্ণৰূপে সফল হল। সবিতাৰ ঘৰত তাঁতশালৰ সংখ্যা বাঢ়িল। সেয়েহে স্থানীয় শিপিনী নিয়োগ কৰি "বেদপ্ৰাণ" প্ৰডাকচন নামেৰে এটি বয়ন শিল্পৰ ব্যৱসায় আৰম্ভ কৰিলে। এগৰাকী দুগৰাকীকৈ বৰ্তমান সবিতাৰ লগত মুঠ দহ গৰাকী শিপিনীয়ে কাম কৰে।

সবিতাৰ তাঁতশাল বিলাক জেকাৰ্ড মেচিন সম্বলিত শাল। এই তাঁতশালত কম সময়তে অধিক কাপোৰ বব' পাৰে। সবিতায়ে তাঁতশালত



ভকতীয়া গামোছা, আসনত দিয়া গামোছা, দৰা বৰণৰ গামোছা, সত্ৰীয়া নৃত্যত ব্যৱহৃত টঙালিকে ধৰি তচমুগাৰ ৰিহা আৰু বিভিন্নযোৰ কাপোৰ প্ৰস্তুত কৰে। সবিতাৰ এই কামত আৰম্ভণিৰে পৰা তেওঁৰ স্বামী অমৰ প্ৰাণ চাংমাইয়ে সহযোগিতা আগবঢ়োৱাৰ লগতে নিজৰ ঘৰতে জেকাৰ্ডৰ শাল বনাবলৈ আৰম্ভ কৰিলে। তেওঁ জনোৱামতে, বৰ্তমান সময়লৈকে তেওঁ অসমৰ বিভিন্ন প্ৰান্তত দুহেজাৰতকৈ অধিক তাঁতশাল যোগান ধৰিছে। আজি সবিতাৰ "বেডপ্ৰাণ" প্ৰডাকচণ নামৰ বয়ন শিল্পৰ প্ৰতিষ্ঠানটোৱে সফলতাৰে পাঁচটা বছৰ সম্পুৰ্ণ কৰিলে। সেয়েহে এই গৌৰৱময় মুহূৰ্তটোৰ সাক্ষী হোৱাৰ লক্ষ্যৰে প্ৰতিষ্ঠানটোৰ লগত জড়িত প্ৰতিজন শুভাকাংক্ষী, প্ৰতিগৰাকী শিপিনী তথা স্থানীয় লোকক নিমন্ত্ৰণ কৰি আনি এটি কেক কটাৰ লগতে সকলোৱে আনন্দ উল্লাস কৰে। সবিতা হাজৰিকা চাংমাইয়ে প্ৰস্তুত কৰা গামোছা আৰু বিভিন্ন বস্ত্ৰ সমূহ অসমৰ বিভিন্ন ঠাইত বিক্ৰী কৰে। অমৰ প্ৰাণ চাংমাই আৰু পত্নী সবিতা হাজৰিকা চাংমাই দুয়োগৰাকীয়েই কেৱল কৰ্ম সংস্কৃতি জীয়াই ৰখাই নহয় নিজ কৰ্মৰ যোগেদি নিজে স্বাৱলম্বী হোৱাৰ লগতে তেওঁলোকৰ ব্যৱসায়ৰ লগত জড়িত কৰি বহু সংখ্যক স্থানীয় পুৰুষ মহিলাক সংস্থাপন দিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত তেওঁলোক বহুতৰে আদৰ্শ হৈ পৰিছে। তেওঁলোকৰ কৰ্ম সংস্কৃতিয়ে উঠি অহা প্ৰজন্মকো যথেষ্ট অনুপ্ৰাণিত কৰিছে।

## এ চি এছ বিষয়া নূপুৰ বৰাক লৈ গৰৈমাৰীত চিএম ভিজিলেন্সৰ অভিযান

**অসম বাৰ্তা,গৰৈমাৰী, ১৯ ছেপ্তেম্বৰ ঃ** দুৰ্নীতিগ্ৰস্ত এ চি এচ বিষয়া নূপৰ বৰাৰ ওপৰত চি এম ভিজিলেন্সৰ তদন্ত অব্যাহত আছে। মাটি-বাৰীৰ কামত অনিয়ম সংঘটিত কৰা তথা দুৰ্নীতিগ্ৰস্ত নূপুৰ বৰাৰ সম্পত্তিৰ হিচাপৰ তদন্ত কৰিবলৈ আজি কামৰূপ জিলাৰ গৰৈমাৰী ৰাজহ চক্ৰৰ কাৰ্যালয়লৈ অনা হয় নূপুৰ বৰাক। আজি পুৱা প্ৰায় ১০ বজাত গুৱাহাটীৰ পৰা অহা চি এম ভিজিলেন্সৰ তদন্তকাৰী দলে নূপুৰ বৰাক লৈ আহে গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত। প্ৰায় দুঘণ্টা সময়লৈকে ভিজিলেন্সৰ দলে গৰৈমাৰী চক্ৰ বিষয়া কাৰ্যালয়ত তদন্ত চলায়। গৰৈমাৰী চক্ৰ বিষয়া কাৰ্যালয়ত অভিযান চলাই আপত্তিজনক কিছু তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে নিলম্বিত নূপুৰ বৰাই গৰৈমাৰী ৰাজহ চক্ৰৰ বিষয়া হৈ থকাৰ সময়ত অনিয়মেৰে ভূমি অন্য লোকলৈ হস্তান্তৰ কৰিছিল। এইক্ষেত্ৰত ভূমি অন্য লোকলৈ হস্তান্তৰ কৰাৰ ক্ষেত্ৰত গৰৈমাৰী চক্ৰৰ লাট মণ্ডল পদৰ দৈমাৰী ভূমিৰ নথি প্ৰস্তুত প্ৰক্ৰিয়াত নূপুৰ বৰাক সহায় কৰিছিল। প্ৰাপ্ত তথ্যমতে গৰৈমাৰী সত্ৰ গাঁৱৰ ১৫০ নং পট্টাৰ ১১৪ নং দাগত ১ বিঘা ৩ কঠা ৫ লেচা ভূমি প্ৰয়াত পবিত্ৰ কুমাৰ দাস আৰু প্ৰভাত দাসৰ নামত পূৰ্বৰ পৰাই ম্যাদী হৈ আছিল। কিন্তু লাট মণ্ডল পদৰ দৈমাৰীয়ে ১১৪ নং দাগ বিলুপ্ত কৰি নতুনকৈ ১ নং পট্টাত ম্যাদী ভূমি একচনা দেখুৱায়। ইয়াৰোপৰি উক্ত ভূমি গৰৈমাৰী সত্ৰ গাঁৱৰ ৰঞ্জিত কুমাৰ বসাকৰ নামত পুনৰ ম্যাদীভূক্ত কৰি নতুনকৈ ৯৯২নং দাগ আৰু ৫৯২ নং পট্টাত জালিয়াতিৰে বাটোৱাৰা কৰে। তদুপৰি বহু জমি বে-আইনী ভাৱে দান ও দখল সূত্ৰে আৰু অংশীদাৰ সূত্ৰে চিঠা নামজাৰী কৰি কেলেংকাৰী সংঘটিত কৰা বুলি অভিযোগ আছে। প্ৰণিধানযোগ্য যে গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত নূপুৰ বৰাই কাৰ্যানিৰ্বাহ কৰাৰ সময়ত বে-আইনীভাৱে মাটি-বাৰী সংক্ৰান্তিয় কাম-কাজৰ বিনিময়ত ধন সংগ্ৰহ কৰাৰ মাষ্টৰমাইণ্ড আছিল লাট মণ্ডল পদৰ দৈমাৰী তথা একাংশ সহযোগী দালাল। যাৰ পৰিপ্ৰেক্ষিতত কালি দুৰ্নীতিগ্ৰস্ত লাট মণ্ডল পদৰ দৈমাৰী ৰাইজৰ ৰোষত পৰাৰ ওপৰি ক্ষোভিত ৰাইজে লাট মণ্ডল পদৰ দৈমাৰীক লপা-থপা দিয়ে। ইপিনে এ চি এছ বিষয়া নূপুৰ বৰা গ্ৰেপ্তাৰ হোৱাৰ পিছৰ পৰা গৰৈমাৰী ৰাজহ চক্ৰ এলেকাৰ সকলো মাটি-বাৰী সংক্ৰান্তীয় আৰু চৰকাৰী কাম-কাজ সম্পূৰ্ণভাৱে ব্যহত হৈ পৰিছে। সেয়ে ব্যাহত হৈ পৰা গৰৈমাৰী ৰাজহ চক্ৰৰ কাম-কাজ নিয়াৰিকৈ চলাবলৈ সৎ আৰু নিকা বিষয়া নিয়োগ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষকক দাবী জনাইছে সচেতন সমাজে। লগতে নূপুৰ বৰাক দূৰ্নীতি কাণ্ডত সহযোগীতা কৰা গৰৈমাৰী লাট মণ্ডল সকলোক তদন্তৰ আওতালৈ অনাৰ দাবী জনাইছে পূৱ-ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থা'ই।

পৰিচালনা সমিতিৰ ১২ সদস্যৰ পদত্যাগ

# পশ্চিম এম.এম.বি. ছিনিয়ৰ বেছিক বিদ্যালয়ত অৰাজকতা

## বিদ্যালয়ৰ আন্তগাঁথনিৰ ধন খৰচৰ পিপিএত সভানেত্ৰীয়ে স্বাক্ষৰ নকৰাৰ অভিযোগ

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ বালাৰচৰ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত পশ্চিম এম.এম.বি. ছিনিয়ৰ বেছিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ মাজত এক অশান্ত পৰিস্থিতি সৃষ্টিৰ ফলত বিদ্যালয় পৰিচালনা সমিতিৰ ১২ গৰাকী সদস্যই পদত্যাগ কৰাত বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত ব্যাঘাত জন্মিছে। পূৰ্বে বিভিন্ন কাৰণত তিনিগৰাকী সদস্যই পদত্যাগ কৰাৰ পিছত পুনৰাই ন গৰাকী সদস্যই বিদ্যালয় পৰিচালনা সমিতিৰ পৰা পদত্যাগ কৰে। পদত্যাগ কৰা সদস্যসকলে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়ালৈ প্ৰেৰণ কৰা আবেদনত উল্লেখ কৰে যে, সমিতিৰ সভানেত্ৰী আমিনা খাতুনে সমিতিৰ সদস্যসকলৰ মতামতক আওকান কৰি স্বেচ্ছাচাৰিতাৰে সিদ্ধান্ত লৈ আহিছে। বিশেষকৈ সভানেত্ৰী গৰাকীয়ে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ পৰিৱেশন আৰু শিক্ষকৰ দায়িত্বৰ ক্ষেত্ৰত সভানেত্ৰীৰ অতিৰিক্ত হস্তক্ষেপৰ ফলত দৈনন্দিন কামকাজ বিঘ্নিত হৈছে বুলি অভিযোগ উঠিছে। অভিযোগ অনুসৰি, সভানেত্ৰীয়ে বহু সময়ত বিদ্যালয়ৰ উন্নয়নমূলক কাৰ্যসূচীসমূহত সহযোগিতা নকৰাকৈ ওলোটা বিভিন্ন প্ৰচাৰ-প্ৰসাৰৰ জৰিয়তে বিদ্যালয়ৰ পৰিৱেশ অশান্ত কৰি তোলাৰ অভিযোগ উঠিছে। ফলত বিদ্যালয়ৰ পৰিবেশ ক্ষতিগ্ৰস্ত হৈ শৈক্ষিক পৰিৱেশ বিঘ্নিত হৈছে বুলি অভিযোগ উঠিছে। এই পৰিস্থিতিত যোৱা ১৩ ছেপ্টেম্বৰত সমিতিৰ ন গৰাকী সদস্য ক্ৰমে বাৰেক আলী, জাহিদুল ইছলাম, আবু জাফৰ, মহিদুল ইছলাম, মজিৰণ নেছা, হাছেম আলী, ৰৌশনাৰা খাতুন, জমিলা খাতুন আৰু মাজেদা খাতুনে সভানেত্ৰীৰ অধীনত কাম কৰিব নোৱাৰাৰ কথা স্পষ্টকৈ জনাই, নিজৰ ইচ্ছাত পৰিচালনা সমিতিৰ পদ এৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। পদত্যাগ কৰা সদস্যসকলে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া গৰাকীক বিদ্যালয়খনৰ শৃঙ্খলা আৰু স্বাভাৱিক পৰিবেশ পুনৰুদ্ধাৰৰ বাবে তৎপৰতাৰে পদক্ষেপ লোৱাৰ অনুৰোধ জনায়। ইয়াৰ পূৰ্বে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নে যোৱা ১১ ছেপ্টেম্বৰত বিদ্যালয়খনৰ প্ৰধান শিক্ষক, সভানেত্ৰী আৰু সদস্য সকলোক সৃজনগ্ৰাম শিক্ষাখণ্ডৰ কাৰ্যালয়লৈ মাতি আনি বিদ্যালয়খনত সুস্থ শৈক্ষিক পৰিবেশ ঘূৰাই অনাৰ স্বাৰ্থত সকলো পক্ষৰে মতামত লৈছিল যদিও বিষয়টোৰ কোনো সমাধান ওলোৱা নাছিল। এক বিশেষ সূত্ৰে জানিব পৰা মতে প্ৰধান শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অইন অইন শিতানৰ ধন সমিতিৰ সভা মৰ্মে সিদ্ধান্ত লৈ খৰচৰ বাবে প্ৰিণ্ট পেমেণ্ট এডভাইচ (পি পি এ) সাজু কৰে যদিও সভানেত্ৰীয়ে সেই পি পি এত স্বাক্ষৰ নকৰে আৰু ইয়াকে কেন্দ্ৰ কৰি বিদ্যালয় পৰিচালনা সমিতিৰ মাজত মতানৈক্যৰ সৃষ্টি হয়। এতিয়া প্ৰশ্ন হল যিহেতু পূৰ্বে তিনিগৰাকী সদস্যই পদত্যাগ কৰে আৰু পুনৰাই ন গৰাকী সদস্যই স্বেচ্ছাই পদত্যাগ কৰে তেনে পৰিস্থিতিত প্ৰধান শিক্ষক, সহ শিক্ষক, সভানেত্ৰী, প্ৰাক্তন ছাত্ৰ প্ৰতিনিধি থকা মাত্ৰ পাঁচ গৰাকী সদস্যৰে পৰিচালনা সমিতিৰ সভাৰ থুল নহব তেনে পৰিস্থিতিত বিদ্যালয় খনত নতুনকৈ পৰিচালনা সমিতি গঠন নকৰাৰ বিকল্প নাই। নহলে দুই ম'হৰ যুঁজত বিৰিণাৰ মৃত্যু হোৱাৰ দৰে মধ্যাহ্ন ভোজন, ঐক্যসাজ আদিৰ লগতে সুস্থ পাঠ আদান প্ৰদান ৰ পৰা বঞ্চিত হব কণ কণ ছাত্ৰ-ছাত্ৰী। এনে সংকটময় পৰিস্থিতিত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ ভূমিকা হ'ব উল্লেখযোগ্য।

## বৃহৎ স্বাস্থ্য শিবিৰৰ বিষয়ে জিলা আয়ুক্তৰ সংবাদমেল

# গোলাঘাট জিলাত বৃহৎ স্বাস্থ্য শিবিৰৰ প্ৰস্তুতি



**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৯ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে ১৭ ছেপ্টেম্বৰৰ পৰা ২৫ ছেপ্টেম্বৰ, ২০২৫লৈ আয়োজন কৰা সেৱা সপ্তাহৰ লগত সঙ্গতি ৰাখি ১৮ ছেপ্টেম্বৰ, ২০২৫ তাৰিখৰ পৰা শুশ্ৰূষা সেতু শীৰ্ষক ৰাজ্যজুৰি বিধান সভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰিছে। এই বিষয়ে আজি, ১৮ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে গোলাঘাটৰ জিলা আয়ুক্ত গৰাকীয়ে এখন সংবাদ মেলৰ দ্বাৰা গোলাঘাটৰ সাংবাদিক সকলক সম্বোধন কৰে। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সংবাদ মেলৰ যোগেদি গোলাঘাট জিলাত হব লগা পাঁচটা বিধানসভা সমষ্টিত বিশিষ্ট চিকিৎসকৰ দ্বাৰা ০-১৮ বছৰ বয়সৰ প্ৰত্যেক শিশু, কিশোৰ - কিশোৰী সকলক ৫০ বিধ বেমাৰৰো অধিকৰ বিশেষ চিকিৎসা প্ৰদান কৰা হ'ব বুলি জিলা আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ তম জন্মদিনৰ উপলক্ষে 'সেৱা সপ্তাহ - সেৱা হী সমৰ্পন' নামক কাৰ্যক্ৰমৰ দ্বাৰা প্ৰত্যেক বিভাগৰ সুবিধা সমূহ ৰাইজৰ মাজত নিষ্ঠা আৰু সেৱাভাবৰ মনুভাবেৰে আগবঢ়াই দিয়াৰ লক্ষ্য কৰিছে। এই কাৰ্যক্ৰমৰ লগত সংযুক্ত কৰি অসম চৰকাৰে শুশ্ৰূষা সেতু শীৰ্ষক অভিযানৰ যোগেদি ০-১৮ বছৰ বয়সৰ প্ৰত্যেক শিশু, কিশোৰ - কিশোৰী সকলৰ ৰোগ চিনাক্তকৰণ কৰাৰ বাবে পৰীক্ষা কৰাৰ ব্যৱস্থা, ৰোগ নিৰ্ণয় কৰা আৰু উন্নত চিকিৎসাৰ ব্যৱস্থা কৰা হব। ইতিমধ্যে ৰাজ্যত শুশ্ৰূষা সেতু অভিযান ১৮ ছেপ্টেম্বৰ, ২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈছে। গোলাঘাট জিলাত প্ৰথম শিবিৰটো সেৱা সপ্তাহৰ সময়ছোৱাত ২১ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সৰুপথাৰ কলেজত অনুষ্ঠিত হব। দ্বিতীয় বৃহৎ স্বাস্থ্য শিবিৰ ১০ অ''বৰ, ২০২৫ তাৰিখে দেৰগাঁও বিধাসভা সমষ্টিৰ অধীনত দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হব। ইয়াৰে তৃতীয়টো শিবিৰ খুমটাই বিধানসভা সমষ্টিৰ দৈগ্ৰুং অঞ্চলৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামী বিদ্যাপীঠত পৰিকল্পনা কৰা হৈছে। বোকাখাত বিধান সভা সমষ্টিৰ অক্টোবৰৰ ২৪ তাৰিখে বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হব আৰু গোলাঘাট বিধানসভা সমষ্টিত ২৬ অক্টোবৰ দিনা দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হব। শুশ্ৰূষা সেতুৰ অনুসৰি ২০২৫ চনৰ ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহত প্ৰথম পৰ্যায়ৰ ৰোগ নিৰ্ণায়ক পৰীক্ষা আৰম্ভ হ'ব আৰু পৰবৰ্তী সময়ত জৰুৰী চিকিৎসাৰ বাবে উন্নত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ সুবিধা থাকিব। গোলাঘাট জিলাৰ বিধান সভা সমষ্টি সমূহত হব লগীয়া এই বৃহৎ স্বাস্থ্য শিবিৰ সমূহত যোৰহাট চিকিৎসা মহাবিদ্যালয় তথা ব্যক্তিগত খণ্ডৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হব। হৃদৰোগ, যকৃত ৰোগ, বৃক্ক ৰোগ, স্নায়ু ৰোগ, চকু-নাক- কাণৰ ৰোগ, চৰ্ম ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ চিনাক্তকৰণ বাবে ৰোগ নিৰ্ণায়ক পৰীক্ষা কৰা হব। ৰোগ নিৰ্ধাৰণ হোৱাৰ পৰবৰ্তী পৰ্যায়ত যথোপযুক্ত বিনামূলীয়া উন্নত চিকিৎসা তথা পুনৰীক্ষণৰ ব্যৱস্থা কৰি চিকিৎসা প্ৰদানৰ বাবে বিশেষ সুবিধা, ঔষধ যোগান তথা ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ - কিশোৰী সকলক বিশেষ গুৰুত্ব প্ৰদান কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা থাকিব। আজি অনুষ্ঠিত সংবাদ মেলত অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য), যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা তথ্য আৰু জনসংযোগ বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান গোলাঘাটৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে।

# বেবেজীয়াৰ বিভিন্ন স্থানত বিশ্বকৰ্মা পূজা উদযাপন

**অসম বাৰ্তা, বেবেজীয়া, ১৯ ছেপ্টেম্বৰ ঃ** বেবেজীয়াকে ধৰি ইয়াৰ সমিপৰ বিভিন্ন স্থানত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা উলহ-মালহেৰে উদযাপন কৰাৰ বাতৰি পোৱা গৈছে। বিশেষকৈ দলংঘাট আদৰ্শ চিকিৎসালয়ত বুধবাৰে শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা দিনজোৰা কাৰ্যসূচিৰে পালন কৰে। দলংঘাট আদৰ্শ চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত বিষয়া ডা: অম্লান জ্যোতি দাসৰ তত্ত্বাবধানত চিকিৎসালয়খনৰ চিকিৎসক, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰী সকলৰ সহযোগত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাভাগ সুন্দৰকৈ উদযাপন হয়। পুৱাৰ ভাগতে শ্ৰীশ্ৰীবিশ্বকৰ্মাৰ মৃণ্ময়মূৰ্তি ভাগ অস্থায়ী বেদিত পুৰুহিতে যথাৰীতি নিয়ম মতে স্থাপন কৰাৰ পিছত পূজা অৰ্চনা আৰু নাম কীৰ্তন কৰা হয়। তাৰ পিছতেই আদৰ্শ চিকিৎসালয়খনৰ পৰিয়ালবৰ্গ সমন্বিতে ভক্ত সকলে আশিস গ্ৰহণ কৰে আৰু প্ৰসাদ, ভোগ আদি গ্ৰহণ কৰে। ইয়াৰোপৰি দলংঘাট বৰমণিপুৰস্থিত ষোড়শ অসম আৰক্ষী (সংৰক্ষিত) মুখ্য কাৰ্যালয়টো প্ৰতি বছৰে পালন কৰাৰ দৰে এইবছৰো শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাভাগ পূৰ্ব ৰীতি অনুসৰি উদযাপন কৰে।

## গোলাঘাট আৰক্ষীয়ে তিনি অভিযুক্তক আটক কৰি লৈ গ'ল থানালৈ

# গোলাঘাটত ভূৱা সংগঠনৰ নেতাক লপাথপা

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৯ ছেপ্টেম্বৰ ঃ** গোলাঘাটত ভুৱা সংগঠনৰ নেতাক দিলে লপাথপা। চান্দা বিচাৰি গোলাঘাটৰ এইচ পি পেট্ৰ'ল ডিপোত ১০ লিটাৰ পেট্ৰ'ল দাবী কৰিছিল ভুৱা সংগঠনৰ নেতা তিনিজন স্বয়ম্ব নেতাই। পেট্ৰ'ল ডিপোটোত প্ৰথমতে গোলাঘাটৰ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ বুলি চিনাকি দিয়া যুৱককেইজনক তেল দিবলৈ অমান্য হয় কৰ্মচাৰীসকলে। তাৰ পিছত গোলাঘাটৰ কেইবাটাও সংগঠনৰ লোকে এই কেইগৰাকী কোনো ধৰণৰ সংগঠনৰ লগত জড়িত নহয় বুলি উল্লেখ কৰে। ঘটনাৰ স্থানত স্থানীয় লোক আৰু সংগঠনৰ নেতাই চান্দা বিচাৰি হাৰাশাস্তি কৰা ভুৱা সংগঠনৰ লোককেইজনক লপা থপা দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দেৰগাঁৱৰ ঋতুঞ্জয় গগৈ, বসন্ত বৰা আৰু যোৰহাটৰ দীপক দাসক আটক কৰি গোলাঘাট আৰক্ষী থানালৈ লৈ আহে। উল্লেখ্য যে পূৰ্বতেও এই তিনিগৰাকীয়ে গোলাঘাটৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানত চান্দা বিচাৰি হাৰাশাস্তি কৰি আৰক্ষীৰ জালত পৰিছিল। বৰ্তমান যুৱককেইজনক গোলাঘাট আৰক্ষীয়ে সোধপোচ কৰি তদন্ত অব্যাহত ৰাখিছে।

থিতাতে নিহত দুজন, আহত তিনি

# গোলাঘাটৰ ৰঙাজানত ভয়ংকৰ পথ দুৰ্ঘটনা

**ষ্টাফ ৰিৰ্পোটাৰ, গোলাঘাট, ১৯ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজাৰ নিশা গোলাঘাটৰ ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৰঙাজানৰ শিৱ মন্দিৰৰ সন্মুখত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এখন স্কুটী আৰু এখন পালচাৰ এন এছ বাইকৰ মুখামুখি সংঘৰ্ষত থিতাতে নিহত হয় দুগৰাকী বাইক আৰোহী। আনহাতে দুৰ্ঘটনাটোত আহত হয় আন তিনি বাইক আৰোহী। নিহত দুগৰাকী হৈছে আঠখেলীয়া গুৱালগাঁৱৰ নিৰঞ্জন বৰা আৰু থুৰামুখৰ টিটু কুমাৰ তাঁতী। জানিব পৰামতে এ এচ ০৫ ভি- ৮৬১৭ নম্বৰৰ হোণ্ডা স্কুটীত দৈগ্ৰোঙৰ পৰা গোলাঘাটৰ দিশেৰে আহি আছিল মৃত নিৰঞ্জন বৰা আৰু আহত পিকু বৰা। আনহাতে, থুৰামুখৰ পৰা ৰঙাজানত বিশ্বকৰ্মা পূজা উপভোগ কৰাৰ উদ্দেশ্য এ এচ ০৫ টি- ৯৮৬১ নম্বৰৰ পালচাৰ এন এচ বাইকত আহিছিল তিনি ভাতৃ ক্ৰমে মৃত টিটু কুমাৰ তাঁতী, আহত হিৰু তাঁতী আৰু ৰাতুল তাঁতী। ঘটনাস্থলীত ইতিমধ্যে গোলাঘাট যান বাহন শাখা আৰক্ষী উপস্থিত হৈ আহতসকলক গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰি ঘটনাৰ প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰিছে। ঘটনাক লৈ সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যই বিৰাজ কৰে।

# ডিব্ৰুগড়ত কেইবাটাও ক্ৰীড়া সন্থাৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাত ৩২ দলৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ ছেপ্টেম্বৰ ঃ** ক্ৰীড়াই হ'ল পৃথিৱীৰ সমন্বয় আৰু শান্তিৰ বাহক। উঠি অহা প্ৰজন্মই সু-স্বাস্থ্যৰ লগতে ক্ৰীড়া ক্ষেত্ৰত নিজ প্ৰতিভাৰে কেনেকৈ নিজকে প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে খোৱাং বিধানসভা সমষ্টিৰ যুৱ নেতা অসীম হাজৰীকাই বিভিন্ন সময়ত যুৱ প্ৰজন্মকলৈ এলানি ভিন্ন ক্ৰীড়াৰ কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। ইতিমধ্যে খোৱাং-খলিহামাৰী নৱদ্বীপজ্যোতি যুৱ সংঘৰ উদ্যোগত, বৰবিল অঞ্চলবাসী ৰাইজ আৰু খোৱাং ক্ৰীড়া সন্থাৰ লগতে অসীম হাজৰীকা অনুৰাগী মঞ্চৰ সহযোগত ইং ১৮ ছেপ্তেম্বৰৰ পৰা ২৩ ছেপ্তেম্বৰলৈ বৰবিল খলিহামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দ্বিতীয় বাৰ্ষিক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাখনি শুভাৰম্ভণি কৰা হয়। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ৩২টা ফুটবল দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনিৰ শুভ উদ্বোধন কৰে দিবা-নৈশ ফুটবল খেল প্ৰতিযোগিতাৰ উদ্যোক্তা মণ্ডলীৰ উপদেষ্টা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, খোৱাং বিধানসভা সমষ্টিৰ জনপ্ৰিয় যুৱ নেতা অসীম হাজৰীকাই। উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়া, খোৱাং ক্ৰীড়া সন্থাৰ বিষয়ববীয়া, বিশিষ্ট ব্যক্তিসকলৰ লগতে স্থানীয় বহু গণ্যমান্য ব্যক্তি আৰু ৰাইজ উপস্থিত থাকে। উদ্বোধনী খেলখনিত খলিহামাৰী এফ.চি আৰু মহাবীৰ এফ.চি য়ে অংশগ্ৰহণ কৰে। অহা ২৩ ছেপ্তেম্বৰত বাৰেৰহণীয়া বিস্তৃত কাৰ্যসূচীৰে খেল প্ৰতিযোগিতাৰ অন্ত পৰিব।

# ভুল চিকিৎসাৰ বাবে শিশুৰ মৃত্যুৰ অভিযোগ তুলি ডুমডুমাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ ছেপ্টেম্বৰ ঃ** অসম চিকিৎসা মহাবিদ্যালয়ত ভুল চিকিৎসা বাবে এটি শিশুৰ মৃত্যুৰ অভিযোগ তুলি শিশুটিৰ পৰিয়াল আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিয়ে আজি ডুমডুমাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ঘটনাৰ গাপ দি ৰখাৰ অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ হেঁচাত চিকিৎসক আৰু চিকিৎসা কৰ্মীক শাস্তি বিহিছে যদিও সেইয়া প্ৰচাৰ মাধ্যমৰ পৰা আতঁৰাই ৰখাটো ৰহস্যজনক আখ্যা দিছে সংগঠনটোৱে। ভুল চিকিৎসাত জড়িত দোষী চিকিৎসক, নাৰ্ছৰ নাম ৰাজহুৱা কৰাৰ দাবীৰ লগতে মৃতকৰ পৰিয়ালক উচিত ক্ষতিপূৰণৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ। উল্লেখযোগ্য যে কাকপথাৰৰ ডিৰাক কঠালগুৰি গাঁৱৰ ৰুবুল মৰাণ আৰু মমী মৰাণৰ কন্যা বাৰ্বি মৰাণ (৮)ৰ মৃত্যুৰ পিছত পোহৰলৈ আহিছে চিকিৎসকৰ গাফিলতিৰ কথা। যোৱা ৯ জুলাইত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত শিশুটিক ভৰ্তি কৰোৱা হৈছিল আৰু যোৱা ২ আগষ্টত শিশুটিৰ মৃত্যু হয়। আজি প্ৰতিবাদৰ অন্তত ৰাজহ চক্ৰ বিষয়াৰ যোগেদি তিনিচুকীয়া জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ লগতে অতি সোনকালে তেওঁলোকৰ দাবীসমূহৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে ধাৰাবাহিক আন্দোলনৰ হুংকাৰ দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বই।

বৃহস্পতিবাৰে বন বিভাগে ট্ৰেংকুইলাইজড কৰে হাতীটো

# দেৰগাঁৱত ঘৰচীয়া হাতীৰ মুক্ত বিচৰণ

## হাতীৰ আক্ৰমণত নিহত হাতীৰ গৰাকী কেশৱ বৰা, আহত দুজন



**অসম বাৰ্তা, দেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** কালিৰ দিনটোত গোলাঘাট জিলাৰ দেৰগাঁৱত সংঘটিত এক ভয়ানক ঘটনা য'ত এটা পোহনীয়া হাতীৰ আক্ৰমণত প্ৰান গ'ল হাতীটোৰ মালিকৰ। ঘটনাটোত হাতীৰ গৃহস্থৰ মৃত্যুৰ উপৰি মাউত আৰু আন এজন ব্যক্তি আহত হ'ব লগা হয়। ঘটনা সৰ্ন্দভত জানিব পৰা মতে, দেৰগাঁও মলাই কুমাৰ গাঁৱৰ কেশৱ বৰা নামৰ ব্যক্তিজনৰ এটা পোহনীয়া হাতী কালি মাউতে বিশ্বকৰ্মা পূজা বুলি দেৰগাঁও চহৰলৈ উলিয়াই আনিছিল। ঘৰৰ পৰা দেৰগাঁৱলৈ আহি থকা অৱস্থাত হাতীটো বহু ব্যৱসায়িক প্ৰতিষ্ঠান আৰু সাধাৰণ ৰাইজৰ গৃহৰ সন্মুখত ৰখাই ৰখাই অনা হৈছিল। বিভিন্ন লোকে হাতীক ফল-মুল খুৱাই ছিল। এনেদৰে হাতীটোক মাউতে দিনৰ দিনটো চহৰখনৰ বিভিন্ন প্ৰান্তত ঘূৰাই ফুৰাই বিয়লি কুমাৰ গাঁৱৰ ফালে কাঠনিত বান্ধিব নিয়ে। এই সময়তে প্ৰথম হাতীটোৱে প্ৰথম জীতেন কৰ্মকাৰ নামৰ এজনক আক্ৰমণ কৰে আৰু তেও আহত হয়। ইয়াৰ অলপ পিছত হাতীটোক বশ লগাব বিচৰা মাউত বুমনি গগৈক আক্ৰমণ কৰে। কৰ্মকাৰৰ বোলাজনৰ আঘাত গুৰুত্বৰ আছিল। এই দুটা ঘটনাৰ পিছত মাউত বা আন লোকে হাতীটোক বান্ধিব পৰা নাছিল যাৰ বাবে হাতীৰ মালিক কেশৱ বৰাক সেই স্থানলৈ লৈ অনা হয়। ইয়াৰ পিছত কেশৱ বৰাই হাতীটোক বান্ধিবৰ চেষ্টা কৰি ওচৰলৈ যায় আৰু সেই সময়তে ৰামপ্ৰসাদে কেশৱ বৰাক হেঁচা মাৰি ধৰে। এই ঘটনাত কেশৱ বৰাই কৰুণ মৃত্যুক সাৱটি লয়। ইপিনে জীতেন কৰ্মকাৰক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে আৰু বুমনি গগৈক দেৰগাঁও সামুহিক চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰে। মালিক কেশৱ বৰাক আক্ৰমণ কৰাৰ পিছত ৰামপ্ৰসাদ আৰু অধিক উত্তেজিত হৈ যেনি তেনি যাবলৈ আৰম্ভ কৰে। নিশা গ্ৰভীৰ হৈ অহাৰ লগে-লগে হাতীটো দেৰগাঁৱৰ তিনি নং গেট, জুৰবাৰী, আৰু একাদশ অসম আৰক্ষী বাহিনীৰ চৌহদত সোমাই আতংকময় পৰিৱেশৰ সূচনা কৰে। দুপৰ নিশা হাতীয়ে ৰাজপথত ৰখাই থোৱা সৰু বাহন থেকেচি পেলোৱাৰ লগতে দোকান আৰু বিভিন্ন ঘৰ লক্ষ্য কৰি লয়। বন বিভাগে হাতীটোক লক্ষ্য কৰি থকাৰ মাজতে তিনি নং গেটৰ সমিপত বিদ্যুৎ বিভাগৰ কাৰ্যালয় চৌহদত বিশ্বকৰ্মা পূজা উপলক্ষে চলি থকা ভাওনাস্থলীত ৰামপ্ৰসাদ উপস্থিত হয় আৰু বুট-কল খাই এফালৰ পৰা তহিলং কৰিব ধৰে। ৰামপ্ৰসাদৰ উপস্থিতিৰ লগে-লগে দৰ্শক সকল দৌৱা দৌৰি কৰি আঁতৰি যাই আৰু ভাওনা আধাতে সামৰিব লগা হয়। নিশাটো এনেদৰে যোৱাৰ পিছত পুৱা সাত/আঠ মান বজাত বন বিভাগৰ বৃহৎ দলৰ নেতৃত্বত হাতীটোক একাদশ অসম আৰক্ষী বাহিনীৰ চৌহদত টেংকুলাইজ কৰিবলৈ সক্ষম হয়। তেতিয়াহে ওৰেনিশা আতংকিত হৈ থকা ৰাইজ শংকামুক্ত হয়। জানিব পৰা মতে, কেইদিনমান হাতীটোক এই স্থানতে বান্ধি ৰখা হ'ব আৰু তাৰ পিছত গৃহস্থক চমজাই দিব।

# নাজিৰা সমজিলাত সেৱা সপ্তাহ উদযাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, নাজিৰা, ১৯ ছেপ্টেম্বৰ ঃ** নাজিৰা সম-জিলাখনক সম্পূৰ্ণৰূপে যক্ষ্মামুক্ত কৰাৰ লক্ষ্যৰে তথা যক্ষ্মাত আক্ৰান্ত ৰোগীসকলক পৰিপুষ্টি প্ৰদানৰ উদ্দেশ্যে "সেৱা সপ্তাহ" আয়োজনৰ অংশস্বৰূপে অহা ২২ ছেপ্টেম্বৰত 'নি-ক্ষয় মিত্ৰ' সকলৰ সহযোগিতাত বিধানসভা সমষ্টি পৰ্যায়ত আনুষ্ঠানিকভাৱে ৰোগীসকলৰ মাজত পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হ'ব। এই অনুষ্ঠানটি অহা ২২ ছেপ্টেম্বৰত নাজিৰা বিধানসভা সমষ্টিৰ বাবে নাজিৰা নাট্য মন্দিৰত অনুষ্ঠিত হ'ব। এগৰাকী নি-ক্ষয় মিত্ৰ হিচাপে পঞ্জীয়ন কৰিবলৈ https://communitysupport.nikshay.in ৱেবছাইটটো চাব পাৰিব অথবা আপোনাৰ নিকটবৰ্তী যক্ষ্মা গোট বা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিব পাৰিব। নি-ক্ষয় মিত্ৰ হিচাপে পঞ্জীয়নভুক্ত হ'বলৈ জিলা যক্ষ্মাৰোগ নিয়ন্ত্ৰণ গোটৰ লগতে জিলা যক্ষ্মাৰোগ বিষয়া ডাঃ দ্বিজেন কোঁচৰ সৈতে যোগাযোগ কৰিব পাৰিব। আনহাতে এই সন্দৰ্ভত বিতংকৈ জানিবৰ বাবে ৭০০২৭-৬৭২৩০ আৰু ৯৬৭৮১-৭১৫২৭ নম্বৰত মোবাইল ফোনযোগে যোগাযোগ কৰিব পাৰিব।

# নামতিত চাৰিটাকৈ সাঁচি চোৰ গ্ৰেপ্তাৰ; কাৰাগাৰলৈ প্ৰেৰণ

**অসম বাৰ্তা, আমগুৰি, ১৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নামতিত চাৰিটাকৈ সাঁচি চোৰ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, নামতি চাৰিআলিৰ বিভিন্ন অঞ্চলৰ পৰা দীৰ্ঘদিন ধৰি সাঁচি চুৰ হৈ আহিছিল। কালি নামতি চাৰিআলি গণক আদৰ্শ গাঁৱৰ পৰা স্থানীয় লোকে প্ৰাৰ্থপ্ৰতীম কাকতি, দেৱজিত ৰাজপুত, বৰছিলা ৭ নং ৰ গণেশ কালান্দী আৰু ৰমেণ গড়ক আৱদ্ধ কৰি আৰক্ষীক চমজাই দিয়ে। আমগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চাৰিটাকৈ সাঁচি চুৰক সাঁচিসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। স্থানীয় লোকৰ অভিযোগ অনুসৰি সাঁচি চোৰৰ এক বৃহৎ চক্ৰই দীৰ্ঘদিন ধৰি নামতি চাৰিআলিৰ গৰখীয়া নগৰ, গণক গাঁও, নামদঙীয়া, কাকতি চুক, দেওবিলকে ধৰি বিভিন্ন এলেকাত চুৰ কৰি সন্ত্ৰাস চলাই আহিছিল। স্থানীয় লোকৰ অভিযোগ অনুসৰি এই বৃহৎ চোৰৰ গেঙৰ লগত নামতি চাৰিআলিৰ বহুকেইটা চোৰ জড়িত হৈ আছে। আজি আমগুৰি আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১৪/২৫ নং গোচৰ ৰুজু কৰি ৩০৩(২)/৩১৭(২) ধাৰাত ন্যায়িক জিম্মালৈ চাৰিওটা চুৰক প্ৰেৰণ কৰিছে।

# নাজিৰা সমজিলাত ১৮ বছৰৰ তলৰ শিশু আৰু কিশোৰ কিশোৰীসকলৰ বাবে বিনামূলীয়া মেগা স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, নামতি, ১৯ ছেপ্টেম্বৰ ঃ** অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাৰ্গদৰ্শনত আৰু মাননিয় স্বাস্থ্যমন্ত্ৰী শ্ৰী অশোক সিংঘল ডাঙৰীয়াৰ নেতৃত্বত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমৰ এক বিশেষ পদক্ষেপ। ৰাজ্যৰ শিশু - কিশোৰসকলৰ সুস্বাস্থ্য সুনিশ্চিত কৰিবলৈ আয়োজন কৰা হৈছে "মেগা স্বাস্থ্য মেলা ২০২৫।" শুশ্ৰূষা সেতু শীৰ্ষক এই কাৰ্য্যসূচী ১৮ ছেপ্টেম্বৰৰ পৰা ৰাজ্যৰ ১২৬টা বিধান সভা সমষ্টিত শুভাৰম্ভ কৰা হব। অসমৰ সৰ্ববৃহৎ এই বিনামূলীয়া স্বাস্থ্য শিবিৰত ১৮ বছৰৰ তলৰ শিশু আৰু কিশোৰ কিশোৰী সকলৰ হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ বিনামূলীয়া পৰীক্ষাৰ সুবিধা উপলব্ধ থাকিব। "সেৱা সপ্তাহ" উদযাপনৰ অংশস্বৰূপে, নাজিৰা বিধানসভা সমষ্টিৰ বাবে এই বিশেষ স্বাস্থ্য শিবিৰ চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, পুৱা ৯ বজাৰ পৰা, অহা ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত কৰা হ'ব, য'ত ১৮ বছৰৰ তলৰ শিশু আৰু কিশোৰ কিশোৰী সকলে নিজৰ স্বাস্থ্যৰ বিনামূলীয়া পৰীক্ষা কৰিব পাৰিব। স্বাস্থ্য পৰীক্ষাৰ উপৰিও তেওঁলোকক প্ৰয়োজন সাপেক্ষে চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হ'ব আৰু প্ৰয়োজনত চৰকাৰী আঁচনিৰ অধীনত উন্নত চিকিৎসালয়ত উন্নত চিকিৎসাৰ বাবেও এই প্ৰক্ৰিয়াৰ জৰিয়তে সুব্যৱস্থা লোৱা হ'ব। উল্লেখ্য যে, আয়ুষ্মান ভাৰত - প্ৰধানমন্ত্ৰীজন - আৰোগ্য যোজনা, স্নেহস্পৰ্শ, অসম আৰোগ্য নিধি, মিছন স্মাইল আদি সকলো সেৱাৰ সৈতে এই শিবিৰসমূহ সংযুক্ত থাকিব।

# বঙাইগাঁও জিলাৰ চিল্লাপাৰা গাঁৱৰ কিশোৰ নিৰুদ্দেশ

**অসম বাৰ্তা, লেংটিছিঙা, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চিল্লাপাৰা গাঁৱৰ আমিৰ আলীৰ পুত্ৰ মিজানুৰ ৰহমান (১৬ বছৰ ) নিৰুদ্দেশ হৈ আছে। জানিব পৰা মতে যোৱা ১৫ ছেপ্টেম্বৰ তাৰিখ অৰ্থাৎ সোমবাৰে ৰাতিপুৱা মিজানুৰ ৰহমানে নিজ ঘৰৰ পৰা চাইকেলেৰে টিউচন ওলাই যায়। যদিও কিশোৰ গৰাকী ঘৰলৈ উভতি নাহে। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰি যদিও বৰ্তমানলৈকে কিশোৰ গৰাকীৰ কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। ফলত পৰিয়ালৰ লোকে মানসিক বাবে ভাগি পৰিছে। ইতিমধ্যে কিশোৰ গৰাকী নিৰুদ্দেশ হোৱা সন্দৰ্ভত আৰক্ষীক অৱগত কৰিছে পৰিয়ালৰ লোকে। অৱশ্যে এই ক্ষেত্ৰত যদি কোনো হৃদয়ৱান লোকে কিশোৰ গৰাকীৰ সন্ধান লাভ কৰে তেন্তে পৰিয়ালৰ 9995454392 আৰু 9101359784 এই দুটি নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়াল লোকে অনুৰোধ জনাইছে।

# ডিব্ৰুগড়ত 'স্বাস্থ্যৱান নাৰী-শক্তিশালী পৰিয়াল' অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ ভাৰতবৰ্ষতে মহিলা, কিশোৰ-কিশোৰী আৰু শিশুৰ স্বাস্থ্যসেৱা আৰু পুষ্টি সেৱা শক্তিশালী কৰাৰ দিশত এক ঐতিহাসিক পদক্ষেপ 'স্বস্থ নাৰী, সশক্ত ( সুস্থ নাৰী, সবল পৰিয়াল অভিযান ) ৰ শুভ উদ্বোধন কৰে। তাৰেই অংশ হিচাপে ডিব্ৰুগড়ত বকপৰাস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় জিলা প্ৰশাসন তথা স্বাস্থ্য বিভাগৰ উদ্যোগত অনুষ্ঠিত "স্বস্থ নাৰী, সশক্ত পৰিবাৰ" অভিযানৰ শুভাৰম্ভণি কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় আৰু মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে যৌথভাৱে নেতৃত্ব দিয়া এই পদক্ষেপে মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পুষ্টিৰ অৰ্থে কাম কৰিব। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অ''বৰলৈ ডিব্ৰুগড় জিলাৰ সমূহ আয়ুষ্মান আৰোগ্য মন্দিৰ, প্ৰাথমিক আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য শিবিৰৰ আয়োজন কৰাৰ লগতে প্ৰতিৰোধমূলক, প্ৰচাৰমূলক আৰু নিৰাময়মূলক স্বাস্থ্য সেৱা প্ৰদানৰ প্ৰসাৰ ঘটাব। মহিলা আৰু কিশোৰী ছোৱালীৰ স্বাস্থ্য আৰু পুষ্টিৰ প্ৰয়োজনীয়তা সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে ৰক্তহীনতা প্ৰতিৰোধ, সুষম খাদ্য আৰু ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত সজাগতা অভিযান চলাব। ইয়াৰ উপৰিও স্বস্থ নাৰী, সশক্ত পৰিয়াল অভিযানৰ যোগেদি জিলাখনৰ মহিলা সকলৰ অসংক্ৰামক ৰোগ, ৰক্তহীনতা, যক্ষ্মা আৰু ছিকেল চেল ৰোগৰ পৰীক্ষা, প্ৰসৱৰ পূৰ্বে যত্ন, প্ৰতিষেধক, পুষ্টি, তেল আৰু চেনিৰ ব্যৱহাৰ হ্ৰাস কৰণ, মানসিক স্বাস্থ্য, জীৱনশৈলী আৰু মানসিক স্বাস্থ্য সজাগতামূলক কাৰ্য্যকলাপৰ জৰিয়তে মাতৃ, কিশোৰী আৰু শিশুৰ স্বাস্থ্যৰ উন্নতি সাধন কৰাৰ উদ্দেশ্যে লোৱা হৈছে। লগতে এই অভিযান কালত আয়ুষ্মান ভাৰত কাৰ্ডৰ ই কে ৱাই চি, আভা আই ডি প্ৰস্তুতকৰণ, নিক্ষয় মিত্ৰৰ সৃষ্টি আৰু স্বেচ্ছামূলক ৰক্তদান ইত্যাদি ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিব উল্লেখযোগ্য যে, এই স্বস্থ নাৰী, সাশক্ত পৰিয়াল অভিযানৰ লক্ষ্য হৈছে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বাস্থ্যবান, শক্তিশালী আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগী আগুৱাই নিয়া। আনহাতে, এই "স্বস্থ নাৰী, সশক্ত পৰিৱাৰ " আৰু "সেৱা হি সমৰ্পন" কাৰ্যসূচীৰ অংশ হিচাপে বকপৰা ৰাজহুৱা প্ৰেক্ষাগৃহত আৰু চাবুৱা চাহ বাগিচা চিকিৎসালয়ৰ লগতে জিলাখনৰ বিভিন্ন চিকিৎসালয়ত মেগা ৰক্ত দান শিবিৰৰো আয়োজন কৰে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে। প্ৰণিধানযোগ্য যে এই উদ্বোধনী অনুষ্ঠানত এক মেগা চিকিৎসা শিবিৰৰো স্বাস্থ্য বিভাগে আয়োজন কৰে য'ত মেডিচিন, শিশু ৰোগ বিশেষজ্ঞ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ, ই এন টি বিশেষজ্ঞ, দন্ত চিকিৎসক, চকু চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰাৰলগতে মানসিক স্বাস্থ্য, যক্ষ্মাৰ স্ক্ৰীনিং, অসংক্ৰামক ৰোগৰ স্ক্ৰীনিং, প্ৰাক প্ৰসৱ পৰীক্ষা, চিকল চেল এনিমিয়া স্ক্ৰীনিং, কেন্সাৰ স্ক্ৰীনিং, আভা আৰু আয়ুষ্মান কাৰ্ড, আই ই চি আৰু কাউন্সেলিং, টীকাকৰণ, এনিমিয়া স্ক্ৰীনিং, পৰিপুষ্টি সম্পৰ্কীয় কাউন্সেলিং, ঔষধালয়, পৰীক্ষাগাৰ ইত্যাদিৰো ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰিও সমগ্ৰ জিলাখনত মুঠ ২৯৪টা চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি প্ৰায় ১২ হাজাৰৰো অধিক লোকক স্বাস্থ্য সেৱা প্ৰদান কৰা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰিও খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, অসম চৰকাৰৰ যুটীয়া সচিব তথা ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ অভিভাৱক বিষয়া ডাঃ প্ৰণতি গগৈ, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ ৰাজ্যিক পৰামৰ্শদাতা আনন্দ শৰ্মা প্ৰমুখ্যে জিলা প্ৰশাসনৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু সামাজিক ক্ষেত্ৰত সক্ৰিয় ব্যক্তি, স্থানীয় ৰাইজ আৰু ছাত্ৰী সকল উপস্থিত থাকে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited | Website : www.asombarta.in | Facebook : \asombarta | Instagram : \asom_barta
সম্পাদক ঃ তনয় বৰা | মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন